# নাহৰ

প্ৰথম অসমীয়া বহুভাষিক ই-আলোচনী

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত


প্ৰস্তাৱনা সংখ্যা, জুলাই ২০২১



সম্পাদকঃ সপোন বড়া


নাহৰ
প্ৰথম অসমীয়া বহুভাষিক মাহেকীয়া ই-আলোচনী, ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ দ্বাৰা প্ৰকাশিত
প্ৰস্তাৱনা সংখ্যা, জুলাই ২০২১

## সম্পাদনা সমিতি



| | |
|---|---|
| উপদেষ্টা | : ড° প্ৰাঞ্জল বুঢ়াগোহাঁই<br>ড° স্বাতী কিৰণ |
| সম্পাদক | : সপোন বড়া |
| সহযোগী সম্পাদক | : দীপজ্যোতি গোৱালা |
| সদস্য/সদস্যা | : পৱন গগৈ, হিমালয় বাৰিক, ভৰত দাস,আইমুনু দিহিঙীয়া<br>ৰঞ্জিতা ভট্টাচাৰ্য্য, প্ৰসেনজিৎ সোণোৱাল |
| বেটুপাত | : দীপজ্যোতি গোৱালা |
| অংগসজ্জা | : প্ৰসেনজিৎ সোণোৱাল<br>দীপজ্যোতি গোৱালা |
| ফটো (উৎস) | : ইন্টাৰনেট |
| প্ৰকাশক | : ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১ |

নাহৰ
প্ৰথম অসমীয়া বহুভাষিক মাহেকীয়া ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা, জুলাই ২০২১




## সম্পাদনা সমিতি




ড°প্ৰাঞ্জল বুঢ়াগোঁহাই




ড°স্বাতী কিৰণ

উপদেষ্টা




সম্পাদক
সপোন বড়া



সহযোগী সম্পাদক
দীপজ্যোতি গোৱালা



সদস্য
পৱন গগৈ



সদস্য
হিমালয় বাৰিক



সদস্য
ভৰত দাস



সদস্যা
আইমুনু দিহিঙীয়া



সদস্যা
ৰঞ্জিতা ভট্টাচাৰ্য্য



সদস্য
প্ৰসেনজিৎ সোণোৱাল

# উৰ্ছগা

বৰ্তমান সমগ্ৰ বিশ্বতে মহামাৰীৰ প্ৰকোপৰ অন্ত পৰা নাই, এই মহামাৰী আৰু দুৰ্যোগপূৰ্ণ পৰিস্থিতিতো চিকিৎসক, স্বাস্হ্য বিভাগৰ কৰ্মচাৰী, চাফাই কৰ্মচাৰী প্ৰভৃতি লগতে যিসকল লোকে অপ্ৰাণ চেষ্টাৰে যুঁজি নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াইছে আৰু এই মহামাৰীৰ বিৰুদ্ধে থিয় দি জনসাধাৰণক ৰক্ষণাবেক্ষণ দিছে; সেইসকল যুঁজাৰুৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁলোকৰ শ্ৰীচৰণত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত বহুভাষিক মাহেকীয়া ই-আলোচনী "নাহৰ"ৰ প্ৰথম সংখ্যাটি উৰ্ছগা কৰিলোঁ ।

**Prof. L.K. Nath**, M. Pharm., Ph.D.
**Vice - chancellor i/c,**

**DIBRUGARH UNIVERSITY**
DIBRUGARH ◆ PIN - 786 004 ◆ ASSAM
Phone : 0373 - 2370239 (Off)
Mobile : 9435476382
Fax : 0373-2370323
E-mail : vc@dibru.ac.in

Ref. No: DU/VC/GWM/21/217

Date: 29.06.2021.

## শুভেচ্ছা বাণী

উজনি অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহিলা ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ উদ্যোগত 'নাহৰ' শীৰ্ষক এখনি ই-আলোচনী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ পাই সঁচাকৈয়ে আনন্দিত হৈছো। বিশ্ববিদ্যালয় এখনৰ ই-আলোচনী একোখনৰ যোগেদি বিশ্ববিদ্যালয়খনিৰ বিষয়ে বহু নজনা কথা জানিব পাৰি। তাৰোপৰি এনে ই-আলোচনীয়ে নতুন নতুন প্ৰতিভা সৃষ্টিত প্ৰভুত অৰিহণা যোগোৱাটো সততে পৰিলক্ষিত হয়। সৰ্বোপৰি, স্মৃতিক যুগমীয়া কৰাতো এনে আলোচনীয়ে ঘাই ভূমিকা লয়। সেয়েহে এনে আলোচনীৰ প্ৰয়োজনীয়তা অ নস্বীকাৰ্য্য।

'নাহৰ' বিশেষ মানদণ্ডৰে সুন্দৰ ৰূপত প্ৰকাশ পাওক। তদ্ৰুপ, নতুন নতুন প্ৰতিভাই বিকাশ লাভ কৰক তাৰ বাবে আমাৰ শুভ কামনা থাকিল।

সংস্কৰণটিৰ প্ৰকাশৰ সৈতে জড়িত সমূহ ব্যক্তি আৰু পাঠকবৃন্দলৈ আমাৰ শুভেচ্ছা থাকিল।

নীলাকান্ত নাথ

(ডঃ নীলাকান্ত নাথ)
উপাচাৰ্য **(ভাৰপ্ৰাপ্ত)**
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

***Prof. Jiten Hazarika,*** M.Sc., Ph.D., PGDOR
Registrar

**DIBRUGARH UNIVERSITY**
DIBRUGARH • PIN – 786 004 • ASSAM
Phone : 0373-2370231 (O)
Mobile : 09435657101 / 918135045239
Fax : 0373-2370768
E-mail : registrar@dibru.ac.in
jiten_stats@dibru.ac.in

দিনাংক ঃ ৩০/০৬/২০২১

প্ৰতি,

**শ্ৰী স্বপোন বড়া,**
আলোচনী সম্পাদক,
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা,
ডিব্ৰুগড়।

প্ৰিয় শ্ৰী বড়া,

সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত 'নাহৰ' শীৰ্ষক আলোচনীখনি ই-আলোচনীৰূপে প্ৰকাশ কৰাৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই আমি নথৈ আনন্দিত হৈছোঁ। এখনি ই-আলোচনী প্ৰকাশৰ প্ৰক্ৰিয়া তুলনামূলকভাৱে যথেষ্ট কঠিন যদিও প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ, বিকাশ, জনপ্ৰিয়তা বৃদ্ধিৰ লগতে সৰ্বোপৰি আমাৰ সমাজখনৰ অধিকাংশৰ বাবে এই বিশেষ বিদ্যা ক্ৰমাৎ গ্ৰহণযোগ্য হৈ উঠাৰ লগে লগে আজিৰ তাৰিখত প্ৰযুক্তিবিদ্যাৰ সৈতে জড়িত এনে উদ্যমসমূহ পূৰ্বৰ তুলনাত যথেষ্ট সহজসাধ্য হৈ পৰিবলৈ ধৰিছে। গোলকীকৃত বিশ্বখনৰ পৰিবৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইয়াক এক শুভ লক্ষণৰূপেই চিহ্নিত কৰা হৈছে।

পাঠক সমাজৰ বাবে ই এক স্বীকৃত সত্য যে আমাৰ বিশ্ববিদ্যালয়ৰ পৰা উলিওৱা প্ৰতিখন আলোচনীয়েই এক বিশেষ মানদণ্ড বহন কৰি আহিছে। 'নাহৰ'ৰ ক্ষেত্ৰতো নিশ্চয় এই পৰম্পৰাৰ ব্যতিক্ৰম নঘটিব। আমাৰ একান্ত বিশ্বাস—নাহৰৰ দেশৰ শিক্ষাৰ্থীসকলে 'নাহৰ'ক নিশ্চয়কৈ আদৰি ল'ব।

শেষত সম্পাদনা সমিতি, লেখকবৃন্দ, পঢ়ুৱৈৰ বৃহৎ সমাজখনকে আদি কৰি প্ৰচেষ্টাটিৰ সৈতে জড়িত সকলোটিলৈকে আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল।

নিষ্ঠা সহকাৰে—

(ড° জিতেন হাজৰিকা)
পঞ্জীয়ক
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

# OFFICE OF THE POST GRADUATE STUDENTS' UNION
## DIBRUGARH UNIVERSITY
## DIBRUGARH-04
EMAIL: dupgsu2021@gmail.com


Ref.no:

Date: **29/6/2021**



**শুভেচ্ছা বাণী**

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক ভাতৃপ্ৰতিম শ্ৰী সপোন বড়াৰ উদ্যোগত প্ৰকাশ পাবলগীয়া 'নাহৰ' আলোচনীৰ বাবে আমাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশ পাবলগীয়া এই আলোচনীখনে কেৱলমাত্ৰ নাহৰৰ দেশৰ বৃহত্তৰ ছাত্ৰ সমাজকে নহয়, বৰং সমগ্ৰ অসমৰ লেখক আৰু পাঠক সমাজক উপকৃত কৰিব বুলি আমি আশাবাদী। আশা কৰোঁ এই 'নাহৰ' আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধন হ'ব আৰু লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃতপক্ষে নিজৰ প্ৰতিভাসমূহ বিকাশৰ বাবে এখন মঞ্চ পাব।

Pobfn Gogoi
President
D.U.P.G.S.U. 2020-21

পৱন গগৈ

সভাপতি

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১

# OFFICE OF THE POST GRADUATE STUDENTS' UNION
## DIBRUGARH UNIVERSITY
## DIBRUGARH-04
EMAIL: dupgsu2021@gmail.com


Ref.no: Date: **29/6/2021**



**শুভেচ্ছা বাণী**

**মহৎ কাৰ্য সিদ্ধিৰ বাবে অকল কাম কৰাই নহয় স্বপ্নও দেখিব লাগিব ----- তেনে এক স্বপ্নৰ পূৰ্ণাঙ্গ ৰূপেই হৈছে "নাহৰ" ।**

**এখন দৌৰ আৰম্ভ হৈছে ---- পৰিৱৰ্তনৰ দৌৰ ,জ্ঞানৰ দৌৰ । হয়তো তুমি আগুৱাই যোৱা, নহ'লে বৈ দিয়া । পৰিৱৰ্তনেই যেন কেৱল পৃথিৱীত একমাত্ৰ স্থিৰ বস্তু ।**

**এই পৰিৱৰ্তনৰ দৌৰত এক নতুন যুগৰ সূচনা কৰিছে---- ডিজিটেল যুগ বা কম্পিউটাৰ যুগ । এই যুগৰ আন এক অৱদান হৈছে --- ইণ্টাৰনেটত প্ৰকাশিত সাহিত্যৰাজি 'ইলেক্ট্ৰনিক সাহিত্য' বা 'বৈদ্যুতিন সাহিত্য' । এই সাহিত্য কোনো ভৌগোলিক পৰিসীমাৰ মাজত সীমাৱদ্ধ নহয়, ই মুক্ত । এনেদৰেই পৰিসীমাক নেওচি বহু দূৰ দিগন্তলৈ প্ৰসাৰিত কৰাৰ উদ্দেশ্যে সংস্কৃতিবান মানুহেৰে ভৰি থকা , সৃষ্টিশীল মনৰ আকৰস্বৰূপ এই নাহৰৰ দেশত নতুন এক খোজ দিবলৈ আৰম্ভ কৰিছে "নাহৰ" নামৰ আলোচনী খনে । আমি আশাবাদী আলোচনী খনে সোণালী অতীতক সুঁৱৰি , বৰ্তমানক সুন্দৰ কৰি নাহৰৰ দেশত সুদীৰ্ঘ ভৱিষ্যতৰ ভেঁটি গঢ়িব ।**

**জীৱনৰ সুদীৰ্ঘ কালৰ অভিজ্ঞতাৰ পৰা এই কথা ন-দি ক'ব পাৰি সম্পাদক আৰু প্ৰকাশকৰ দূৰদৰ্শিতাই আলোচনী এখনক যুগে যুগে অমৰ কৰি ৰাখে । গাতে লাগি থকা চিনাকি পৃথিৱীখনক শান্তি আৰু বৌদ্ধিক- নান্দনিক চেতনাৰে জীয়াই ৰাখিব পৰা গুৰু হ'ল গ্ৰন্থ আৰু আলোচনী । গতিকে এই মহৎ কামৰ জৰিয়তে নাহৰৰ দেশক নতুন এক চিনাকি কৰাই দিব লোৱা "নাহৰ" আলোচনীৰ সমূহ কৰ্মকৰ্তাক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো । নাহৰৰ দেশৰ দাপোণ হৈ উঠিব বিচৰা এই নাহৰ আলোচনীয়ে নাহৰৰ দেশৰ বিচিত্ৰতাৰ বিভিন্ন ৰঙবোৰ একত্ৰিত কৰি এক সুকীয়া আমেজ প্ৰদান কৰিব ।**

**আলোচনী খন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশিত হৈ বিশ্ববিদ্যালয় তথা সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে এক উদাহৰণস্বৰূপ হ'ব বুলি আশা কৰিছোঁ । নাহৰৰ দেশত সাহিত্য চৰ্চাৰ এক নতুন ধাৰা সৃষ্টি হওক এই "নাহৰ" আলোচনী খনৰ পৰাই ।**

**আলোচনীখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ক উপহাৰ দিবলৈ আগবাঢ়ি অহা ভাতৃপ্ৰতিম শ্ৰী সপোন বড়ালৈ আমাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ । আশা কৰোঁ নাহৰৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ প্ৰতিগৰাকী সৃষ্টিশীল লেখকবন্ধু উপকৃত হ'ব ।**

Himalay Barik
General Secretary
D.U.P.G.S.U. 2020-21

**হিমালয় বাৰিক**
**সাধাৰণ সম্পাদক**
**ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা**
**২০২০-২১**

# শ্ৰদ্ধাঞ্জলি


• অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমালোচক, কবি, গল্পকাৰ, সমাজহিতৈষী শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি দেৱলৈ

• অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ঔপন্যাসিক, গল্পকাৰ, অনুবাদক, বিভিন্ন আলোচনীৰ সম্পাদক লগতে নাটক, জীৱনী, আত্মজীৱনী, ভ্ৰমণ কাহিনী, বিজ্ঞান ভিত্তিক লেখাৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি যোৱা বিশিষ্ট লেখক লক্ষ্মীনন্দন বৰাদেৱলৈ

• ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন গৱেষণা সহায়িকা, বিখ্যাত গীতিকাৰ, শিশু সাহিত্যিক, ঔপন্যাসিক, প্ৰাবন্ধিক ড° মনোৰমা বৰগোহাঞি বাইদেউলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

- সম্পাদনা সমিতি

# সম্পাদকীয়...



সপোন বড়া
সম্পাদক, নাহৰ ই-আলোচনী

## স্বাধীনতা

মই ভাবোঁ, স্বাধীনতা অথবা মুক্তিৰ এটি অন্যতম চৰ্ত হ'ল মত প্ৰকাশৰ স্বাধীনতা । নিজৰ ভাললগা সাহিত্য, শিল্প, সংস্কৃতিৰ চৰ্চা কৰাৰ অধিকাৰ থকা পৰিবেশত স্বাধীনতা লালিত হ'ব পাৰে। যি ৰাষ্ট্ৰই কোনো শিল্পী, সাহিত্যিক, সংস্কৃতিৰ লগত জড়িত কৰ্মী, বুদ্ধিজীৱী আদিৰ কণ্ঠ ৰুদ্ধ কৰাৰ চেষ্টা কৰে, সেই ৰাষ্ট্ৰ স্বাধীন হ'ব নোৱাৰে।

সভ্যতাৰ বিকাশ যদি আমাৰ লক্ষ্য হয়, মানৱতাৰ অগ্ৰগামী যাত্ৰা যদি আমাৰ কাম্য হয়, তেন্তে এজন লেখকে নিজ ইচ্ছাৰে কলম চলোৱাৰ অথবা এজন শিল্পীয়ে নিজৰ মৌলিকতা অক্ষুন্ন ৰখাৰ স্বাধীনতা লাভ কৰাৰ পৰিৱেশ সৃষ্টি কৰা অত্যন্ত প্ৰয়োজনীয় কৰ্তব্য হৈ পৰে। এনে পৰিবেশত স্বাধীনতা জনতাৰ মুক্তিৰ বাহক হ'ব পাৰিব, লগতে আমাৰ জীৱন হৈ পৰিব বৈচিত্ৰময়। কোনো লেখক-শিল্পীৰ সীমাবদ্ধতাক এটা গণ্ডীৰ মাজত আবদ্ধ কৰি ৰখাৰ অধিকাৰ আনকি কোনো পাঠক-শ্ৰোতাৰো থাকিব নোৱাৰে, কিয়নো এনে কাৰ্য্যই লেখক-শিল্পীৰ মৌলিক সৃষ্টিৰ পথ ৰুদ্ধ কৰিব পাৰে, বিব্ৰত কৰিব পাৰে। অৱশ্যে কোনো লেখক অথবা শিল্পীক গ্ৰহণ কৰা অথবা বৰ্জন কৰাৰ অধিকাৰ সকলো পাঠক শ্ৰোতাৰ থাকে। মৌলিকতাক এটা সীমাৰ ভিতৰত আবদ্ধ কৰি ৰখা এটা অমানৱীয় কাৰ্য্য।

এই কথাবোৰ মই যেতিয়া উপলব্ধি কৰিব পাৰিলোঁ, তেতিয়াই মই আত্ম সমালোচনা কৰিছিলোঁ, চূড়ান্ত অনুশোচনা কৰিছিলোঁ। কিয়নো এসময়ত মই নিজেও লোকৰ মৌলিকতাক এটা বৃত্তৰ পৰিধিৰ ভিতৰত আৱদ্ধ কৰাৰ চেষ্টা কৰিছিলোঁ। মই সেই লেখক-শিল্পী সকলৰ ওচৰত এতিয়া ক্ষমাপ্ৰাৰ্থী।

দৰাচলতে মানৱ অধিকাৰ সম্পৰ্কে যেতিয়া মোৰ জ্ঞান আৰু অধ্যয়ন সীমিত আছিল, মানৱ অধিকাৰৰ প্ৰতি সন্মান আছিল নগন্য; সেই কৈশোৰ কালত বৈপৰিত্য মতাৱলম্বী ব্যক্তিক মই সহ্য কৰিব পৰা নাছিলোঁ। আচলতে সেয়া আছিল মোৰ মানসিক সীমাবদ্ধতা, দৈন্যতা, শিক্ষাৰ অভাৱ অথবা ক'ব পাৰে কিছু বৰ্বৰতা। কিন্তু যেতিয়াই মানৱ অধিকাৰ সম্পৰ্কে পঢ়া শুনা আৰম্ভ কৰিলোঁ তেতিয়াই মই লজ্জিত হৈছিলোঁ। নিজেই যেতিয়া মোৰ মৌলিক সৃষ্টিৰ বাবে আনৰ পৰা গালি ভাবুকি শুনিবলৈ পালোঁ তেতিয়া মই বুজিব পাৰিলোঁ মই কিমান ভুল আছিলোঁ এসময়ত। যিসকল ব্যক্তিয়ে অৱশ্যে ব্যক্তি স্বাধীনতাৰ আঁৰ লৈ মিথ্যাচাৰ বিয়পাই, তেওঁলোকৰ মুখা জনতাৰ সমুখত খুলি দিয়া আমাৰ মৌলিক কৰ্তব্য বুলি মই ভাবোঁ।

কিন্তু আমি দেখিবলৈ পাওঁ, যিবোৰ দেশত এতিয়া ফেচিবাদী শাসন ব্যৱস্থা চলি আছে, তেনে দেশৰ চৰকাৰে এনে মিথ্যাচাৰৰ বিৰুদ্ধ দৃঢ় পদক্ষেপ নলয়, বৰঞ্চ নিজৰ স্বেচ্ছাচাৰিতা, শোষণ, বঞ্চনা, অন্যায়, অত্যাচাৰ, অবিচাৰ আদি বিশ্ব সমূদায়ৰ পৰা লুকুৱাবলৈ নিজেই মিথ্যাচাৰৰ আশ্ৰয় লয়, আৰু নিজৰ প্ৰপগাণ্ডা বিয়পাই দিবলৈ তেনে ধৰণৰ মাধ্যম সমূহৰ ব্যাপক ব্যৱহাৰ কৰে। কিন্তু সচেতন ব্যক্তি সকলে এই ধৰণৰ কাৰ্য্যৰ বিৰোধিতা কৰা উচিত। প্ৰয়োজন অনুসৰি ৰাজহুৱা সভা অনুষ্ঠিত কৰি, আৰু দৰকাৰ হ'লে ৰাজপথত আন্দোলন কৰি এনে মিথ্যাচাৰৰ বিৰুদ্ধে যাব, যাতে মিথ্যাৰ আশ্ৰয় লৈ কোনেও শোষণ কৰিব নোৱাৰে।

মনত ৰাখিব, শিক্ষিত জনসাধাৰণৰ সংগঠিত প্ৰতিবাদে এখন দেশৰ এনে অন্যায়-শোষণ আঁতৰ কৰিব পাৰে। শিল্পী-সাহিত্যিক-বুদ্ধিজীৱীৰ কণ্ঠ ৰুদ্ধ কৰি কোনো দেশতে গণতন্ত্ৰ টিকিব নোৱাৰে। আৰু যি দেশত গণতন্ত্ৰ নাই, তাত স্বাধীনতা কেতিয়াও থাকিব নোৱাৰে। সেয়ে আহক, সকলো বিশ্ব নাগৰিক ঐক্যবদ্ধ হওঁ ফেচিবাদৰ বিৰুদ্ধে, থিয় দিওঁ গণতন্ত্ৰৰ সপক্ষে, স্বাধীনতাৰ সপক্ষে।

নাহৰৰ পৰিকল্পনাৰ অন্তৰালতো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজক এখন ই-আলোচনীৰ যোগেদি মুক্ত চিন্তাৰ এখন স্বাধীন মঞ্চ দিয়াৰ অভিপ্ৰায় নিহিত আছিল। আমি দেখি অহা দীৰ্ঘদিনীয়া ব্যৱস্থাজনীত অন্যায় আৰু অনিয়মৰ বিৰুদ্ধে নাহৰক কৰিব বিচাৰো এপাত আমোঘ অস্ত্ৰ।

আমাৰ যাত্ৰাৰ সহযোগী সকলোলৈকে এই আপাহতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। "নাহৰ" কেৱল নিৰ্বাচনী এজেণ্ডা নহয়, নাহৰ এক চিন্তা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এখনি ই-মেগাজিনৰ প্ৰয়োজনীয়তাৰ কথা আমি অনুভৱ কৰি থকাৰ সময়তে শ্ৰদ্ধাৰ শিক্ষক তনুজ নাথছাৰে আমাক এবাৰ শ্ৰেণীতে এখন বিভাগীয় ই-আলোচনী প্ৰস্তুত কৰাৰ দায়িত্ব দিছিল। পৰ্যাপ্ত সুবিধাৰ অভাৱত আমি আলোচনীখন তেতিয়া প্ৰস্তুত কৰিব পৰা নাছিলোঁ। কিন্তু যেতিয়া বিশ্ববিদ্যালয়ৰ নিৰ্বাচনত আমি প্ৰতিদ্বন্দিতা কৰিবলৈ আগবাঢ়ি আহিলোঁ, তেতিয়া সতীৰ্থ সকলৰ সহযোগিতা দেখি মনত পুনৰ আশাৰ সঞ্চাৰ হ'ল, আৰু এনেকৈয়ে আৰম্ভ হ'ল মিছন নাহৰ।

সকলো সুহৃদৰ আশাশুধিয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত অসমীয়া, ইংৰাজী, বড়ো,মিছিং, নেপালী আৰু চাহ জনজাতীয় ভাষাৰ লেখা আৰু কলাৰে নাহৰ ভূমিষ্ঠ হ'ব, আমাৰ বাবে এয়া পৰম সৌভাগ্যৰ কথা ।

আমাৰ যাত্ৰা সহজ নাছিল, আমি এটা ব্যৱস্থা আৰু এটা বৃহৎ সমূহৰ সৈতে একে সময়তে যুঁজ দিব লগা হৈছিল। এই প্ৰতিকূল যাত্ৰাত বিশ্বাসত হাত ধৰি আগবাঢ়ি যোৱা প্ৰিয় সতীৰ্থৰ বিশ্বাসঘাটকতা যিদৰে আমাৰ অভিজ্ঞতাৰ অংশ হ'ল, একেদৰেই আমাক সংগ দি সাহসেৰে সহযাত্ৰীও হ'ল বহু ন-পুৰণি সংগ্ৰামী সতীৰ্থ। আমাৰ সাহস হৈ প্ৰতিপল কাষত থিয় দিয়া মোৰ প্ৰতিগৰাকী কমৰেডলৈ আন্তৰিক ধন্যবাদ; আৰু আমাৰ ওপৰত বিশ্বাস ৰাখি আলোচনী সম্পাদকৰ দৰে দায়িত্বশীল পদবী এটাত আমাক আগবঢ়াই নিয়া মোৰ দ্বিতীয় ঘৰ পদ্মনাথ গোহাঞি বৰুৱা ছাত্ৰ নিবাসৰ প্ৰতিগৰাকী জ্যেষ্ঠ আৰু কণিষ্ঠ আৱাসী ভাতৃলৈ, প্ৰতিটো বিভাগ আৰু কেন্দ্ৰৰ শুভাকাংক্ষীসকললৈ, অন্যান্য হোষ্টেল সমূহৰ সন্মানীয় আৱাসী সকললৈ, কেম্পাছৰ বাহিৰৰ PGসমূহৰ আৱাসী সকললৈ, এক অৰ্থত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ আমাৰ ধন্যবাদ।

আলোচনীখন এই মহামাৰীৰ সময়তো প্ৰকাশ কৰি উলিয়াবলৈ যাওঁতে আমাক প্ৰতিমুহূৰ্তত সহযোগিতা আগবঢ়োৱা ভাতৃপ্ৰতিম সতীৰ্থ ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ সন্মানীয় সভাপতি পৱন গগৈ আৰু বন্ধু সদৃশ জ্যেষ্ঠ ভাতৃ সন্মানীয় সাধাৰণ সম্পাদক হিমালয় বাৰিক ককাইদেউলৈ কৃতজ্ঞতা যাচিছিলোঁ। অৰিন্দমদা,মঞ্জিলদা,পল্লৱদা,মুক্তাণ্ডদা,বিশ্বদা,ময়ূৰদা,DJদা,দেৱাশীষদা,হিমাংশুদা,জয়ন্তদা,পংকজদা,অভিনৱদা ইত্যাদি সকলো ককাইক ধন্যবাদ জনালোঁ । ধন্যবাদ জ্ঞাপন কৰিছোঁ শ্ৰদ্ধাৰ ড° প্ৰাঞ্জল বুঢ়াগোহাঁই ছাৰ আৰু ড° স্বাতী কিৰণ বাইদেউলৈ, উপদেষ্টাৰ আসন অলংকৃত কৰাৰ লগতে প্ৰতিটো ক্ষেত্ৰতে পৰামৰ্শ দি আমক অনুপ্ৰাণিত কৰাৰ বাবে । যিসকলে আমাৰ মাজত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰৱৰ্তী আলোচনী সম্পাদকজনক দেখিছিল, আৰু কোনো স্বাৰ্থ নোহোৱাকৈ আমাক দিবলগীয়া মঞ্চখন প্ৰদান কৰিছিল। এই তালিকাখন অৱশ্যে অসম্পূৰ্ণ, আৰু বহু জ্যেষ্ঠৰ সহযোগিতা আমি পাইছিলোঁ, সকলোৰে নাম লোৱা সম্ভৱ নহয়, তাৰবাবে ক্ষমাপ্ৰাৰ্থী।

কিন্তু যি নহওক, বহু সংগ্ৰামৰ অন্তত নাহৰ প্ৰকাশ পাব গৈছে। নাহৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুক্ত কণ্ঠ হওক।

সেয়ে বিশ্বকবি ৰবি ঠাকুৰৰ কবিতাৰেই আহ্বান জনাইছোঁ, জনতা জাগ্ৰত হওঁক---

ওরে সবুজ, ওরে অবুঝ, ওরে নবীন, ওরে কাঁচা,
আধমরাদের ঘা মেরে তুই বাঁচা...

●ৰবীন্দ্ৰনাথ ঠাকুৰ

সপোন বড়া
সম্পাদক

নাহৰ ই-আলোচনীৰ মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়।

সম্পাদনা সমিতি
নাহৰ ই-আলোচনী

# সূচীপত্ৰ


## প্ৰবন্ধ

১. একক মাতৃত্ব: মায়া এঞ্জেল' আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী : জুৰী বৰা বৰগোহাঞি
২. সচিত্ৰ ব্যংগ সাহিত্য "কাৰ্টুন" আৰু প্ৰথম অসমীয়া কাৰ্টুনিষ্ট লক্ষ্মীনাথ বেজবৰুৱা : ড' পল্লৱী ডেকা বুজৰবৰুৱা
৩. শিশু বিজ্ঞানভিত্তিক আলোচনী : সমুজ্জল শইকীয়া
৪. Journalling Factor Amidst Pandemic : Sudaxina Das
৫. Relevance of UN in Contemporary world : Kishor Kumar Kalita
৬. পুৰুষতান্ত্ৰিকতা বনাম নাৰীবাদ : কাশ্মিৰী দত্ত
৭. Developing A clear focus- Purpose, Values and Vision : Ankit Sen
৮. জাতীয় অৰ্থনীতি অবিহনে কোনো জাতি জীয়াই নাথাকে : কস্তুৰী চুতীয়া

## গল্প

১. শিউ-চাহাব : কৌশিক ৰঞ্জন বৰা
২. বিৰক্তি : ৰ'দ-ৰাগিনী
৩. তীৰ্থযাত্ৰা : দৰ্পনা শইকীয়া

## চিনেমা আৰু ৱেব চিৰিজ সমালোচনা

১. ইৰাণ দেশৰ বিতৰ্কীত ছবি পৰিচালক জাফৰ পানাহী আৰু তেখেতৰ ছবি অফৰাইডক লৈ কিছু কথা : অনুৰাধা খান
২. Series critical review : Defending Jacob : Joyashree Devi

## অনুভৱ

১. ডাষ্টবিনোল'জি : আইমুনু দিহিঙীয়া
২. অভিমানবোৰ থুপ খাই উপচি পৰে নাহৰৰ পাতত : প্ৰণতি কলিতা

## অণুগল্প

১. হত্যাকাৰী : মৰমী চাহু
২. সপোন : অনিমা মৰাণ
৩. মূক : অম্লানদীপ শইকীয়া
৪. শূণ্য : প্ৰিয়ংকা দত্ত

## কবিতা


১. এখন দীঘল উপন্যাস : কোকিল শইকীয়া
২. ডিবরুত নাহৰ ফুলিছে : কুঁকি কল্পিতা বৰা
৩. Turnamséméi péso-pésol turr dung : Mg Chitrajit Pegu
৪. মিজিংনি ফাখ'নাব : Lobo Basumatary
৫. সময় : এলিজাবেথ কেৰকেটা
৬. নাৰী হল অৱহেলি এই শোষণ সমাজৰ : পুষ্পিকা কোঁচ
৭. বাকৰুদ্ধ : প্ৰণামিকা গগৈ
৮. সভ্যতা-পীড়িত জীবনকো : খেম বাহাদুৰ ছেত্ৰী
৯. অৰণ্য কথা : প্ৰাৰ্থনা সন্দিকৈ
১০. একৈশ বছৰীয়া ডেকা : মিন্টু দৈমাৰী
১১. প্ৰাসংগিক : লিপিকা বুঢ়াগোহাঁই


## নীলা খামৰ চিঠি


১. নীলা খামৰ চিঠি : জুইটী সেন
২. নীলা খামৰ চিঠি : ভাস্কৰ মণি কলিতা


## কলাৰ সমাহাৰ

## ফটোৰ ভাষাৰে

# প্রবন্ধ

নাহৰ ই-আলোচনী
প্রস্তাৱনা সংখ্যা
জুলাই, ২০২১

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# একক মাতৃত্ব: মায়া এঞ্জেল' আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী

জুৰী বৰা বৰগোহাঞি

"I will not allow anybody to minimize my life, not anybody, not a living soul-nobody, no lover, no mother, no son, no boss, no President, nobody."
-Maya Angelou

(মায়া এঞ্জেল' সদৃশ চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় আছে। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ ওপৰত, তেওঁৰ কৰ্মৰাজী বিষয়ক যথেষ্ট আলোচনা হোৱা স্বত্বেও তেওঁৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ এই অধ্যায়টো সঠিক ভাৱে আলোচিত হোৱা নাই। এই প্ৰবন্ধৰ মাধ্যমেৰে মায়া এঞ্জেল'ৰ প্ৰসঙ্গৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ অধ্যায়টোৰ সম্পৃক্তি আলোচনা, প্ৰকৃত গৱেষণাৰ বিষয় হ'ব লাগে বুলি আহ্বান জনোৱা হৈছে।)

উত্তৰ পূবৰ মহিলাৰ সামাজিক স্থান ভাৰতৰ কিছুমান ৰাজ্যৰ মানুহৰ বাবে বিস্ময়। উত্তৰ ভাৰতৰ ৰাজ্য কিছুমানৰ মহিলাই আমাৰ নাৰীৰ সামাজিক, ব্যক্তিগত তথা ৰাজনৈতিক স্থানৰ বিষয়ে জানি অভিভূত হৈ পৰে। স্বাধীনতাৰ ইমান বছৰৰ পিছতো সেইবোৰ ৰাজ্যত সাধাৰণ মহিলাতো বাদেই, উচ্চ শিক্ষিত মহিলাৰ স্থান হতাশাজনক। আমাৰ মহিলাৰ এই সন্মানজনক অৱস্থিতিৰ বাবেই আমাৰ উত্তৰ-পূব অঞ্চলৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপট ভাৰতৰ অন্য প্ৰান্তৰৰ পৰা পৃথক।

উত্তৰ পূবৰ মাতৃপ্ৰধান পাহাৰীয়া ৰাজ্যকেইখন বাদ দিও প্ৰান্তীয় ৰাজ্য অসমতো ঐতিহাসিক ভাবে মহিলাৰ স্থান সদায় এটা সম্মানীয় স্থানত আছিল। দীৰ্ঘ দিনৰ শাসনকৰ্তা আহোম সমাজত নাৰীক সসন্মানে ৰখা হৈছিল। মহিলাৰ মৰ্য্যাদা হানিকাৰক কাম খুব কমেইহে কৰা হৈছিল। (সেইবাবেই কিজানি কিংবদন্তীৰ মতে জয়মতীক জেৰেঙা পথাৰৰ জনসামাগমৰ পৰা আঁতৰাই নিৰ্জন প্ৰান্তৰত শাস্তি দিয়া হৈছিল, মৃতদেহ ৰাইজৰ চকুৰ পৰা আঁতৰাই অজান মুলুকত পুতি ৰখা হ'ল।) ঐতিহ্যপূৰ্ণ মেছাগড়ৰ এটা অভিজাত বৰগোহাঞি পৰিয়ালৰ বোৱাৰী হিচাপে এই সন্মান, মৰ্য্যাদা ৰখা দেখা পাইছোঁ। অসমৰ অন্যান্য জাতি-জনজাতিৰ মাজতো মহিলাৰ স্থান সম্মানজনক। অৱশ্যে উচ্চ জাতৰ অভিজাত মানুহখিনিৰ মহিলাসকলে সামাজিক মৰ্যাদা অক্ষুন্ন ৰখাৰ স্বাৰ্থত নিজক সামাজিক ভাবে আবুৰকৈ ৰাখিছিল। ইয়াত হয়তো ব্যক্তিগত পছন্দ-অপচন্দ, পৰিয়ালৰ পৰম্পৰাই অগ্ৰাধিকাৰ পাইছিল।

কুৰি শতিকাত কঠোৰ সামাজিক ব্যৱস্থাত এই আবুৰতা বাধ্যতামূলক নাছিল। পৰোক্ষ ভাবে পুৰুষ আধিপত্যবাদ আৰু সামাজিক পাপবোধৰ ধাৰণা এটাৰ অৱস্থিতি অস্বীকাৰ কৰিব নোৱাৰি। (সেই সময়তে

নৱকান্ত বৰুৱাই ৰচনা কৰিছিল ৰহিমলা ওৰনিৰ মাজেৰে/ৰহিমলা জোনলৈ নাচাবা/ খহিব পপীয়া তৰাহে.)

শুনিবলৈ অপ্ৰিয় হলেও অসমৰ বহু (নিম্ন!) জাতত মহিলাৰ অবাধ স্বাধীনতা আছিল। পোহাৰী সকলে বিচিত্ৰ বস্তু লৈ ঘৰে ঘৰে আহি ব্যৱসায় কৰিছিল। গাভৰু ছোৱালীয়ে বিহুতলীত মন খোৱা ল'ৰাক জীৱন সঙ্গী ৰূপে লোৱাৰ স্বাধীনতা আছিল ।

সেই সময়ৰ সামাজিক, ব্যক্তিগত আৰু ৰাজনৈতিক বিষয়ত মহিলাসকলৰ সিদ্ধান্তৰ গুৰুত্ব উল্লেখনীয়। বৃহৎ যৌথ সংসাৰৰ দায়িত্ব এৰি শিক্ষা গ্ৰহণৰ বাবে ওলাই যোৱা মহিলাৰ হাৰ কম আছিল।

উচ্চ শিক্ষাৰ বাবে অন্য ঠাইলৈ বা কলিকতালৈ যোৱাৰ পৰিবেশ এটা গঢ় লোৱা নাছিল। অসমত স্বাধীনতা পূৰ্ব শিক্ষা বিস্তাৰৰ গতি লেহেমীয়া । স্বাধীনতাৰ পিছত পশ্চিম বংগৰ পৰা বলা সংস্কাৰকামী বতাহ বা অনান্য কাৰনত শিক্ষা বিস্তাৰ ক্ষীপ্ৰ আৰু গতিশীল হৈ উঠে | লগে লগে মহিলাসকলৰ শিক্ষা গ্ৰহণৰ উৎসাহ উল্লেখযোগ্য হৈ উঠে। কলিকতালৈ গৈ উচ্চ শিক্ষা ললে। কেইবাখনো মহিলাৰ জীৱনী আৰু আত্মজীৱনীত শিক্ষিতা নাৰীয়ে কৈছে, তেওঁলোকৰ পিতৃ/স্বামী/ভাতৃৰ বাবেহে উচ্চ শিক্ষা সম্ভৱপৰ হৈছিল । আশ্চৰ্য্যকৰ! সেই স্বাধীনতা পূৰ্বসমাজখনত শিক্ষাৰ প্ৰচাৰ আৰুপ্ৰসাৰ সাধন কৰিবলৈ নিৰাপদ পৰিয়ালৰ অভিজাত বেষ্টনীৰ মাজত আবুৰকৈ সোমাই থকা একাংশ মহিলাক ঘৰৰ পৰা ওলিয়াই অনাত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ গুৰুত্ব কম নহয়। সামাজিক আৰু ব্যক্তিগত ভাবে মহিলাক সম-মৰ্য্যাদা দিলেও কিন্তু সৃষ্টিশীল কামকাজত পুৰুষ অধিপত্যবাদ তেতিয়াও চলিছিল (এই প্ৰবন্ধ লেখক উগ্ৰ-নাৰীবাদী নহয়)। সেয়ে তেওঁৰ নেতৃত্বত মহিলাৰ স্থান বিচাৰি কঠিন যোগাযোগৰ সময়তো এটা সামাজিক আন্দোলন আৰম্ভ কৰিছিল।
(হয়তো তেওঁৰ এই ধাৰণাৰ পূৰ্ণাঙ্গ ৰূপ দিবলৈকে পৰ্য্যায় ক্ৰমে মহিলা সমিতিৰ পিছত লেখিকা সমাৰোহ বা সংস্থাৰ দৰে পৃথক মহিলাৰ অনুষ্ঠানৰ জন্ম হৈছিল!) এতিয়াও চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আংশিক জীৱনী পঢ়িলে মনত বিস্ময় হয়। তেওঁৰ জীৱন আধাৰিত গ্ৰন্থই সাহিত্য অকাডেমিৰ বঁটা পাইছে, লেখিকা সমাৰোহে তেওঁক স্মৰণ কৰি প্ৰতি বছৰে বক্তৃতানুষ্ঠান পাতিছে। আলোচনীবোৰে চন্দ্ৰপ্ৰভা শইকীয়ানী বিষয়ক বিশেষ সংখ্যা প্ৰকাশ কৰিছে। তেওঁৰ নাৰীবাদী আৰু সামাজিক ভুমিকাক লৈ বিশ্ববিদ্যালয়ত গৱেষকে এম. ফিল. ডিগ্ৰী লৈছে। (সম্পূৰ্ণ পি. এইচ. ডি. কৰ্ম হোৱাৰ তথ্য লেখকৰ হাততনাই)। হয়তো তেওঁৰ বিশাল কৰ্মৰাজীৰ উচিত মূল্যায়ন কৰাৰ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱা হৈছে।
তথাপি—বিগত সময়ত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে যিমান বিস্তৃত আলোচনা হৈছে তাত সচেতন (?) ভাবে যেন এৰি অহা হৈছে তেওঁৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। একক মাতৃত্বৰ অধ্যায়। আজিৰ পৰা কেইবাদশকৰো আগত কুৰি শতিকাত এগৰাকী অবিবাহিতা নাৰীয়ে এটা সন্তান জন্ম দি অকলে ডাঙৰ কৰাটো ব্যক্তিগত আৰু সামাজিক ভাবে অসম্ভৱ আছিল। (এতিয়াও অসম্ভৱ। যৌনকৰ্মীক লৈ এখন উপন্যাস লিখাৰ কামত দুজনমান স্ত্ৰী-ৰোগ বিশেষজ্ঞৰ লগত কথা হৈছিল। মৌখিক তথ্যত তেখেতসকলে মোক জনাইছিল মহানগৰ তথা চহৰনগৰৰ অভিজাত বহু যুৱতী অবৈধ গৰ্ভ লৈ মাজৰাতিও তেওঁলোকৰ চেম্বাৰৰ দুৱাৰত খটখটাই! লগত শোক আৰু লোকলজ্জাৰ ভয়ত ত্ৰস্তমান অসহায় শিক্ষিতা, আধুনিক মাকবোৰ!)

বৰ্তমান বিশ্বত একক মাতৃত্বৰ ধাৰণাটো জনপ্ৰিয় হৈ উঠিছে। প্ৰাচ্যবাদী ৰক্ষণশীল বহু দেশে এই ধাৰণাক আঁকোৱালি লৈছে। বহু ভাৰতীয় তথাকথিত চেলিব্ৰেটিয়ে অকলে সন্তান ডাঙৰ কৰিছে। (সুস্মিতা সেন,পুনম ধীলন,অমৃতা সিঙৰবিনা টৈগুন,কৰিস্মা কাপুৰ...) এই বিষয় লৈ সকলো মাধ্যমতে তেওঁলোকৰ বিষয়ে চৰ্চিত হৈছে। নাৰীবাদী চিন্তাৰে তেওঁলোকৰ কৰ্মক সলাগ লৈছে। তেওলোকৰ একক মাতৃত্বৰ লগত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ভুমিকাটো বহুত তফাৎ। অসমীয়া সমাজখনত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে সুদীৰ্ঘ কাল আলোচনা হোৱাৰ পিছতো তেওঁৰ একক মাতৃত্বৰ ক্ষেত্ৰত চৰ্চা-আলোচনা আশানুৰূপ নহয়। অসমীয়া নাৰী চন্দ্ৰপ্ৰভাৰ বিষয়ত বৰ্তমানলৈকে যিমান লেখা ওলাইছে আন কাৰোবে ওলোৱা নাই!

চন্দ্ৰপ্ৰভা শইকীয়ানী বিষয়ক গ্ৰন্থবোৰত বা লেখাত বিষয়টোৰ আলোচনা প্ৰায় একে ধৰণৰ। প্ৰকৃততে গুৰুত্ব সহকাৰে চৰ্চা হব লাগিছিল। কিয়নো তেখেতে অসমত আৰম্ভ কৰা নাৰীবাদী তথা অসমৰ বৃহৎ সামাজিক সংস্কাৰ আন্দোলন এটাৰ লগত তেখেতৰ একক মাতৃত্বৰ ধাৰণাটো সংপৃক্ত হৈ আছে ।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ এই ধাৰণাৰে আমি মনত পেলাও মায়া এঞ্জেল'ৰ কথা। প্ৰকৃত নাম মাৰ্গাৰেট এনি জনচন এঞ্জেল'(Marguerite Annie Johnson Angelou)। সমগ্ৰ জীৱনত সৃষ্টিশীলতাত চন্দ্ৰপ্ৰভা শইকীয়ানী মায়া এঞ্জেলৰ সমকক্ষ নহয়। বিশ্ববিখ্যাত কবি মায়া এঞ্জেল চন্দ্ৰপ্ৰভা শইকীয়ানীতকৈ বহুত সৰু। পৰিবেশ পৰিস্থিতি সম্পূৰ্ণ পৃথক। কাম কাজো বেলেগ। কিন্তু দুখন দেশৰ সামাজিক প্ৰতিকুল পটভূমিত দুই গৰাকী মহিলাৰ দায়িত্ব আৰু কৰ্মক একে দিশৰ পৰা চোৱাত বাধা নাই।

অন্য প্ৰতিষ্ঠিত লেখকৰ বৰ্ণাঢ্য জীৱনৰ তুলনাত মায়া এঞ্জেল'ৰ জীৱন বৰ বেদনাদায়ক। শৈশৱ কৈশোৰ বিষাদ, যন্ত্ৰণাৰে ভৰা। সৰুতেই মাক-দেউতাকৰ বিচ্ছেদ। মায়া এঞ্জেল'আইতাক আৰু তোলনীয়া পৰিয়ালত ডাঙৰ দীঘল হয়। বৰ্ণ-বৈষম্যৰ চিকাৰত শৈশৱ কাল তিক্ততাৰে আৰম্ভ হৈছে। মাত্ৰ সাত বছৰতে তোলনীয়া মাকৰ প্ৰেমিকৰ দ্বাৰা ধৰ্ষিত হৈছে। খুৰাকে সেই জঘন্য মানুহজনক হত্যা কৰোতে ভয় খাই বহু বছৰলৈ মুখৰ মাত হেৰুৱাই পেলাইছে। বহু বছৰ মৌন হৈ থকাৰ পিছত বৃত্তি পাই হাইস্কুল পঢ়িবলৈ লোৱা মায়া এঞ্জেল' বন্ধুৰ সতে সম্পৰ্ক হৈ এটা সন্তানৰ মাতৃ হয়। তাৰ পিছৰ কাল অবৰ্ণনীয়। পিতৃৰ স্বীকৃতি অবিহনে কিশোৰী মাতৃয়ে সন্তানৰ পোহপাল দিয়াৰ স্বাৰ্থত বিচিত্ৰ কাম কৰিব লগাত পৰে। একমাত্ৰ মহিলা বাছৰ কণ্ডাক্তৰ হৈছে, ৰাতিৰ ক্লাবত নাচিছে, বিখ্যাত চান ডিয়েগো বুথেলত যৌন কৰ্মী হিচাপে কাম কৰিছে। তিনিবাৰ বিয়া হৈ ভাগিছে। এই সমগ্ৰ তিক্ত অভিজ্ঞতাৰ জীৱনে মায়া এঞ্জেল'ক পুনৰ জনম দিছে। ব্যক্তিগত ভাবে নিজক কঠোৰ কৰি তুলিছে। অনন্য নাৰীবাদী কৰিছে। শক্তিশালী ৰূপত অন্য এগৰাকী মায়া এঞ্জেল'ৰ জন্ম হৈছে।

যি এই সমগ্ৰ দুৰ্দশাক পাহৰিনৃত্যশিল্পী, অভিনেত্ৰী, কবি, লেখক হিচাপে আৰু অসামৰিক অধিকাৰৰ সক্ৰিয়কৰ্মী (Activist on Civil Right) হৈ বিশ্ববিখ্যাত হৈ উঠিছে। আলোচ্য বিষয় এয়ে যে তেওঁৰ যি কষ্টকৰ অতীত তাক তেওঁ লুকুৱাবৰ অলপো চেষ্টা কৰা নাই। প্ৰতিটো ঘটনা সমাজৰ বাবে উন্মোচিত কৰি দিছে। সকলো মনোবেদনা লেখক হিচাপে পাঠকৰ লগত ভগাই লৈছে ।
সেয়ে কিজানি তেওঁৰ ১৯৬৯ ত প্ৰকাশিত I KnowWhy the Caged Bird Sing নামৰ স্মৃতিকথা (memoir) -ই সাহিত্যৰ ইতিহাসত ধুমুহাৰ সৃষ্টি কৰিলে। The New York Times ত এইখন non-fiction শাখাত কেইবাবছৰো সৰ্বাধিক বিক্ৰীৰ তালিকাত থাকিল। পৰৱৰ্তী সময়ত ঘানাত অতিবাহিত কৰা কালছোৱাক লৈ All God's Children Need Traveling Shoes (1986) নামাঙ্কৰণেৰে আত্মজীৱনীমূলক গ্ৰন্থ লিখে। ১৯৯৪ প্ৰকাশিত Wouldn't Take Nothing for My Journey Now নামৰ অনুপ্ৰেৰণামূলক ৰচনা সংকলন প্ৰকাশ কৰে, য'ত তেওঁৰ ব্যক্তিগত জীৱনৰ কথাও লিখা আছিল। তেওঁৰ অন্য এখন আত্মজীৱনীমূলক গ্ৰন্থ A Song Flung Up to Heaven (2002)। ইয়াত তেওঁ আফ্ৰিকাৰ পৰা আমেৰিকালৈ ওলতি অহা আৰু তেওঁ একেলগে কাম কৰা দুজন মানৱ অধিকাৰ নেতাৰ লোমহৰ্ষক হত্যাকাণ্ডৰ পাছৰ পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ কৰা যি সংগ্ৰাম সেয়া লিপিবদ্ধ হৈছে। নিজৰ জীয়েকলৈ লিখা Letter to My Daughter (2008) এখন উল্লেযোগ্য গ্ৰন্থ। যুৱতী নাৰীসকলৰ অৰ্থপূৰ্ণজীৱন যাপনৰ বাবে উপদেশমূলক ৰচনা সংকলনখন পৰৱৰ্তী প্ৰজন্মৰ বিশ্বৰ নাৰীৰ বাবে উল্লেখনীয় গ্ৰন্থ হৈ পৰিছে । আফ্ৰিকান মূলীয় আমেৰিকান উপেক্ষিত এগৰাকী সাধাৰণ নাৰী এদিন বিশ্বত ৰা হৈ পৰিল।

বিশ্বত নাৰীবাদী আন্দোলন, অসামৰিক অধিকাৰ আন্দোলন শক্তিশালী কৰি থৈ গ'ল।

বৰ্ণ বৈষম্যৰ ভেদ ভাঙিব পৰাকৈ শক্তিশালী ৰূপত নিজক প্ৰতিষ্ঠা কৰি গ'ল। আফ্ৰিকান মূলৰ লেখক হিচাপে তেওঁৰ গ্ৰন্থ সৰ্বাধিক বিক্ৰী হৈছিল। তেওঁৰ লেখনিৰ অনুপ্ৰেৰণাই সমাজলৈ যুগান্তকাৰী প্ৰভাৱ আনিলে। আটাইবোৰ গ্ৰন্থই তেওঁৰ কঠোৰ অতীতত পোৱা সকলো যন্ত্ৰণাৰ পিছত লিখা বাবে ইবিলাক বিশ্বৰ সকলো নাৰীৰ বাবে প্ৰেৰণাদায়ক হৈ পৰিল।

যিবোৰ ব্যক্তিগত অনুপ্ৰেৰণামূলক লেখনিৰে মায়া এঞ্জেল'ই নিজক প্ৰতিষ্ঠা কৰি গ'ল, অন্যলৈ প্ৰগতিশীল বাৰ্তা দি গৈছে তেনে লেখনি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাই। অথচ, বিবাহীতা মাতৃৰ সন্তান জন্মৰ পৰৱৰ্তী সময়ত সমাজখনে তেওঁৰ প্ৰতি দেখুওৱা আচৰণ, তেওঁৰ মানসিক হাহাকাৰ, মানসিক দৃঢ়তাৰ গ্ৰন্থ, যি বৰ্তমান সমাজখনত মূৰ দাঙি থকাৰ বাবে অনুপ্ৰেৰণামূলক হ'ব পাৰে তেনে গ্ৰন্থ আমাক দৰকাৰ আছিল। যিহেতু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে পূৰ্ণাঙ্গ আত্মজীৱনী নাই লিখা, সেয়ে বহু কথাই হয়তো পাঠকৰ অগোচৰে থাকি গ'ল। পৰৱৰ্তী কালৰ জীৱনীবোৰে আমাক তেওঁৰ বলিষ্ঠ সামাজিক ভূমিকাক দেখুৱাইছে। কিন্তু ব্যক্তিগত শক্তিশালী মানসিক জীৱনটো আলোচিত কমকৈ হ'ল।

গৰ্ভৱতী হৈ প্ৰেমিকৰ দ্বাৰা প্ৰত্যাখিত হৈ অকলে সিদ্ধান্ত লৈছিল সন্তানটো জন্ম দিব। সিদ্ধান্তটো স্বাধীন আৰু একক আছিল। (আমাৰ ভাৱ হয় ই এক ঐতিহাসিক সিদ্ধান্ত আছিল।) অবৈধভাবে গৰ্ভ ধাৰন কৰি সেইয়া যৌৱনৰ আৱেগিক ভুল বুলিনলৈ বাস্তৱ বুলি গ্ৰহন কৰিছে। সততাৰে স্বীকাৰ কৰিছে। সন্তানৰ পিত্ৰ নাম কৈছে। আমাৰ অসমীয়া ভাষাত প্ৰকাশিত শতাধিক প্ৰবন্ধত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বহুত কষ্ট আৰু ত্যাগেৰে অকলে সন্তানটি ডাঙৰ দীঘল কৰা বুলি উল্লেখ আছে। আমাৰ বোধেৰে এইয়া কোনো মাতৃৰ বাবে নতুন বাখ্যা নহয়। আমাৰ প্ৰশ্ন প্ৰচলিত ৰক্ষণশীল সমাজৰ মুখামুখি হবলৈ অবিবাহীতা ছোৱালীজনীয়ে (তেতিয়াৰ) সাহস আৰু প্ৰেৰণা কৰ পৰা পাইছিল? কেৱল পিতৃৰ পৰা পোৱা প্ৰেৰণা?
প্ৰেমিকৰ বাবে থকা অনুৰাগ ? (শেষ বয়সত ৰোগীয়া দণ্ডিনাথ কলিতাক ডিব্ৰুগড়ত খবৰ লবলৈ অহাৰ তথ্যও আছে । হয়তো সন্তানৰ পিতৃ হিচাপে তেওঁলৈ শ্ৰদ্ধা আছিল!) নিয়ম ভঙাৰ প্ৰত্যয়! যি গৰাকী চন্দ্ৰপ্ৰভা শইকীয়ানীক আমাৰ প্ৰজন্মই কিতাপৰ মাজত পালো, সেইগৰাকী নাৰীক নাৰীবাদী লেখিকা হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। প্ৰায়বোৰ লেখকে স্বাধীনতা আন্দোলনত তেওঁৰ বলিষ্ঠ অৱদান, প্ৰতিবাদী কণ্ঠ, সংস্কাৰকামী নেত্ৰী হিচাপে তেওঁক প্ৰতিষ্ঠা কৰিছে। সকলোবোৰ লেখাতে তেওঁৰ অবিবাহীতা মাতৃ হোৱাৰ বিষয়টো উল্লেখ কৰিছে। অথচ প্ৰতিকুল মানসিক নিৰ্যাতনৰ মাজেৰে প্ৰতিষ্ঠা কৰা একক মাতৃত্বৰ ভূমিকাক একপ্ৰকাৰ নস্যাৎ কৰা হৈছে। এই ঘটনা যেন এগৰাকী নেত্ৰীৰ জীৱনত অৱধাৰিত আছিল!কিন্তু এই ঘটনাৰ ঐতিহাসিক গুৰুত্ব আছিল। পৰৱৰ্তী দুই এক লেখকে এই কথা উনুকিয়াই গৈছে। যে সন্তানটো ডাঙৰ কৰিবলৈ তেওৰ কষ্ট হৈছিল। আৰ্থিক অনাটনত ভোগা সন্তান পালনৰ বাবে তেওঁক আপোন কৰিবলৈ সাহস নকৰা দণ্ডিনাথ কলিতাৰ পৰা অৰ্থভীক্ষা কৰিছিল। কিন্তু এগৰাকী অবিবাহীতা মহিলাৰ বাবে অৰ্থই সৰ্বস্ব নহয়! অবিবাহীতা মাতৃৰ সন্তানটোক লৈ মুখামুখি হোৱা সামাজিক, ব্যক্তিগত জীৱন পৰিক্ৰমাই এইগৰাকী নাৰীক নিশ্চিতকৈ কঠোৰ আৰু দৃঢ়মনা কৰিছিল। ভাৱ হয় চৌপাশে তেওঁৰ কাম-কাজক লৈ বিৰূপ আলোচনা হৈছিল। ঘৰখনক সামাজিক ভাবে এঘৰীয়া কৰিছিল। সামাজিক বান্ধোনৰ মাজত অভ্যস্ত জীৱনত সেই শাস্তি নিশ্চযকৈ পৰিয়ালৰ বাবে কষ্টকৰ আছিল। সেইবোৰে তেওঁক ৰিক্ত নকৰাকৈ থকা নাছিল। তাৰ মাজেৰে হতাশ নহৈ সামাজিক কাম কৰিবলৈ তেওঁৰ মনটো ডাঠ কৰিছিল। প্ৰত্যক্ষদৰ্শীৰ মতে সন্তানটোৰ জন্মৰ পিছত সমাজলৈ ওলাই অহা লেখিকাগৰাকীৰ খোজকাটল, চিন্তাৰ গতি সম্পূৰ্ণৰূপে সলনি হ'ল। কালৈকো ভয় নকৰা ধৰণৰ দৃঢ় ভাৱ এটা গঢ় লৈ উঠিল।

জাতি-ভেদ নমনা হ'ল। সাহসী আৰু স্পষ্টবাদী হ'ল। বক্তৃতাবোৰৰ সুৰ সলনি হ'ল। ভাষা উদাত্ত আৰু শক্তিশালী হ'ল। সামাজিক অপমান শিৰত লৈ সমাজৰ হকে কাম কৰিবলৈ অহৰহ উৎসাহ পালে। তেন্তে নিশ্চিতকৈ সুদৃঢ় আৰু আমি কল্পনা কৰিব পৰাতকৈ বেছি প্ৰগতিশীল মন এটা আছিল। প্ৰচলিত কঠোৰ ৰক্ষনশীল সামাজিক ব্যৱস্থাক অতিক্ৰমী যাবলৈ সাহস আছিল! সামাজিক, ব্যক্তিগত অপমানক সাহ আৰু শক্তিলৈ ৰূপান্তৰ কৰিছে। এইখিনি কথাই প্ৰকাশ হোৱাটো দৰকাৰী আছিল। ইয়েই তেওঁ শক্তিশালী ভাবে প্ৰতিষ্ঠা কৰা নাৰীবাদী চিন্তাক তেওঁৰে উত্তৰকালত পৃথক ৰূপ দিলেহেঁতেন।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন প্ৰচলিত পুৰুষ আধিপত্য থকা সমাজখনেও তেওঁক হয়তো একেবাৰে অস্বীকাৰ কৰা নাছিল। যাৰ বাবে কাম কৰিবৰ বাবে নিজাকৈ ঠাই অকণমান উলিয়াই ল'ব পাৰিছিল!কিন্তু তেওঁৰ মনৰ কঠোৰ জগতখন শক্তিশালীনাৰী -ভাৱনাৰ বিস্তৃতি? সমাজক উপেক্ষা কৰাৰ সততা আৰু দৃঢ়তা? তাৰ প্ৰকৃত বাখ্যা কতো নাই। পৰৱৰ্তী সময়ত এই বিষয় সামৰি প্ৰকৃত গৱেষণাৰ প্ৰয়োজন আছিল। সমসাময়িক ব্যক্তি, পৰিয়ালৰ (প্ৰয়াতপুত্ৰ অতুল শইকীয়াই তথ্য দিব পাৰিলেহেঁতেন) লোকৰ পৰা সমকালিন সমাজখনে তেওঁক দেখুওৱা আচৰণৰ বিষয়ে তথ্য পোৱা যাব। কিন্তু আজিকোপতি সেয়া নোহোৱাটো নিশ্চয় দুৰ্বলতা। ভাব হয় চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ ধাৰণাটো বৌদ্ধিক আৰু সামাজিক ভাবে স্বীকৃতি দিবলৈ আমি এতিয়াও অনিচ্ছুক! অপ্ৰিয় সত্য কিছুমানক মানি লব পৰাকৈ আমাৰ সমাজ এতিয়াও সাজু হোৱা নাই? বিশ্বজুৰি ক্ৰমে সহজ হৈ অহা একক মাতৃত্বৰ ধাৰণাৰে প্ৰভাৱিত হৈ আমাৰ উত্তৰকালৰ সন্তানসকলে এই পথ বাচি ললেও আচৰিত হ'ব লগা একো নাথাকিব। ক্ষীপ্ৰ গতিশীল সমাজত এসময়ত একক মাতৃত্ব একেবাৰে সাধাৰন কথা হৈ পৰিব। কিন্তু এটা যুগত এই ধাৰণাক দৃঢ়তাৰে মানি লোৱা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰতি আমি অন্যায় কৰিছোঁ। ভাৱ হয় মায়া এঞ্জেল'ই কোৱাৰ দৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনতো কোনো নাছিল যি তেওঁৰ জীৱনটো minimize কৰিব পাৰে। সমাজ, পৰিয়াল, বন্ধু বান্ধৱী, প্ৰেমিক কোনেও তেওঁক minimize কৰিব নোৱাৰিলে। সেই সাহসেৰে তেওঁ সাহসী আছিল। সেই প্ৰেৰণাময় চিন্তাবোৰৰ পৰা আমাৰ পাঠক সমাজ বঞ্চিত হ'ল। এতিয়া নাৰীবাদী আন্দোলনৰ উত্তৰকাল (Post-faminism)তো লোকলজ্জাৰ বাবে জন্ম হওতেই সন্তান ৰাজপথত পেলাই থৈ যায়! মায়া এঞ্জেল'ৰ দৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ যথোচিত মূল্যায়ন হওক। সাহিত্যিক হিচাপে নহয় চন্দ্ৰপ্ৰভা শইকীয়ানী এগৰাকী পৃথক নাৰী হিচাপে চিহ্নিত হওক। কেৱল নাৰীবাদী নেত্ৰী, বিপ্লৱী, সমাজ সংস্কাৰক আদি প্ৰাচীন উপাধি কিছুমানেৰে তেওঁক minimize কৰাটো উচিত নহয়। কুৰি শতিকাত নাৰী চেতনালৈ বিপ্লৱ অনা এইগৰাকী লেখিকাক আমাতকৈ প্ৰগতিশীল দৃষ্টিৰে চাব লাগে। তাৰ বাবে কিজানি আমিও চিন্তাৰে প্ৰগতিশীল হোৱাৰ দৰকাৰ।

সংযোজনঃ

১) বিতৰ্কিত ছবি ‘পদ্মাৱত’মুক্তিৰ পিছত অভিনেত্ৰী স্বৰা ভাস্কৰে যোৱা ২৭ জানুৱাৰীত প্ৰযোজকলৈ সতীদাহ যোৱা বিষয়ক কিছু গুৰুত্বপূৰ্ণ প্ৰশ্নৰে চিঠি লিখিছে। এগৰাকী নাৰী ধৰ্ষিত হোৱাৰ পিছত বা বিধৱা হোৱাৰ পিছত জীয়াই থকাৰ সম্পূৰ্ণ অধিকাৰ থাকে। বিষয়টো চৰ্চিত হৈছে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কুৰি শতিকাতে অন্য ৰূপত নিজৰ অধিকাৰ সাব্যস্ত কৰি পথ দেখুৱাই গ'ল। স্বৰা ভাস্কৰ

বা সঞ্জয় লীলা বানচালীয়ে কল্পনা কৰিব নোৱাৰা যুগতেই!
২) হলিউদৰ এছলি জুদ আৰুৰ'জ মেকগোৱান নামৰ দুগৰাকী অভিনেত্ৰীৰ স্বীকাৰোক্তিৰে আৰম্ভ হোৱা ইন্টাৰনেটৰ **'Me too"** নামৰ আন্দোলনটোৱে আজি নাৰীবাদী চিন্তাক বেলেগ পৰ্য্যায়লৈ লৈ গ'ল। ভাৱ হয় চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এই মুলুকত তেতিয়াই সততাৰে এই আন্দোলন আৰম্ভ কৰিছিল!
(লেখকৰ একাষাৰ প্ৰবন্ধটো সম্পূৰ্ণবুলি লেখকে দাবী কৰা নাই। কোনো সদাশয় পঢুৱৈয়ে যদি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একক মাতৃত্বৰ ধাৰণাটোৰ ওপৰত কিবা গুৰুত্বপূৰ্ণ লেখা পাইছে অথবা লেখিছে এই বিষয়ে জনালে কৃতাৰ্থ হম।)

সহায়ক গ্ৰন্থঃ
১. **I Know Why the Caged Bird Sing(1969) Maya Angelou**
3. **Letter to My Daughter (2008) Maya Angelou**
৩. চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনী ।
৪. বিভিন্ন আলোচনীত সিচৰতি হৈ থকা প্ৰবন্ধ ।
৫. আন্তঃজাল ।
৬. জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভতিজী, লেখিকা, বিশিষ্ট সমাজকৰ্মী, তেজপুৰৰ মীনাক্ষী বৰুৱাৰ স'তে ব্যক্তিগত কথোপকথন ।
৭. হেমলতা বৰুৱা(লেখিকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, তেজপুৰ,বয়স ৯০)ৰ স'তে ব্যক্তিগত কথোপকথন ।

# সচিত্ৰ ব্যংগ সাহিত্য কাৰ্টুন' আৰু প্ৰথম অসমীয়া কাৰ্টুনিষ্ট লক্ষ্মীনাথ বেজবৰুৱা

- ড° পল্লৱী ডেকা বুজৰবৰুৱা
প্ৰাধ্যাপক
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

কাৰ্টুন একপ্ৰকাৰ সাহিত্য অন্তৰ্গত অবাস্তৱ কিন্তু চতুৰ সমালোচনাত্মক প্ৰকৃতিৰ চিত্ৰণ কলা, যাৰ জৰিয়তেবুদ্ধিদীপ্তভাৱে হাস্য-ব্যংগৰ প্ৰয়োগত সমালোচনা কৰা হয় । ই এক প্ৰকাৰ সচিত্ৰ ব্যংগ সাহিত্য । কাৰ্টুনশব্দটোতেই ৰূপকধৰ্মিতাৰ অৰ্থ সন্নিৱিষ্ট হৈ আছে । কাৰ্টুনৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য আছে, যেনে—দৃষ্টিগোচৰ হোৱাকৈ প্ৰতীক আৰু ৰূপকৰ ব্যৱহাৰ কৰা হয়, চিত্ৰসমূহ চকুত পৰাকৈ বক্ৰ, ব্যৱহৃত শব্দ আৰু চিত্ৰত শ্লেষ অথবা বক্ৰোক্তি স্পষ্ট হৈ থাকে। কাৰ্টুনত এক প্ৰকাৰ সাঁচত বহুওৱা ধৰণৰ নিৰ্দিষ্ট ব্যংগ্য স্কেচ্ আৰু সংলাপৰ প্ৰয়োগ হয় । প্ৰকৃততে ই এক প্ৰকাৰ সমালোচনাধৰ্মী বিতৰ্ক, কিন্তু শ্ল'গান নহয়—শ্ল'গানতকৈ ইয়াৰ স্বৰূপ পৃথক । সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক ইত্যাদি বিভিন্ন দিশৰ কাৰ্য-কলাপ, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতি এক প্ৰকাৰ সমালোচনামূলক বিদ্ৰুপ হ'ল কাৰ্টুন । কাৰ্টুনত হাস্য-ব্যংগ-শ্লেষ মিশ্ৰিত বক্ৰ চিত্ৰ আৰু পৰিহাসমূলক তীৰ্যক সংলাপৰ প্ৰয়োগ কৰা হয় । এনচাইক্ল'পেডিয়া অৱ ব্ৰিটেনিকা'ৰ মতে কাৰ্টুন হ'ল কোনো ছবি, কাৰুকাৰ্য অথবা আন গ্ৰাফিক চিত্ৰৰ ঢাকনিৰ দৰে, নমুনা হিচাপে ব্যৱহাৰ হোৱা এক প্ৰকাৰ সম্পূৰ্ণ আকাৰৰ স্কেচ্ছ । ১৮০০ চনত কাৰ্টুনৰ প্ৰথম ব্যৱহাৰ ৰসাল চিত্ৰ অৰ্থত হৈছিল । ১৮৪০ চনৰ পৰা ইয়াৰ ব্যৱহাৰ চিত্ৰধৰ্মী পেৰডীৰ ৰূপ পৰিগ্ৰহণ কৰিছিল । গ্ৰেট বিট্ৰেইনৰ পৰা হাস্যৰসাত্মক আলোচনী “পাঞ্চ”(Punch, 1841-1992) ৰ প্ৰকাশ ঘটিছিল । “পাঞ্চ”ৰ প্ৰথম সংখ্যাতে সূক্ষ্ম চিত্ৰণ কলাৰ সহায়ত বিট্ৰিছসংসদীয় কমিটিৰ প্ৰতি আশ্চৰ্য প্ৰকাশক টিপ্পনি কৰিছিল । সেই চিত্ৰণ কলাক “পাঞ্চ” আলোচনীয়ে কাৰ্টুন নামদিছিল । অক্সফৰ্ড ইংলিছ ডিক্সনেৰীয়ে ১৮৪৩ চনত “পাঞ্চ”ৰ জনহিতৈষী স্বৰূপটোৰ বিষয়ে এটা বিজ্ঞাপনধৰ্মী ঘোষণা সন্নিৱিষ্ট কৰিছিল । কাৰ্টুনত ৰসাল কৌতুক চিত্ৰ অথবা হাস্যকৰ টুকুৰা চিত্ৰ প্ৰকাশ ঘটিবলৈ ধৰিছিল আৰু কাৰ্টুনৰ ব্যৱহাৰ ক্ৰমশঃ তাৰ পৰাও বিকশিত হৈ আহিবলৈ ধৰিছিল । সম্প্ৰতি বাতৰি কাকতত ৰাজনৈতিক টিপ্পনি অথবা সম্পাদকীয় অভিমতৰ আকাৰত কাৰ্টুনৰ ব্যৱহাৰ হয় । আনহাতে আলোচনীসমূহত সামাজিক বিভিন্ন দিশৰ সমালোচনাত্মক ব্যংগ প্ৰহসনৰ ৰূপত ব্যৱহাৰ হয় । আধুনিক ৰাজনৈতিক চিন্তা চেতনাৰ প্ৰকাশ ঘটা কাৰ্টুনৰ ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল বিট্ৰিছৰ শাসন কালত । ক্ৰমে “ফান” (Fun, 1861 - 1901), “পল মল গেজেট” (Pall-Mall-Gazette, 1865-1921) ইত্যাদি আলোচনীয়ে ভাৰতবৰ্ষৰ পৰিসৰলৈব্যংগ ‘কাৰ্টুন’ৰ প্ৰকাৰ (Genre) টোৰ দ্ৰুত বিকাশ ঘটালে। সেই সময়ত ভাৰতবৰ্ষত প্ৰকাশ পোৱা বাতৰিকাকত কিছুমানে ৰাজনৈতিক কাৰ্টুন কিছুমানৰ প্ৰথম ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল । ভাৰতীয় ভাষাত ‘কাৰ্টুন’ৰ প্ৰথম প্ৰকাশ ঘটিছিল বাংলা ভাষাৰ ‘অমৃত বাজাৰ পত্ৰিকা'(১৮৭২)ত ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১



অসমীয়া ভাষাত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত ‘বাঁহী’ (১৯০৯) পত্ৰিকাত প্ৰথম কাৰ্টুনৰ ব্যৱহাৰ হৈছিল । প্ৰথম বছৰ প্ৰথম সংখ্যা বাঁহী’তে গছৰ তলত বাঁহী বজাই থকা এগৰাকী তিৰোতাৰ স্কেচ্ছ বেজবৰুৱাৰ বাঁহী’ কবিতাটোত ব্যৱহাৰ কৰা হৈছিল । সেই স্কেচ্ছটো যদিও কাৰ্টুন নাছিল, সমালোচনামূলক ব্যংগ টিপ্পনি বা হাস্যৰস আৰু ৰূপকৰ ব্যঞ্জনাৰে পিছত “বাঁহী”পত্ৰিকাতেই বেজবৰুৱাই নিজৰ ৰচিত প্ৰায় ২৮ টি কাৰ্টুন ব্যৱহাৰ কৰিছিল । বিশাল ভাৰতীয় পটভূমিত অসমীয়া ভাষাৰ আছে স্বতন্ত্ৰ এক ঐশ্বৰ্যশালী ক্ষেত্ৰ । উনবিংশ শতিকাৰ নৱজাগৰণে সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক সকলো দিশত সামগ্ৰিক ভাৰতবৰ্ষলৈ ব্যাপক পৰিৱৰ্তন আনিছিল । এই জাগৰণ আছিল দীৰ্ঘ সুপ্তিৰ পৰা ভাৰতীয় আত্মাৰ জাগৰণ—স্বাভিমানৰ পোহৰত উদীপ্ত ভাৰতীয়ই পাশ্চাত্য চিন্তা-চেতনাৰ দৰ্পনত আত্ম-আৱিষ্কাৰ কৰিছিল । সেই সময়ত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলেও বংগদেশত ঘটা এই ইংৰাজী নৱজাগৰণৰ পোনপটীয়া সংস্পৰ্শ লাভ কৰিছিল । গতিকে অসমীয়া ছাত্ৰসকলৰ মনতো ভাৰতীয়তাৰ লগতে অসমীয়াত্ব বোধৰ চৈতন্যও জাগৃত হৈছিল । লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত কলকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলৰ আত্মসম্মানবোধৰ জাগৰণ ঘটিছিল । বেজবৰুৱা সৃষ্ট কাৰ্টুনসমূহৰ মাজততা সেই স্ব-উদ্বোধন আৰু স্বাভিমানৰ উন্মুক্ত প্ৰকাশ ঘটিছিল । উদাহৰণ স্বৰূপে বংগদেশত ৰোমান্টিক নৱজাগৰণৰ সময়ত কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিভা আৰু অনুভৱৰ গভীৰ মননশীল প্ৰকাশশৈলীয়ে সমগ্ৰ ভাৰতবৰ্ষতে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল । অসমীয়া কবিসকলো প্ৰৱলভাৱে আকৰ্ষিততো হৈছিলেই, লগতে ৰবীন্দ্ৰনাথৰ দৰে উচ্চমানৰ কবিতা ৰচনা কৰিব নোৱাৰিব বুলি বহু অসমীয়া কবিৰ মনত এক ধৰণৰ হীনমন্যতায়ো গা-কৰি উঠিছিল । একেসময়তে কবিতা ৰচনাৰ উছাহত অসমীয়া কবিসকলে ভাল কবিতা ৰচনা কৰাৰ তীব্ৰ প্ৰতিযোগিতাতো নামিছিল । লক্ষ্মীনাথ বেজবৰুৱাই তলৰ কাৰ্টুনটোৰ জৰিয়তে সেই সময়ৰ কবিতাৰ চৰ্চা কৰা অথচ হীনমন্যতাত ভোগা অসমীয়া কবিসকলক কাব্যচৰ্চাৰ বাবে উৎসাহিত কৰাই নহয়, নিজৰ প্ৰতিভাৰ প্ৰতি বিশ্বাস আৰু উদ্যম জগাই তুলিবলৈ চেষ্টা কৰিছিল । ৰবীন্দ্ৰনাথৰদৰে কবিকো প্ৰতিহত কৰি আত্ম উত্থান ঘটাবলৈ চেষ্টা কৰিছিল । অসমৰ ঐতিহ্য সোঁৱৰাই কবিসকলৰ মনোবল আৰু আত্মবিশ্বাস বৃদ্ধি কৰিছিল ।






ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই, ২০২১

আজিকালিৰ দৰেই কবিৰ পয়োভৰ সেই সময়তো বৃদ্ধি পাইছিল । গুণগত মানতকৈ সংখ্যাগত দিশত কবিতাৰ পাঠকতকৈ হাজাৰ গুণে বৃদ্ধি পোৱা কবিয়ে সৃষ্টি কৰা কলা-সংকটক লৈ কবিতাপ্ৰেমী পাঠকৰ মাজত উদ্বিগ্নতা সৃষ্টি হৈছিল । এই পৰিস্থিতিত আজিৰ কবি আৰু কবিতাৰ বিকাশৰ ক্ষেত্ৰতো প্ৰাসংগিক । সে সময়ত কাব্য ৰচনাৰ উছাহ অসমীয়া কাব্যপ্ৰেমীৰ মাজত ইমান বৃদ্ধি পাইছি যে কাব্যকলাৰ সৃষ্টিশীলতা থাককেই বা নাথাকক প্ৰায় প্ৰত্যেকেই কবিতা ৰচিছিল, কবি হৈ গৌৰৱবোধ কৰিছিল । কবিৰ চাল-চলন ইমান হাস্য হৈছিল যে জনমাসত তেওঁলোক প্ৰায় হাঁহিয়তৰ পাত্ৰ হৈছিল । সেই দিশটোক ব্যংগ কৰি বাঁহীৰ ২য় বছৰ দ্বাদশ সংখ্যাত বেজবৰুৱাই এটা কাৰ্টুন প্ৰকাশ কৰিছিল । সেই 'কাৰ্টুন'ত দেখা গৈছে কাব্যৰ ভৰত হালি যোৱা মগ্ন কবিৰ । আচলতে বেজবৰুৱাই আত্ম-সমালোচনাৰ মাজেৰেআত্ম-উদ্বোধন কৰা বেজবৰুৱাৰ লক্ষ্য হৈ উঠিছিল । এই ক্ষেত্ৰত অসমীয়া মানুহৰ নিজৰ মূৰ খটুৱাই নিজে চিন্তা নকৰা স্বভাৱৰ প্ৰতি বৰবৰুৱাৰ আত্মসম্ভাষণ', 'বৰবৰুৱাৰ খেদ', মূৰ শুধৰণী বিভ্ৰাট' নামৰ তিনিটা কাৰ্টুনৰ জৰিয়তে তীব্ৰ সমালোচনাৰে ব্যংগ টিপ্পনি কৰিছিল । কাৰ্টুনকেইটা 'বাঁহীৰ ষষ্ঠ, সপ্তম আৰু অষ্টম সংখ্যাত প্ৰকাশ পাইছিল ।


কাৰ্টুনকেইটাত জীৱনৰ জটিল পৰিস্থিতিত মানুহৰ অন্তৰ্মনৰ দ্বন্দ্ব আৰু বাহিৰৰ পৰিপাৰ্শ্বৰ লগত সংঘাতৰ পৰিৱেশত সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰা অৱস্থাৰ চিত্ৰণ ঘটোৱা হৈছে । দুই নাও, দুই ভৰি দোষোৰ-মোধোৰ অৱস্থাত এনে সংকট সৃষ্টি হয় । তেতিয়া মানুহৰ অৱস্থা এনেকুৱা হয় যে কেতিয়াবা মূৰে কাম নকৰা হয়, কেতিয়াবা উভভাটাকৈ কাম কৰে, কেতিয়াবা নিজৰ ভুল বুজি শুধৰাবলৈ গৈও আকৌ নতুন বিভ্ৰাট ঘটায় । আজিৰ সমাজত সকলো ক্ষেত্ৰতে মানুহৰ বিচাৰ-বুদ্ধিৰ এনে সংঘাত পৰিলক্ষিত হয়। ব্যক্তিগত আৰু সামজিক উভয় পটভূমিতে ভুল সিদ্ধান্তৰে নিজৰ লগতে সমাজৰ ক্ষতি সাধন কৰে । ঔচিত্য-অনৌচিত্যৰ দ্বন্দ্বত মানুহে যুক্তি-বুদ্ধি হেৰুৱাই ভুল কৰে আৰু ভুল শুধৰাবলৈ গৈয়ে ভুল কৰে আৰু মূৰহীন মানুহৰ দৰে আচৰণ কৰে । এই অৱস্থাক ব্যংগ কৰি অসমীয়া পাঠকৰ সচেতনতা জাগ্ৰত কৰাই লক্ষ্মীনাথ বেজবৰুৱাৰ উদ্দেশ্য আছিল । সেইদৰে আন এটা কাৰ্টুনত জ্ঞানৰ অহংকাৰে সৰ্বসাধাৰণ আৰু পণ্ডিতৰ মাজত সৃষ্টি কৰা দূৰত্বৰ সমস্যাক ব্যংগ কৰিছে । এই দিশটোৰো সাম্প্ৰতিক সময়ৰ লগত প্ৰাসংগিকতা নুই কৰিব নোৱাৰি ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১



বিদ্যাৰ অহংকাৰত নিজক জনবিচ্ছিন্ন কৰি ৰখা শিক্ষিত বুদ্ধিজীৱিৰ অহংকাৰ আজিও একেই আছে । এনেদৰে প্ৰথম গৰাকী অসমীয়া কাৰ্টুনিষ্ট লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যত বুদ্ধিদীপ্ত হাস্য-ব্যংগৰে নতুন ধাৰা এটিৰ সংযোজন ঘটাইছিল । ইলেকচনৰ সময়ত ভোট বিচৰা ৰাজনীতিকৰ প্ৰৰোচনামূলক প্ৰলোভনক লৈও লক্ষ্মীনাথ বেজবৰুৱাই 'ভোটৰ উপদ্ৰৱ' নামৰ কাৰ্টুন ৰচনা কৰিছিল ।সেইদৰে চিলনী থাপ' 'গোৱালপাৰা হৰণ' আদি গোৱালপাৰাক বেংগলৰ লগত চামিল কৰাৰ ষড়যন্ত্ৰৰ বিষয়েই হওক, 'কবিতাৰ কাঠ সংস্কাৰ' 'সাধুভাষাৰ জাল' ইত্যাদিৰ দৰে ভাষা-সাহিত্যৰ বিভিন্ন সংকটৰ দিশক কাৰ্টুন'ৰ জৰিয়তে তীক্ষ্ণ ব্যংগ-বিদ্ৰুপৰ টিপ্পনিৰে শুধৰাবলৈ প্ৰয়াস কৰিছিল । পৰৱৰ্তী সময়ত বৰ্তমানলৈকে বেজবৰুৱাৰ দৰে অসমীয়া সমাজ-সংস্কৃতি-সাহিত্য, ৰাজনীতি সকলো দিশক সমালোচনা কৰি তীক্ষ্ণ টিপ্পনিবিশিষ্ট উচ্চমানৰ কাৰ্টুন সৃষ্টি কৰা কাৰ্টুনিষ্ট অসমীয়া সাহিত্যত বিৰল । দুই-এজন ভাল কাৰ্টুনিষ্টৰ ওলালেও বেজবৰুৱাৰ কাৰ্টুন'ৰ সেই দীপ্ত, তীক্ষ্ণ ব্যংগাত্মক শ্লেষৰ মৰ্মস্পৰ্শী আৱেদন আৰু সমালোচনাত্মক টিপ্পনিৰ গাম্ভীৰ্য কোনো অসমীয়া কাৰ্টুনিষ্টে ধাৰাবাহিকভাৱে ধৰি ৰাখিব পৰা নাই ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# শিশু বিজ্ঞানভিত্তিক আলোচনীঃ এক অৱলোকন

সমুজ্জ্বল শইকীয়া
ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ

অৱতৰণিকাঃ

বৰ্তমান যুগ, আৱিষ্কাৰ যুগ। বিজ্ঞানে আমাৰ দৈনন্দিন জীৱনত প্ৰভূত বিস্তাৰ কৰি আছে। শিশুবিলাকৰ পৰা শিশু অনুসন্ধিৎসা প্ৰবৃত্তি জগাই তুলিবলৈ পাঠ্যপুথিৰ উপৰিও নানাধৰণৰ জ্ঞান-বিজ্ঞান সৈতে জড়িত শিশু মনক ক্ৰিয়া কৰিব পৰা আলোচনী প্ৰয়োজন হয়।

বৰ্তমান সময়ত বিশেষভাবে প্ৰচাৰিত তথা প্ৰতিপতি লাভ কৰিবলৈ সক্ষম হোৱা সাহিত্য তথা যোগাযোগৰ এক অন্যতম মাধ্যম হ'ল বাতৰি কাকত তথা আলোচনী। যিদৰে এই বাতৰি কাকতসমূহে বহিৰ্জগতৰ বিভিন্ন তথ্য সম্ভেদ দিয়ে ঠিক সেইদৰে আলোচনীয়ে সাহিত্য ৰসৰ আস্বাদ প্ৰদান কৰে, বহল জগতৰ বিভিন্ন ব্যক্তিত্ব বহুমুখী ভাবধাৰাৰ ৰচনাশৈলীৰে বিধৌত সাহিত্যসিকলৰ লগত পৰিচয় হোৱাৰ সুযোগ প্ৰদান কৰে। সমসাময়িক সমাজৰ দোষ-ত্ৰুটী, অন্ধবিশ্বাস কুসংস্কাৰ, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক স্থিতিৰ বিষয়ে আঙুলিয়াই দি সমাজ একোখনক প্ৰগতিৰ পথত ধাৱিত কৰাত এই আলোচনীসমূহ তথা বাতৰি কাকতবোৰ জন্মলগ্নৰে পৰা আহোপুৰুষাৰ্থ কৰি আহিছে।

অসমীয়া সাহিত্যলৈ বিশেষভাবে অৰিহণা যোগাই অহা সাহিত্যৰ অন্যতম ধাৰা হ'ল- শিশু সাহিত্য। জন্মিয়ে কান্দি জীৱনৰ প্ৰতি সহাঁৰি জনোৱা এটি অবোধ শিশুৱে জন্মৰ পাছৰ পৰা মাকৰ গাখীৰ খোৱাৰ পৰা আৰম্ভ কৰি হাঁহিবলৈ খোজ কাঢ়িবলৈ শিকে আৰু লাহে লাহে পিতৃ-মাতৃ তথা পৰিয়ালৰ অন্যান্য লোকৰ অকৃত্ৰিম মৰম চেনেহ আৰু আপদালৰ মাজত একলা-দুকলাকৈ বাঢ়িবলৈ আৰম্ভ কৰে। শৈশৱ কালছোৱাত এটি শিশুৰ দৈহিক বিকাশ যিদৰে ক্ষীপ্ৰতৰ হয় ঠিক সেইদৰে মানসিক বিকাশো দ্ৰুতগামী হোৱা দেখা যায়। শিশুৰ এজনে কিবা বস্তু এটা দেখা লগে লগে এইটো কি? কেনেকুৱা বস্তু হয় আদি নানা প্ৰশ্ন কৰা দেখা যায়। এই প্ৰশ্নবোৰ উত্তৰ পাব বাবে সদায় অনুসন্ধিসু হৈ থাকে। শিশুসকলৰ সুকুমাৰ কলাৰ উৎকৰ্ষ সাধন, আত্মনিৰ্ভৰশীলতাৰ শিক্ষা প্ৰদান সমাজৰ অবিচ্ছেদ্য অংগ হৈ জীয়াই থকাৰ শিক্ষাৰ প্ৰদান, শাৰীৰিক-মানসিক তথা ভাষা বৌদ্ধিক বিকাশৰ শিক্ষা প্ৰদান--- এনে উদ্দেশ্যবোৰ কাৰণে শিশুৱে বিজ্ঞান ভিত্তিক আলোচনী পঢ়া প্ৰয়োজন আছে। যি শিক্ষা মাকদেউতাকৰপৰা পাব নোৱাৰি সেই শিক্ষা শিশুএজনে আলোচনী পৰা আহৰণ কৰিব পাৰে। শিশু বাবে লেখা আলোচনী বিলাক শিশুভিত্তিক প্ৰকাশভংগী তথা ভাষা অতিকে সহজ-সৰল হোৱাটো প্ৰয়োজনীয়। লগতে বয়স অনুযায়ী উপযুক্ত শব্দ প্ৰয়োগ, শ্ৰুতিমধুৰ, অনুপ্ৰাসযুক্ত আৰু সুৰ লগাই গাব পৰাই বাক্যৰে ৰচিত যিকোনো সাহিত্যই অতি সহজে শিশু মন জয় কৰিব পাৰে।

অসমীয়া শিশু বিজ্ঞান ভিত্তিক আলোচনীঃ

অসমীয়া বিজ্ঞান সাহিত্য হৈছিল অনুবাদ সাহিত্য হিচাপে। মূলতঃ সংস্কৃত ভাষাৰ পৰা কিছু বিজ্ঞান বিষয়ক পুথি অসমীয়ালৈ অনুবাদ কৰা হৈছিল। আনুমানিক ১৪০৪ চনত বকুল কায়স্থই সংস্কৃতৰ পৰা অনুবাদ কৰি ৰচনা কৰিছিল "কিতাবৰ মঞ্জৰী " এই খন পদ্যত লিখা হৈছিল। তাৰ পাছত কবিৰত্ন দ্বিজে পদ্যৰ সলনি গদ্যত ভাস্কৰাচাৰ্যৰ লীলাৱতী কথা, 'চুড়ামণিৰ জ্যোতিষ চূড়ামণি আৰু জ্যোতিষ পুথি খণ্ডসাধ্য ৰচনা কৰে ।

১৬৯৫ চনমানত কবিৰাজ চক্ৰৱৰ্তীয়ে সংস্কৃতৰ পৰা অনুবাদ কৰা পুথিখনৰ নাম আছিল 'ভাস্বতী শাস্ত্ৰৰ কথা । কবিৰাজ চক্ৰৱতীৰ ৰচিত আন এখন কিতাপ হ'ল 'অংকৰ আৰ্য্যা।১৭৩৪ চনত সুকুমাৰ বৰকাথে অনুবাদ কৰা 'হস্তীবিদ্যাৰ্ণৱ-সাৰসংগ্ৰহ' পুথিখন পাছত প্ৰায় অবিকৃত ৰূপত পোৱা গৈছে। তাত থকা ব্যাখ্যামূলক চিত্ৰসমূহো বৰ যত্নসহকাৰে অংকন কৰা হৈছিল। এই কিতাপখন অসম প্ৰকাশন পৰিষদে একেই ৰূপত প্ৰকাশ কৰি উলিয়াইছে। ১৭৪০ চনতমানত কোনো অজ্ঞাত পণ্ডিতে অনুবাদ কৰে ঘোঁৰা নিদান। ১৯৩২ চনত তাৰিণী চৰণ ভট্টাচাৰ্য সম্পাদনাত এইখন গ্ৰন্থ প্ৰথম প্ৰকাশ হয়। গ্ৰন্থখনৰ দ্বিতীয় প্ৰকাশ হয় ২০০৬ চনত। ১৮০৪ চনত সূৰ্য্যখড়ি দৈৱজ্ঞই সংকলনৰ কৰে 'অশ্ব নিদান নামৰ পুথিখন। উনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা অসমত ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া ভাষাত আন পুথি প্ৰকাশৰ লগতে বিজ্ঞান বিষয়ৰ পুথিও প্ৰকাশ কৰিবলৈ লয় আৰু তেওঁলোকৰ চেষ্টাত এই সময়ছোৱাত পঞ্চাশখনমান বিজ্ঞানৰ পুথি প্ৰকাশিত হয় । মিছনেৰী সকলৰ প্ৰচেষ্টাত নানাধৰণৰ স্বাস্থ্য বিজ্ঞান, সাধাৰণ বিজ্ঞান, ভূগোল বিজ্ঞান আদি নানা বিষয়ৰ পাঠ্য পুথি প্ৰকাশ কৰে ।

১৮৪৬ চনৰ পৰা প্ৰথম অসমীয়া বাৰ্তালোচনী 'অৰুণোদই'ৰ, প্ৰকাশ আৰম্ভ হয়। অৰুণোদই প্ৰকাশ আৰম্ভ হওঁতেই ঘোষণা কৰা হৈছিল যে ই হ'ব ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ বুদ্ধিমত্তাৰ উৎকৰ্ষ বাবে উৎসৰ্গিত এখন মাহেকীয়া কাকত।

অৰুণোদই'ৰ সংখ্যাবোৰ প্ৰকাশ হোৱাৰ পাছত দেখা গৈছিল যে তাত সৰ্চাকৈয়ে বিজ্ঞানৰ কথাবোৰ প্ৰকাশ কৰাত যথেষ্ঠ গুৰুত্ব দিয়া হৈছিল। তাত প্ৰকাশ পাইছিল 'নেজাল তৰা'(ধূমকেতু), 'ধূআৰ ৰথ জোআ ৰেলৰদ'(ট্ৰেইন চলাচল কৰাই ৰেল লাইন। ভাপৰ কল লগা থ'(ভাপ ইঞ্জিনেৰে চলা ৰে'ল গাড়ী) আদিৰ বিষয়ে চিত্ৰসহ বৰ্ণনা। তাৰ প্ৰতি সংখ্যাতে অন্ততঃ একোটাকৈ বিজ্ঞানৰ প্ৰবন্ধ আৰু খবৰ প্ৰকাশিত হৈছিল। বিভিন্ন বিষয়বোৰৰ ভিতৰত আছিল গ্ৰহ, প্ৰিন্টিং প্ৰেছ, পৃথিৱী, ৰক্ত পৰিসঞ্চাৰণ তন্ত্ৰ,বনৰৌ, কাকতি ফৰিং,বাঘ আদি। তাৰ পাছত বিভিন্ন সময়ত প্ৰকাশ পোৱা 'আসাম বন্ধু,মৌ, জোনাকী, বিজুলী', উষা, আলোচনী, আসাম বান্ধৱ, বাঁহী, মিলন, আৱাহন,ৰামধেনু আদি সাহিত্য বিষয়ক আলোচনীবোৰেও জনপ্ৰিয় বিজ্ঞানৰ প্ৰবন্ধ-পাতি প্ৰকাশ কৰিছিল আৰু এনেকৈয়ে অসমীয়া জনপ্ৰিয় বিজ্ঞানৰ ধাৰাটোক সাৰ-পানী দি জীয়াই ৰাখিছিল । জোনাকী আলোচনীত কিছুমান মূল্যবান জনপ্ৰিয় বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশ পাইছিল। যিহেতু আমাৰ আলোচনা মুল বিষয় আছিল শিশুবিজ্ঞান ভিত্তিক আলোচনী সেইবাবে বিজ্ঞানবিষয়ক আলোচনীৰ আলোচনা ইয়াতে সামৰি শিশু উপযোগী বিজ্ঞানভিত্তিক আলোচনীৰ বিষয়ে আলোচনা কৰিবলৈ থাবৰ কৰা হৈছে । ১৯৩৩ চনত প্ৰকাশিত 'পখিলাত' শিশুৰ উপযোগীকৈ পৃথিৱীৰ জন্মকথা, সাপ, সুমথিৰা, পানী-গছা, জোনলৈ যোৱাৰ উপায়, মংগল গ্ৰহৰ কথা ,ৰেলগাড়ীৰ জন্ম,টেলিফোন,চন্দ্ৰ আদি বিষয়ৰ প্ৰবন্ধ প্ৰকাশ হৈছিল । আনহাতে ১০৪০-৪২ চনত প্ৰকাশিত 'পাৰিজাত'ত পৃথিৱী,ৰেলগাড়ী, টেলিভিজন, ডিনামাইটৰ আৱিষ্কাৰক নোবেল, এন্টিছেপ্টিকৰ আৱিষ্কাৰক লিষ্টাৰ আদিৰ বিষয়ে সুলিখিত প্ৰবন্ধ প্ৰকাশিত হৈছিল। জনপ্ৰিয় বিজ্ঞান বিষয়ক ৰচনাৰে বিজ্ঞানক জনসাধাৰণৰ ওচৰলৈ নিবৰ বাবে বিজ্ঞানৰ সাধকসকলৰ উপৰি আন অসমীয়া লেখকসকলেও চেষ্টাৰ ক্ৰুটি কৰা নাছিল ।

১৮৯৭ চনত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই লিখি উলিয়ালে স্বাস্থ্য ৰক্ষা বা গা ভালে ৰাখিবৰ উপায় নামৰ বিজ্ঞান বিষয়ক গ্ৰন্থখন। তাৰ পাছত প্ৰকাশ পালে কুশকান্ত বৰকটকী ৰচিত 'প্ৰসূতি কিম্বা অসমীয়া ধাত্ৰীবিদ্যা(১৮৯৭), সত্যনাথ বৰা ৰচিত 'আকাশ ৰহস্য (১৯১৬), প্ৰজ্ঞাসুন্দৰী দেৱী ৰচিত ৰন্ধা বঢ়া, চিন্তাহৰণ পাটগিৰি ৰচিত সৰস ৰসায়ণ, মণিৰাম ভূঞা ৰচিত কৃষি কৰ্ম, ভুবনৰাম বৰা ৰচিত 'ফল উৎপাদনকাৰীৰ আদৰ্শ পুথি, উমেশ চন্দ্ৰ পাঠক ৰচিত 'মানৱ বিকাশ আদি বিজ্ঞান সম্পৰ্কীয় কিতাপ । বৰ্তমান জনপ্ৰিয় শিশু উপযোগী বিজ্ঞানভিত্তিক আলোচনী হৈছে। মৌচাকঃ শিশুসকলৰ মাজত সমাদৰ লাভ কৰা অন্যতম আলোচনী হৈছে মৌচাক। শিশুসকলৰ দ্বাৰা ৰচিত বিভিন্ন গল্প, কবিতা, সাধু আদি প্ৰকাশ কৰাৰ উপৰি এই আলোচনীখনে বিজ্ঞান সম্বন্ধীয় তথ্য প্ৰকাশ হৈছিল। (খ) ৰংমেলাঃ বৰ্তমান অসমত প্ৰকাশিত অন্য এখন শিশু বিজ্ঞানভিত্তিক আলোচনী হ'ল ৰংমেলা । আলোচনীখনিৰ জৰিয়তে শিশুসকলৰ মাজত বিজ্ঞান সম্বন্ধীয় তথ্য প্ৰকাশ হয়। সাহিত্য, সংস্কৃতি, বিজ্ঞান, ক্ৰীড়া আদি বিভিন্ন বিষয়ক লৈ প্ৰকাশিত সঁফুৰা,মৌচাক,ৰংমেলা, সপোন আদিৰ বাহিৰে সম্পূৰ্ণৰূপে বিজ্ঞান ভিত্তিক কৰি প্ৰকাশিত কেইখনমান উল্লেখযোগ্য আলোচনী হ'লঃ- বিজ্ঞান জেউতি, নতুন আৱিষ্কাৰ, বিজ্ঞান সুৰভি, নতুন সৃজন ইত্যাদি। এই বিষয়ে ভৱিষ্যতে আৰু চিন্তা চৰ্চা কৰা বাট আছে। আমি ভাবো প্ৰতিজন অভিভাবকে নিজৰ শিশুটিক বৰ্তমান যুগৰ সৈতে খাপখাই চলিব পৰাকৈ এখোন বিজ্ঞানভিত্তিক আলোচনী আজৰি সময়ত তুলি ধৰিব লাগে তেতিয়া শিশুটিৰ বৌদ্ধিক উৎকৰ্ষ সাধন হোৱা লগতে মানসিক ভাৱে সবল হ'ব। এইয়া যদি প্ৰতিজন অভিভাবকে কৰে তেতিয়া আমাৰ সাহিত্যত আলোচনী যি ভৱিষ্যত সেইয়া সুৰক্ষিত হৈ থাকিব।

সহায়ক গ্ৰন্থপঞ্জীঃ
(ক) নাথ, প্ৰফুল্ল কুমাৰ ও গণমাধ্যম সমাজ আৰু সাহিত্য,বনলতা,ডিব্ৰুগড়
হাজৰিকা,জ্যোতিৰেখা
(খ) শৰ্মা, সত্যেন্দ্ৰনাথ ও অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত , সৌমাৰ প্ৰকাশ,গুৱাহাটী

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# JOURNALLING FACTOR AMIDST PANDEMIC

SUDAXINA DAS
M.A.1ST SEMESTER
DEPT. OF ECONOMICS
DIBRUGARH UNIVERSITY

Life is full of uncertainties, we definitely knew this; but realised it in true sense only when the pandemic called "Covid 19" hit us hard , turning our whole world upside down. Everything seemed to be on a standstill, infact leading us to lose so much more than we could've just ever imagined. The pandemic unprecedentedly merged into our lives, evolving to be the "new normal" .

While the whole instance of lockdown and quarantine were almost packing up and we started to think about getting our old normal lives back, the second wave hit us more hardly and we got tied inside our homes.This uncertainty hovering the atmosphere regarding our academic life, jobs and so much more have been causing a turmoil inside us. We feel so restless at times and nothing feels good enough to soothe our mind. In this trembling situation comes as a remedy, the habit of "Journalling".

Journalling, in simple words means the habit of maintaining a diary or notebook and expressing out in it whatever we feel. If we can manage to develop this aesthetic habit during this pandemic situation, it can definitely prove itself effective in calming our minds and soothing down our chaos. We can give it a start by writing about whatever we feel throughout the day, everything going on in our life or some favourite poems or quotations to boost us and make us feel motivated. We can also maintain a gratitude journal, where we can jot down our gratefulness about various things happening around us and to us which we can't deny being thankful, even amidst adversities. And this attitude of possessing gratefulness brings about positivity in our life. It reminds us of all the good things that ever happened to us even when we feel the lowest.

We can try out Bullet Journalling too, which can help us feel organised as we plan our whole day or week or make our to-do-lists and set certain targets for ourselves. And once we complete the tasks, a sense of self-containment engulfs us and we feel productive. Afterall, it's way more better than feeling confused and ending the day with a guilt of doing nothing.

There are many more different ways of journalling and here it's just a glimpse of it. Journalling can definitely be a stressbuster amidst all the adversities. It is a way of being honest and knowing oneself in a more better way. As Lee Wise said, "Journalling is paying attention to the inside for the purpose of living well from the inside out." , so goes a hope that all the readers will give it an honest try. Happy Journalling.

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

**Relevance of UN in contemporary world**
**(A global watchdog that turned itself into a mere spectator)**

Kishor Kumar Kalita
Department of Physics
Integrated M.Sc 7th semester

Times when world is grappling with a deadly pandemic caused by coronavirus, one Mediterranean country is on the brink of full-blown war. Continuous bombing and ceasefire violation has been the new normal in Gaza Streep of Israel since fortnight, causing death of more than 200, including civilian and children. Israel-Palestine conflict is on boil again! And what does United Nation (UN), which claims to be global peacekeeper, has done is just a meet among the "United Nation Security Council (UNSC)" members, which eventually ended up as a fruitless one. Not even a joint statement was released by the member country! It didn't come as a surprise for the diplomats as well as those acquainted with the UN's response regarding recent happenings in the geo-political arena. This however brought the pertinence of UN, UNSC in particular, into the question yet again.

UN, which succeeded the ineffective 'League of Nation' that was formed after first World War, came into existence after signing 'UN Charter' by 50 governments in San Francisco in October 1945; with an aim to maintain international peace and security, inter-alia. It came as a beacon of hope for conflict ridden world that sought to save mankind from the scourge of war, protect human rights, deliver humanitarian aid, promote sustainable development, and uphold international laws. In the 75 odd years of its existence, it has been partially successful in realising its goal. The fact that "United Nation General Assembly (UNGA)", one of the six organs of UN, is only intergovernmental organisation with universal membership, which currently has 194-member country is one to start with. Another one of its major organs "United Nation Economic and Social Council (UN ECOSOC)" has done exceptional job in cultural and economic arena through its various branches. "Food and agricultural organisation (FAO)'s" contribution in hunger and poverty reduction can't be left unrecognised. Its efforts in promoting human security and sustaining the development require adequate recognition too.

However, history has exposed significant weakness and failure over the time in fulfilling its purpose. The working of the UN has been severely criticized by some nations on several ground. As critiques argue, it appears to be in bad shape and has almost become ineffectual. UN, with all its specialised agencies and development fund, its role as a peacekeeper is somewhat limited, especially in the political sphere, where the it often lacks a capacity to catalyse an action. Apart from above mentioned Israel-Palestine conflict, there are myriad issues looming over despite the UN's existence. The 2003 Iran War is perhaps the biggest reason for the failure of the UN, since it was seen by most of the world as a deliberate abuse of internal law and the hold of the US and the UK over the Security Council. The menace of terrorism is another important global challenge which has been on the agenda of the United Nations for decades. Other scourges like Nuclear proliferation, Issue of Child Labour, Refugee issues, Prosecution of religious minorities, Cold war, Illegal occupations of land, Border issues are to name few.

The prime factor that is jeopardizing the global institution is its structure itself. The Security Council which is the specialised agency for maintaining international peace reflects the global power structure of 1945. After the end of world war, the victor countries were initially becoming the de-facto member of the council, that is US, UK, France and Russia (then USSR); China was inducted into the league later. It was in 1965, the last time, under pressure from a growing membership, that the UN

expanded the Council, bringing its total membership to 15; of which five are permanent members and remaining 10 non-permanent members are elected every two year. Despite the ten elected members, the Security Council remains geographically unbalanced and unrepresentative. Barring North America and Europe, other regions are either underrepresented like Asia, or even not represented at all, like Africa, Latin America & small Island developing state. At the heart of this lies permanent members (P5) nations reluctance to lose their oligarchy. This intrinsic resistance from the member country has halted the expansion of the council to large extent. India, back in mid-2000s, along with Brazil, Japan and Germany, commonly known as G-4 country; began a campaign for the permanent seat in the Security Council, but reform process is yet to initialised. Over the years cry for expansion of UNSC has amplified to large extent but it's still a distant dream.

Secondly, undemocratic nature of UN. The unbridled power that has been conferred upon P5 nations or P5 nations themselves have concentrated upon has been the bone of contention since very long. This arrangement makes the Council both autocratic and fruitless. The veto-wielding members avert many issues from reaching the Council's agenda and they often selfishly block widely-agreed and much-desirable initiatives and have served their own interest by misusing the provision of veto. Washington's constant threat of vetoes on the Security Council actions critical of Israel is a notorious example of this abuse which generally worsens international crises. Since 1972, United States has cast its veto more than 79 times to shield Israel from Security Council's draft resolutions that condemned, deplored, denounced, demanded, affirmed, endorsed, called on and urged Israel to obey the world body. On the other hand, Russia has casted veto for 17 times since 1990, including eight times over Syria. The veto or threat of veto prevents the UN to respond swiftly and robustly in crises that could have been halted at the nascent stage. Amnesty international, in its recent report, made a plea to scrap the veto powers.

Lastly and most importantly, lack of political will by its own member to adhere to body's agenda has been another major issue. For example, the Kyoto Protocol and the proposed ideas how to tackle and limit the impact of climate change were left to be unimplemented due to China's and USA's lack of will to share the burden of this global issue. There are no regulatory mechanisms for global commons like the Internet, Space, High Seas (beyond your EEZ-exclusive economic zone) and no unanimity on how to deal with global issues like terrorism, climate change and cybersecurity. Even in the current pandemic "World Health Organisation (WHO)", which is the specialised organ for public health failed to bring all the member country on the same table, for which it was severely criticised, gives a cue of its inability to manoeuvre towards common goal.

So, for a better and secure future, it's the high time for the UN to introspect itself and materialise its long-standing reform. UN need to reorient itself such that it reflects Economic and Geo-political realities of 21st century. The action agenda for reform that was initiated under the Secretary-General Kofi Annan in his report "Strengthening the UN: An Agenda for Further Change", which proposed to reform the UN's mandates, funds, and promote the partnership with regional and nongovernmental organizations, should be the guiding light in this process. Other reform document such as "Millennium Declaration (2000)", Secretary-General's report "High-Level Panel on Threats, Challenges and Change (2004)", followed by the 2005 report "In Larger Freedom: Towards Development, Security and Human Rights for All" which already outline the reform process should be put into action. India on its part, as it assumes its office as non-permanent member for next two years, has also framed its reform agenda under "New Orientation in Reformed Multilateralism (NORM)".

At a time when globalisation is losing its steam, multilateralism is being considered old fashioned; need of this international body as a guardian of other multilateral institution is even more prominent. So, the question of relevance of UN should be kept at abeyance and instead question should evolve around how to generate political will of the member states that curbs the further disintegration of the global body. It would be farcical to evaluate the relevance of this global body based upon only pollical domain only, on the contrary it should be perceived as an effective actor in sustaining the development of the humankind.

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# পুৰুষতান্ত্ৰিকতা বনাম নাৰীবাদ : এটি চমু আলোকপাত

কাশ্মীৰি দত্ত
স্নাতকোত্তৰ তৃতীয় ষান্মাষিক
নাৰী অধ্যয়ন কেন্দ্ৰ।

জনসংখ্যাৰ ৫০% মহিলা হোৱা সমাজত মহিলাৰ উন্নয়নৰ অবহনে দেশ এখনৰ প্ৰকৃত উন্নয়ন সম্ভৱনে?

বৌদ্ধিক মহলত সময় সময় ধৰি চৰ্চা চলি আহে ভিন্ন বিষয়ৰ। ৰাজনৈতিক ,সাংস্কৃতিক, সামাজিক আদি বিভিন্ন বিভিন্ন বিষয় হৈ পৰে বিভিন্ন সময়ত আলোচনাৰ মূল কেন্দ্ৰ বিন্দু। বৰ্তমান সময়ত চৰ্চিত বিভিন্ন বিষয়ৰ ভিতৰত পুৰুষতান্ত্ৰিকতা আৰু নাৰীবাদ অন্যতম। আচলতে কি এই পুৰুষতান্ত্ৰিকতা (**Patriarchy**) আৰু নাৰীবাদ (**Feminism** ) !

আমি সমাজ পাতি বাস কৰোঁ। ভাষা, খাদ্য, সাজ-পাৰ আদি বিভিন্ন ক্ষেত্ৰত প্ৰত্যেক সমাজৰে মাজত সাংস্কৃতিক ভিন্নতা পৰিলক্ষিত হয় । এই সকলোৰে উৰ্ধত জন সামাজিক ব্যৱস্থাত জনা নজনাকৈয়ে প্ৰাধান্য পোৱা এটি ব্যৱস্থা হৈছে পুৰুষতান্ত্ৰিকতা। দৰাচলতে আমি এনে এখন সমাজব্যৱস্থাত বাস কৰি য'ত পুৰুষতান্ত্ৰিকতাৰ মানসিকতাৰে ভৰপূৰ হৈ আছে। য'ত সামাজিকীকৰণ প্ৰক্ৰিয়াৰে শিশু(জন্মৰ) অৱস্থাৰ পৰাই পুৰুষতান্ত্ৰিকতাবাদৰ আৰম্ভণি ঘটে।এই পুৰুষতান্ত্ৰিকতাই শোষণ নীতিক বিশ্বাস কৰে। যদিও আমি পুৰুষতান্ত্ৰিক ভাৱধাৰাৰ ফলত মহিলাৰ ওপৰত চলা দমন নীতিৰ কথা আলোচনা কৰোঁ কিন্তু সামান্তৰালভাৱে পুৰুষতান্ত্ৰিকতাই পুৰুষকো চেপে। জন্মৰ পাছৰে পৰাই সমাযোজনৰ নামত পুৰুষতান্ত্ৰিকতাৰ ভাৱধাৰাই শোষণ নীতি আৰম্ভ কৰে। ছোৱালীক সদায় কমকৈ কথা পাতিবলৈ কোৱা ,আৱেগিক হ'বলৈ শিকোৱা, মহিলাক পাকঘৰৰ মাজত আৱদ্ধ কৰি ৰখা,নিজৰ পিতা,স্বামী, পুত্ৰৰ তলত চলিবলৈ কোৱা,ল'ৰাক আবেগহীন হ'বলৈ শিকোৱা,ল'ৰাৰ চকুপানী নোলাই,ল'ৰাই দুখ পাব নোৱাৰে ,পৰিয়াল চলাবৰ বাবে পুৰুষ জনেই আৰ্জন কৰিব লাগিব আদি পুৰুষতান্ত্ৰিকতা ভাৱধাৰায়ে শিকাই,আমাক সমাযোজন কৰাই ।

আচলতে পুৰুষতান্ত্ৰিকতা ক'ত নাই ! এই আমি ল'ৰা জনে ভাত বনোৱা দেখিলেই তোমাৰ পত্নী খুউব ভাগ্যৱান হ'ব বুলি কৈ দিওঁ, চিনেমাত হিৰোইনক বচাবলৈ সদায় হিৰ' এজন থাকে , কবীৰ সিং ৰ দৰে প্ৰেমিক লাগে বুলি কওঁ , উপাৰ্জনৰ দায়িত্ব স্বামীৰ ঘৰ চম্ভালাৰ দায়িত্ব পত্নীৰ বুলি কওঁ, কথাবোৰ তাৰ পৰাই আৰম্ভ হয়।আমি ভাবি নাচাও,আমি নাজানোয়েই যে পুৰুষতান্ত্ৰিকতাই আমাকো হেচি আছে। আমাৰ উশাহ বোৰ বান্ধি ৰাখে পুৰুষতান্ত্ৰিকতাই, আমি নজনাকৈয়ে(!!) আঁকোৱালি লওঁ পুৰুষতান্ত্ৰিকতা। বহু সময়ত আমাৰ বহু সপোন আমি সামৰি থৈ দিব লগা হয় পুৰুষতান্ত্ৰিকতাৰ ভাৱধাৰাৰ বাবেই।

পুৰুষতান্ত্ৰিকতাৰ এই ঋণাত্মক ভাৱধাৰাক সম্পূৰ্ণ বিৰোধিতা কৰি ,সমাজৰ মানসিকতাৰ পৰিগণ্ডীৰ পৰা দমন নীতি নস্যাৎ কৰাৰ উদ্দেশ্যে পুৰুষতান্ত্ৰিকতাৰ বিপৰীত মেৰুত অৱস্থান কৰি 'নাৰীবাদ' ভাৱধাৰাৰ আগমণ ঘটে । আনুমানিক ১৮৪০ চনৰ পৰা আৰম্ভ হোৱা নাৰীবাদী ভাৱধাৰাই ১৮৪৮ চনৰ **Seneca Falls Convention (the first world women's conference)** ৰ পৰাই প্ৰসাৰ লাভ কৰে।

পশ্চিমীয়া সভ্যতাত আৰম্ভ হোৱা নাৰীবাদী চিন্তা চৰ্চাক সেই সময়ৰ **saloon culture** আৰু **tea party** সমূহে সাৰ পানী যোগোৱাত সহায় কৰে। লাহে লাহে নাৰীবাদ পৃথিৱীৰ সমগ্ৰ অংশত ব্যাপি পৰে। পুৰুষ আৰু মহিলাৰ উভয় প্ৰচেষ্টাত নাৰীবাদে অগ্ৰগতি লাভ কৰে। মহিলাৰ ভোটাধিকাৰৰ পৰা আৰম্ভ কৰি সমতা প্ৰধানলৈকে বিভিন্ন দিশ নাৰীবাদে সামৰি লয় । যুগ যুগ ধৰি সংস্কৃতিৰ নামত মহিলা সকলৰ ওপৰত চলি অহা শোষণ নিষ্পেষণৰ নাৰীবাদে বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে।

নাৰীবাদী চিন্তাবিদ সকলৰ ভিতৰত মেৰী ৱলষ্টনক্ৰাফ্ট, কেট মিলেট, চাইমন ডি বোৱেৰ, এলিজাবেথ ষ্টেন্টন, লুক্ৰেচিয়া মট, জ'ন ল'ক, ষ্টুৱাৰ্ট মিল, হেৰী টেলচ আদি অন্যতম।

ভাৰতত তথা অসমতো নাৰীৰ ওপৰত চলি অহা অত্যাচাৰ সমূহ ৰোধ কৰিবলৈ পণ্ডিতা ৰামাবাই, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ ,জ্যোতিবা ফুলে ,সাবিত্ৰী বাই ফুলে, চন্দ্ৰ প্ৰভা শইকীয়ানী ,চন্দ্ৰ কুমাৰ আগৰৱালা, আনন্দ ৰাম বৰুৱা ,ভীমৰাও আম্বেদকাৰ আদি বিভিন্ন লোকে অৱদান আগবঢ়াইছে।
ভাৰতৰ বৰ্তমান সময়ৰ নাৰীবাদী সকলৰ ভিতৰত কমলা ভাচিন অন্যতম।
পুৰুষতান্ত্ৰিক ভাৱধাৰাৰ ফলশ্ৰুতিতেই পৃথিৱীৰ বিভিন্ন ঠাইত সংস্কৃতি তথা পৰম্পৰাৰ নামত সৃষ্টি হয় মহিলাৰ ওপৰত অত্যাচাৰৰ । এই পুৰুষতান্ত্ৰিক মানসিকতাৰে পৰিপুষ্ট ভাৱধাৰায়ে জন্ম দিয়ে আফ্ৰিকাত **Genital Mutalition** ৰ, চীনত **Foot Binding** ৰ ,ভাৰততো যৌতুক প্ৰথা, ডাইনী, বাল্যবিবাহ,সতীদাহ ,দেৱদাসী ইত্যাদিৰ দৰে প্ৰথাৰ।

নাৰীবাদে প্ৰথমৰে পৰাই এই কু সংস্কাৰ সমূহৰ বিৰোধিতা কৰি আহিছে। পুৰুষতান্ত্ৰিক মানসিকতাই সহজ কৰি পেলোৱাৰ পৰিপ্ৰেক্ষিতত মহিলাৰ ওপৰত ধৰ্ষণ, বোৱাৰী হত্যা, এচিড আক্ৰমণ ,গাৰ্হস্থ্য হিংসা, শাৰীৰিক অপদস্তকে আৰম্ভ কৰি বিভিন্ন ধৰণে শাৰীৰিক বা মানসিক ভাৱে অত্যাচাৰ হয় । নাৰীবাদৰ মতে এই অপৰাধ সমূহক লিংগ বৈষম্য ভিত্তিক সামাজিকীকৰণ পক্ৰিয়াই সাৰ পানী যোগাই। গতিকে আমি আমাৰ মানসিকতা সলনি কৰি, উৎকৃষ্ট মানসিকতাৰে এই অপৰাধ সমূহ সমাজৰ পৰা নিৰ্মূল কৰাৰ বাবে চেষ্টা কৰিব লাগে। ন'হলে অপৰাধ সমূহ সংঘটিত হৈ থকাৰ পাছত দোষীক শাস্তি দিবৰ বাবে চিঞৰি সমাজৰ প্ৰকৃত উৎকৰ্ষ সাধন কৰিব নোৱাৰি ।

নাৰীবাদে সপোন দেখে পুৰুষতান্ত্ৰিকতা বিহীন এখনি ধৰণীৰ প্ৰতিষ্ঠা কৰাৰ ,নাৰীবাদে বিচাৰে সমতাৰ গান গাবলৈ, নাৰীবাদে বিচাৰে সমাজৰ উৎকৰ্ষ সাধন কৰিবলৈ। নাৰীবাদৰ মতে," নাৰীৰ উত্থান মানে পুৰুষৰ পতন নহয়" । পুৰুষতান্ত্ৰিকতাই যিদৰে মানুহৰ উশাহক চেপি ৰাখিছে, নাৰীবাদে বিচাৰে লিংগ বৈষম্য হীন ভাৱে সকলোকে মুক্ত আকাশৰ তলত উশাহ ল'বলৈ দিবলৈ।পুৰুষতান্ত্ৰিক ভাৱধাৰাৰ বিৰোধিতাৰে নাৰীবাদ আগবাঢ়ি যাব বিচাৰে সমাজৰ উন্নয়নৰ স্বাৰ্থত, সমতাৰ জয়গান গাই।।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# Developing A Clear Focus--Purpose, Values and Vision

**ANKIT SEN**
**Alumni, Department of Commerce**
**Dibrugarh University**

The key to fundamental transformation in the self is to develop a clear focus which is also a key to self –leadership in our era of 'digital distractions' and 'brain fog'. Our focus is invaded by the sheer amount of information we need to process, information availability and understanding which one is the real priority.

A clear focus is required to guide our life activities on the basis of a clear sense of purpose, values and vision. Some five thousand years ago, India had an ancient cultural heritage of gurukul. In this gurukul Sri Ram and Sri Krishna also went for their education. What were they taught in this gurukul? Through the spiritual insights the guru guided them to focus and identify their value system and function on the basis of those values. They were taught the art of self-management so that when they take the reins of their kingdom in their own hands, they rule the kingdom with responsibility, commitment and at the same time be motivated to lead and inspire their subjects through their own example.

Life can be centered on work, money, power, family, society and there are many ways to make short term gains. By identifying our higher purpose and core values we can live from a principle centre that will lead us to a long term effectiveness based on natural laws. Most of us are not aware of the qualities we possess and seek the strength from outside. Focusing and accessing these inner qualities is process we call 'Personal Re-engineering'. In order to be a successful manager, one has to b an effective leader. The difference between a manager and a leader is that the manager stays at the back and pushes people in to the system, while a leader stand in the front and pulls the people along with him.

When we focus on abundance, our life will be abundant; when we focus on lack, our life will feel lacking. In case we have a lacking feeling towards life, all it takes is a change of focus. Instead of disparaging what we have, because we feel it's not enough, we need to start appreciating what we have now. No matter how many good things are lavished upon us in life, unless we are grateful for them, we are still beggars at heart.

There is a beautiful phrase which says "know your enemy and know thyself...if you know yourself but not the enemy, for every battle you win, you will experience defeat. If you know enemy but not yourself, again defeat awaits you. If you don't know yourself and you don't know your enemy, victory will elude you forever". Hence, we need to be realistic about the problems and limitations that exist in our lives in order to overcome them. We must not only be focused about the barriers presented by external circumstances or people, but we must also be aware of our own limitations. We may have the focus clear and also the capabilities but if we lack the will-power, then we would bring the change but probably will not be able to sustain the effort as we will be lacking in will-power. If we have a clear driving focus in life and lot of will power to back it up, we will soon develop the skills and capabilities we need to make it happen.

There is a beautiful story that illustrates the importance of identifying our purpose so that we make our life more purposeful. Long ago when the Dilwara temple is being built two sculptors were cutting the stone and working on it. A wise old man was walking one day in search, of the meaning of life and of the lives of those with whom he shared this earth. Eventually he came across the two men who were working. He went up to a very tired hard-working man who was chipping away a huge stone. The old man asked him-"what are you doing my friend?" the man replied in a non-friendly manner-"what does it look like! I have got to beak this entire rock till evening." The old man felt sorry that this man was so unhappy about his work, so moving on he came up to the other person doing exactly the same job as the first. But this man seemed so happy and contented-whistling away, working busily, so the old man asked him what are you doing my friend? The man looked up and smiled and replied I am building a temple. Both men were doing the same job but ye second one who clearly understood his purpose of work and he was happy, enthusiastic and enjoying his work, while the first man who had no clear understanding about the purpose of his work was labouring in life, without enthusiasm, enjoyment and there was no job satisfaction. By the end of the day, he was burnt out of energy.

From the above said story it is clear that our purpose affects the way we work, live, being in the world and the results we achieve. Purpose means to follow the intuition and do the things that really matter so that we use our resources and talents for the greater good and explore what is meaningful. Our actions don't support our purpose when they are not guided by value or there is tern incapacity to express the value correctly. When purpose is the course we have set for our journey, then vision is the destination. Vision is the secret of taking charge of change as we don't minds leaving our old house when there is a new house to go to. Our vision is not about having more but about being more. Purpose gives meaning to our vision and values helps us to remember what is most important to us as we go about reaching our vision. Even though we may be assailed with facts and logical arguments, even though we may be subjected to all sorts of emotional pressures, if we are focused. We will remain stable and strong and will be able to take the right decisions at the right time.

## BETTER START LIVING

There was a very cautious man,
Who never laughed or played,
He never risked, he never tried,
He never snag or prayed.
And when one day he passed away,
His insurance was denied,
For since he never really lived,
They claimed he never died.

--Anonymous

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# জাতীয় অৰ্থনীতি অবিহনে কোনো জাতি জীয়াই নাথাকে

শ্ৰীমতী কস্তুৰী চুতীয়া
স্নাতক ষষ্ঠ ষাণ্মাসিক
ইংৰাজী বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়

দৃশ্যপট ১:
Covid-19 য়ে সৃষ্টি কৰা অচলাৱস্হাৰ পৰিপ্ৰেক্ষিতত অসমৰ অৰ্থনীতি ৩২,১৬৭ কোটি টকাৰ লোকচানৰ সন্মুখীন ২০২০ বিত্তীয় বৰ্ষত । কৃষি, বন আৰু খনিজ সামগ্ৰীৰ বজাৰত ৮,১৭৫ কোটি টকাৰ লোকচান ।[1] উৎপাদন উদ্যোগত লোকচান ৭,৫৪৬ কোটিৰ, যাতায়ত-পৰিবহন ব্যৱস্হাত ১৭১১ কোটি টকাৰ লোকচান । ২০২১ চনৰ Covid ৰ দ্বিতীয় ঢৌয়ে ককাঁল ভাঙিছে ব্যৱসায়ীৰ । প্ৰস্তুত নহয় অধিকাংশ ।

দৃশ্যপট ২: ২০১৯-২০ বৰ্ষৰ "অসম বিত্তীয় সমীক্ষা" (Assam Economic Survey) ৰ তথ্য অনুসৰি বৰ্ষটোৰ GSDP বৃদ্ধিৰ হাৰ ৮.৫% । ২০১৫-১৬ চনত GSDP আছিল প্ৰায় ২.২৬ ট্ৰিলিয়ন । ২০২০-২১ ত প্ৰায় ৪.০৯% ট্ৰিলিয়নৰ GSDP অনুমেয় । ইয়াত কৃষিৰ অৱদান ১৭%, উদ্যোগৰ ৩৯% আৰু অন্যান্যৰ ৪৪% ।[2] কৃষি, উদ্যোগ প্ৰভৃতি প্ৰতিটো খণ্ডৰ ক্ষেত্ৰতে অসমত এতিয়াও উদ্যমীৰ বাবে নিয়োগৰ অজস্ৰ সম্ভাৱনা ।

দৃশ্যপট ৩: CEBR (Centre for Rconomic and Business Research) য়ে ২০২০ বৰ্ষত আশা ব্যক্ত কৰে যে ২০৩০ চন পৰ্য্যন্ত ভাৰতবৰ্ষ বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিত পৰিণত হ'ব ।[3] একে সময়তে ভাৰতৰ মূৰত আছে বৃহৎ বিত্তীয় ঋণৰ বোজা । এনে পৰিস্হিতিটো কিছু সংখ্যক উদ্যমীৰ সফল উত্থান । আনহাতে বিপদত সাধাৰণ জনতা ।

"স্বাধীন অসমৰ অৰ্থনীতি" গ্ৰন্হত পৰাগ কুমাৰ দাসে লিখিছিল- "জাতীয় প্ৰেম কেতিয়াও সংকীৰ্ণতাবাদ নহয়, বৰং ই সমূহীয়া জীৱনযাত্ৰাৰ এক শৃংখলাবদ্ধ প্ৰকাশহে ।" একেখন গ্ৰন্হতে পৰাগ কুমাৰ দাসে আকৌ লিখিছিল," স্বতন্ত্ৰ অৰ্থনীতিৰ মূল সূত্ৰ হৈছে স্বচ্ছল শান্তিপূৰ্ণ উদ্বেগবিহীন জীৱন-যাপনৰ বাবে যিখিনি নিত্য- ব্যৱহাৰ্যৰ প্ৰয়োজন,তাৰ যোগান পাৰ্যমানে ঘৰুৱা অৰ্থনীতিয়ে নিশ্চিত কৰা ।"
অসমত যেতিয়াৰ পৰা জাতীয়তাবাদ, আঞ্চলিকতাবাদ, জাতিসত্ত্বা আদিৰ প্ৰসংগত গণসচেতনতা জাগ্ৰত হৈছে, তেতিয়াৰ পৰাই এক শক্তিশালী জাতীয় অৰ্থনীতিৰো পোষকতা হৈছে ।
স্বাভাৱিকভাৱেই সময়, বজাৰ, সংস্কৃতি আৰু মানুহৰ জীৱনশৈলী সলনি হৈছে । হেম বৰুৱাই "বিহুৱা চৰাইয়ে বিহু বিহু কৰে"[4] প্ৰৱন্ধত ঠিকেই লিখিছিল , "অৰ্থনীতিৰ ফালৰ পৰা আদিম মানুহৰ সমাজ সহজ আছিল । আজিৰ দৰে ই অকণো জটিল নাছিল ।" একবিংশ শতিকাত উদ্যোগীকৰণৰ উত্থানত, গোলকীয় পৃথিৱীত অৰ্থনৈতিক দৌৰা-ঢপৰাৰ তীব্ৰ প্ৰতিদ্বন্দী প্ৰতিখন দেশ, প্ৰতিখন ৰাজ্য, প্ৰতিটো জাতি । আজিৰ গণ-সংস্কৃতি বনুৱা সমাজৰ সংস্কৃতি । এনে ক্ষেত্ৰত জাতীয় অৰ্থনীতি টনকিয়াল নহ'লে জাতিৰ অৱক্ষয় স্বতঃ স্ফুত প্ৰক্ৰিয়া ।

"আন্দোলন" এটা জাতিৰ চেতনাৰ জাগৰণ, অসমৰ "ভাষা আন্দোলন", "মাধ্যম আন্দোলন", "অসম আন্দোলন" তেনে প্ৰবুদ্ধ চেতনাৰ অংকুৰণ আছিল : যি পূৰ্ণতা আজিও নাপালে । অৰ্থনীতিৰ সবল ভেটিৰ অভাৱেই এই জাতীয় চেতনাৰ বটবৃক্ষক দুৰ্বল কৰি তুলিলে । সেয়ে, এই সময় মানৱ সম্পদৰ দ্বাৰা অৰ্থনৈতিক জাগৰণৰ ।

বাস্তৱ জীৱনত বাণিজ্যৰ পাঠসমূহ কবিতাৰ মাধুৰ্য্যতকৈ অধিক ফলপ্ৰসু । অৰ্থনীতিবিদ থমাছ গ্ৰেৰ সাৰ্থক উক্তি আছিল, "বাণিজ্যই দেশৰ ভৱিষ্যত নিৰ্ণয় কৰে ।" তাহানিৰ "ব্যৱসায়, বাণিজ্য, বসতি লক্ষ্মী" কথাষাৰ আজিৰ প্ৰজন্মই পদে পদে আনুভৱ কৰে । সবল অৰ্থনীতিয়ে দেশৰ মানৱ সম্পদৰ চাহিদা পূৰণ কৰি জীৱনধাৰণৰ মানদণ্ড উন্নীতকৰণ কৰে আৰু "ভূমি", "শ্ৰম", "মূলধন" আৰু "উদ্যোগ"ৰ উৎকৃষ্ট প্ৰয়োগেৰে দেশৰ ভৱিষ্যৎ  সুনিশ্চিত কৰে । ভাৰতবৰ্ষৰ ক্ষেত্ৰত বৈদিক যুগৰ পৰাই মিছৰ আৰৱ বেবিলন আদিৰ সৈতে অৰ্থনৈতিক সম্পৰ্কই দেশৰ শ্ৰীবৃদ্ধিত প্ৰভাৱ বিস্তাৰ কৰি আহিছে । সেয়ে হয়তু, কৌটিল্যই কৈ গৈছিল,
"ধনিকঃ শ্ৰৌত্ৰিয়ৌ ৰাজা নদী বৈদ্যস্তু পঞ্চমঃ
পঞ্চ য়ত্ৰ ন বিদ্যন্তে ন তত্ৰ দিবসে বসেত ।।"

একবিংশ শতিকাত আজি অৰ্থনীতিকে দেশৰ উন্নত অৱস্হাৰ অন্যতম মূল মাপকাঠীৰূপে গণ্য কৰা হৈছে । এনে অৱস্হাত এটা জাতি বৰ্তি থাকিবৰ বাবে অৰ্থনীতি টনকিয়াল হোৱাটো নিৰ্দেশক ।

অসমৰ ক্ষেত্ৰত  ৩ কোটি ৫৫ লাখৰো অধিক জনগণ আছে । ইয়াৰে প্ৰায় ৪৮.৮% অসমীয়া ভাষী । এই জনগণৰ ১৫ লাখতকৈ অধিক নিবনুৱা বুলি ২০১৭ চনৰ সমীক্ষাত পোহৰলৈ আহে ।[5] ২০১৮ ত এই সংখ্যা বাঢ়ি ২০ লাখ হয়গৈ ।[6] Covid ৰ পৰিপেক্ষিতত ২০20 চনত অসমৰ নিবনুৱা সমস্যা প্ৰায় ১১.১% বৃদ্ধি হৈ চিন্তনীয় ৰূপ পাই আৰু নিয়োগ প্ৰক্ৰিয়াত তীব্ৰ প্ৰতিদ্বন্দিতাৰ সৃষ্টি হয় ।[7] ইয়াৰ পূৰ্বে অসমত নিবনুৱা বৃদ্ধিৰ হাৰ আছিল ০.৭% যেতিয়া ২০১৬ চনত CMIE য়ে অসমত সমীক্ষা চলাইছিল । এনে পৰিস্হিতিত নিয়োগ সৃষ্টি এক প্ৰত্যাহ্বান । কিন্তু, অসমৰ ভৱিষ্যতৰ স্বাৰ্থত এনে প্ৰত্যাহ্বান প্ৰজন্মই গ্ৰহণ কৰিবই লাগিব ।

ভৱেন্দ্ৰ নাথ শইকীয়া দেৱে ২000 চনতে জুন মাহত প্ৰান্তিকৰ পাতত লিখিছিল, "শস্যই তেওঁলোকৰ জীৱন পূৰ্ণ কৰিব নোৱাৰিবনে ?" তেখেত তেতিয়াই অনুভৱ কৰিছিল বাৰীৰ তামোল -পাণ, পুখুৰীৰ মাছ আৰু পথাৰৰ ধানত সীমাবদ্ধ নাথকি পেটে-ভাতে খাই থকাৰ পৰিৱৰ্তে শস্য হ'ব পাৰে সৱল স্বাৱলম্বন । ইয়াৰ পাছতো আজি পৰ্যন্ত মাছ, মাংস, কণী, কাপোৰৰ পৰা ফল-মূল পৰ্য্যন্ত বহিঃ ৰাজ্যৰ পৰা আমদানি কৰিহে অসমৰ চাহিদা পূৰণ কৰি অহা হৈছে । অৱশ্যে, নতুন প্ৰজন্মৰ উদ্যোগী, কৃষক তথা ব্যৱসায়ীসকলে যথেষ্ট  আশাৰ বতৰা কঢ়িয়াইছে । স্বাস্হ্য, শিক্ষা, কৃষি, পৰ্যটন, মনোৰঞ্জন আদি উদ্যোগসমূহত নৱ সংযোজন নিতৌ সংযোজিত হৈছে ।

ডাট'পান্ট ঠেংগাডীয়ে ১৯৯০ চনত তৰ্ক আগবঢ়াইছিল যে, "স্বদেশী ভাৰতৰ বাবে অন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দৌৰত শ্ৰেষ্ঠত্ব লাভৰ একমাত্ৰ পথ । আদাম স্মিথ আৰু ৰিকাৰ্ডৰ "free trade policy" বা "মুক্ত বাণিজ্য নীতি" ভাৰতৰ দৰে দেশত বিশেষ সুফলদায়ক নহয় । পৰাগ কুমাৰ দাসেও স্বাধীন অৰ্থনীতিত নিজৰ প্ৰয়োজনীয় সামগ্ৰী নিজে প্ৰস্তুত কৰাৰ পোষকতা কৰিছে । ভাৰতৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰীয়েও আত্মনিৰ্ভৰশীল ভাৰতৰ পোষকতা কৰিছে । মূলতঃ ইয়াৰ উদ্দেশ্য হৈছে থলুৱাৰ হাতত বজাৰ অৰ্পণৰ দ্বাৰা অৰ্থনীতি টনকিয়াল কৰা । ধূপকাঠিৰ পৰা কফিলৈকে, আমৰ পৰা " ক্ৰেনবেৰী" পৰ্যন্ত, আচবাবৰ পৰা যান-বাহনলৈকে আমাৰ চাহিদাসমূহ ভাৰতীয় উৎপাদিত সামগ্ৰীয়ে উচিত মূল্যত পূৰণ কৰিব পাৰিলে স্বাভাৱিকতে অৰ্থনীতিয়ে নতুন গতিশীলতা লাভ কৰিব ।

অসমৰ ক্ষেত্ৰত জাতি গঠন প্ৰক্ৰিয়াটো বহু জনগোষ্ঠীৰ সমন্বয়ৰ ফচল । ইতিহাসে কয় কৃষি প্ৰধান জনজাতিৰ গৌৰৱোজ্জ্বল ইতিহাস । কিন্তু, কেৱল ইতিহাসে জাতি সৱল নকৰে যদিহে প্ৰতিজন মানুহে লাভ নকৰে ভাত, কাপোৰ, ঘৰ ।

যদি জুহালত জুই নজ্বলে আৱেগ আৰু আন্দোলনে জাতি জীয়াই নাৰাখে। যদি শিক্ষাৰ খৰচ বহন কৰিব নোৱাৰে প্ৰজন্মই, ৰোগৰ চিকিৎসা খৰচ বহন কৰিব নোৱাৰে বা কৰিব নোৱাৰে জাৰৰ-জহৰ কাপোৰ সাজৰ যোগাৰ, জাতিৰ প্ৰতি থকা অন্তহীন ভালপোৱাৰ পাছতো হতাশাৰ এটা "প্ৰশ্নবোধক" থাকি যাব যি জাতিটোক দুৰ্বল কৰি তুলিব। সেয়ে, পথাৰবোৰ আমৰ হওক, বজাৰবোৰ আমৰ হওক, উদ্যোগবোৰ আমাৰ হওক; বিকশিত অৰ্থনীতি আমাৰ হওক। কাৰণ, জাতীয় অৰ্থনীতি অবিহনে কোনো জাতি জীয়াই নাথাকে।

প্ৰসংগসমূহঃ


(1) The Sentinel; "04-06-2020" সংখ্যা।

(2) India Today; মাৰ্চ, ২০২১ সংখ্যা।

(3) The sentinel ৰ ২৭ ডিচেম্বৰ সংখ্যা।

(4) সানমিহলি; লেখক-হেম বৰুৱা

(5) "The Hindu", ২০১৭ চন

(6) "The Sentinel" ৰ ২০১৮ চনৰ ২৯ নৱেম্বৰ সংখ্যা।

(7) Centre for Monitoring Indian Economy (CMIE) Survey report ৰ তথ্য অনুসৰি।

# গল্প

নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

# শিউ - চাহাব

কৌশিক ৰঞ্জন বৰা
প্ৰায়োগিক ভূ-তত্ত্ব বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

টোপনিবিহীন ৰাতিটোৰ পিছত ক্ৰমশঃ সাৰ পাই উঠিছে শুই থকা চহৰখনে। খিৰিকীৰ পৰ্দাখন গুচাই লাহেকৈ জুমি চাও বাহিৰৰ পৃথিৱীখন। যোৱা দুদিনৰ বৰষুণত মুজুৰা পৰি থকা পৰা লাহেকৈ মূৰ ডাঙি উঠিছে যোৱা সপ্তাহত দেবুৱে ৰোৱা বেলিফুলৰ পুলি কেইটা। চোতালখনত কিছিৰ মিছিৰ কৰি থকা চৰাইজাকটো, খিৰিকীৰ সিপাৰৰ ৰাজপথটোত টিউচন কৰিবলৈ অহা কিশোৰ - কিশোৰীৰ জাকবোৰ আৰু প্ৰাতঃ ভ্ৰমণৰ বাবে ওলাই অহা মানুহবোৰৰ লৰা ধপৰাই ৰাতিপুৱাৰ সময়খিনি ব্যস্ত কৰি তুলিছে। খিৰিকীৰ পৰা চকু আতৰাই আনি দেৱালৰ ঘড়ীটোলৈ চালোঁ। ৬.৫০.. এতিয়াও দেবু ঘৰ সোমোৱাহি নাই ।

পৰহি ৰাতিৰ কাজিয়া খনৰ পাছত যোৱা চৌবিশ ঘন্টা জুৰি তাৰ কোনো খবৰ মই পোৱা নাই। যোৱা কালি কাহিলী পুৱাতে আমাৰ চহৰখনৰ পশ্চিম প্ৰান্তত থকা সংৰক্ষিত বনাঞ্চলখনৰ বছৰেকীয়া জন্তুৰ পিয়লৰ কামত ওলাই যোৱাৰ পৰাই মোৰ ফোন ৰিচিভ কৰাতো দুৰৰে কথা এটা মিচড কলো পোৱা নাই।

এইয়া তাৰ ব্যস্ততা নে ব্যস্ততাৰ অজুহাত?

বিছনাতে আউজি ম'বাইলফোনটো হাতত লৈ আকৌ এবাৰ দেবুলৈ সংযোগ স্থাপনৰ চেষ্টা কৰিলোঁ। "দ্য নাম্বাৰ ইউ হেভ ডায়েলড ইজ চুইটচ অফ অৰ আউট অফ নেটৱৰ্ক কভাৰেজ প্লিজ ট্ৰাই আফটাৰ চাম টাইম"। এটি কৰ্কশ যান্ত্ৰিক মাত ভাঁহি আহিল।

প্ৰচণ্ড খঙেৰে ম'বাইলটো বিছনাখনলৈ দলিয়াই দিবলৈ লৈ হঠাৎ দেউতাৰ পৰা অহা মেচেজটো দেখি বৈ গ'লোঁ।
" মাজনী তই সুখী নে?"
ম'বাইলৰ স্ক্ৰীণত ভাঁহি থকা যান্ত্ৰিক আখৰকেইটা চাই কিছু সময় শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ'লোঁ।

চিনাকি যেন লগা প্ৰশ্ন। কেতিয়া শুনিছিলোঁ এই প্ৰশ্ন... চকু কেইটা মুদি মনত পেলাবলৈ যত্ন কৰিলোঁ।
ৰেবতী পেহী..
এৰা ত্ৰিশ বছৰৰ পূৰ্বে ৰেবতী পেহীও সন্মুখীন হৈছিল
সেই একেই উত্তৰ বিহীন প্ৰশ্নৰ। মাথোঁ ভিন্ন কেৱল সময়...

জুৰা আৰু ভাঙৰ নিচাত লাওলোৰা হোৱা জগত পেহাই পেহীক ঘৰলৈ খেদি দিয়াৰ পাছত আকৌ জগত পেহাৰ ওচৰলৈ উভতি যাবলৈ ওলোৱা পেহীক দেউতাই সেই একেটা প্ৰশ্নকে কৰিছিল। দুৱাৰখনৰ আঁৰত বৈ থকাৰ পৰাই অলপ স্পষ্ট অলপ অস্পষ্টকৈ শুনিছিলোঁ দেউতাৰ গলগলীয়া মাতসাৰ
" ৰেৱতী, তই সুখীনে?"
পেহীয়ে কি উত্তৰ দিছিল মোৰ মনত নাই। হয়তো মুৰ দুপিয়াইছিল পেহীয়ে ...

কিন্তু আজি কিয় দেউতাই মোৰ আগতো দোহাৰিছে সেই একেই বছৰ পুৰণি প্ৰশ্নটো।

সঁচাই মই দেবুৰ লগত সুখীনে! এইবাৰ প্ৰশ্নটো মই নিজক সুধিলোঁ। অতবোৰ শূণ্যতাৰ মাজত ডুবি থাকিয়ো দেবুয়ে মোৰ হাতত গুজি দিছে ভেনগঘৰ বেলিফুলৰ থোপা। এমুঠি সেউজীয়াৰে নকৈ সজাই তুলিছে মোৰ কনমানি পৃথিবীখন।
অথচ মাজে মাজে তাৰ কিয় ইমান অৱহেলা?আন বহুতৰ দৰে বহুত কিবা বিচাৰিছিল নেকি মই? মাত্ৰ অকণমান সময়; অকণমান গুৰুত্ব,বচ্ সিমানেই।

কিন্তু দেবুৰ আজিকালি সময় গুৰুত্ব সকলোবোৰৰেই অভাৱ।পৃথিৱীৰ সমস্ত মানুহৰ খবৰ ৰাখি থকাৰ পৰত তাৰ একমিনিটৰ সময়ৰ নাটনি মোলৈ।একাপ চাহ একেলগে বহি খাবলৈ সময় নোহোৱা কিমান দিন হৈ গৈছে?অকল অৰণ্য আৰু সাপ বোৰেই যেন তাৰ পৃথিৱী।

বিছনাৰ পৰা নামি নিত্য নৈমিত্তিক কামবোৰ কৰিবলৈ ধৰিলোঁ। কামনো কি! সেই একেবোৰে কামেই যোৱা তিনিবছৰে কৰি আহিছো । ভাত বনোৱা, বোকাৰে লুতুৰি পুতুৰি হৈ থকা দেবুৰ কাপোৰ ধোৱা, বিভিন্ন ঠাইপৰা আনি দেবু য়ে ৰোৱা নানা তৰহৰ ফুলবোৰত পানী দিয়া এইবোৰেই কাম....,
আকৌ এবাৰ তালৈ ফোন লগালোঁ। নাই চুইটচ অফ। ইমানেই গুৰুত্বহীন হৈ পৰিছো নে মই তাৰ জীৱনটোত! সময়ৰ প্ৰকোপত , কৰ্মজীৱনৰ প্ৰভাৱত এনেকৈও সলনি হয়নে মানুহ! মই ভাবি আচৰিত হ'লো কিদৰে সলনি হয় সময়, কেনেকৈ বাৰু সলনি হয় মানুহ।

অলপ বৈ মনত পেলাবলৈ চেষ্টা কৰিলোঁ যোৱা এমাহত শেষবাৰলৈ তাৰ হাতখন কোনদিনা স্পৰ্শ কৰাৰ সুযোগ পাইছিল মই ।আজিকালি এই কথাবোৰ নিতৌ নৈমিত্তিক ঘটনা হৈ পৰিছে। ৰাতি দুপৰত দেবু আহিছে,টিফিনৰ পৰা খোৱা বস্তু উলিয়াই গৰম কৰি খাইছে আৰু শুই পৰিছে। ৰাতিপুৱা মই সাৰ পোৱাৰ আগতেই সি ওলাই গুচি গৈছে পুনৰ।
কি কৰিম মই? প্ৰিয়জনৰ মুখখন চাবলৈও যে হাবাথুৰি খাবলগীয়া অৱস্থা।

বেৰত আঁৰি থোৱা হালধীয়া **Eyelash Viper** ৰ ফটো খন চকুত পৰাত হঠাতে মনলৈ আহিল ইউনিভাৰ্চিটিৰ সেই বিশেষ দিনটোৰ কথা।

:" ইস্, এইটো সাপ"!
ডিপাৰ্টমেন্টৰ পৰা ওলাই কেন্টিন লৈ গৈ থাকোতে হঠাতে আমাৰ সন্মুখত আহি সাপটো দেখি ভয়ত সিয়ৰি উঠিছিলোঁ মই।
:" সাপলৈ নো ভয় কৰে নে?"
মোৰ আচৰণ দেখি ভুত দেখা মানুহৰ দৰে সি মোক প্ৰশ্ন কৰিছিল।
:" ইস্ , কিয় নকৰিম ! দেখা নাই কিমান ভয় লগা!"
মোৰ চকুত তেতিয়াও আতংক মাৰ যোৱা নাই।

" উহো, সাপলৈ ভয় কৰিব লগীয়া একো নাই।সকলো সাপেই বিষাক্ত নহয়তো।জানা বনানী , উত্তৰ পূৰত প্ৰায় ৮ গোত্ৰৰ অন্তৰ্গত ৩৪ টা জাতিৰ প্ৰায় ১১০ টা প্ৰজাতিৰো সাপ আছে।অসমত প্ৰায় ৫৮ বিধ সাপৰ প্ৰজাতি পোৱা যায়। কিন্তু ইয়াৰে মাত্ৰ ১৪ বিধ সাপহে বিষাক্ত। মই সাপক ভয় নকৰো, অন্ততঃ মানুহতকৈ সিহঁত কম ভয়ানক।"
কেন্টিন পোৱালৈকে গোটেই বাটটো সি তন্ময় হৈ কৈ গৈছিল কথাবোৰ।
আৰু মই, আচৰিত হৈ চাই ৰৈছিলোঁ সাপ ভাল পোৱা ল'ৰাটোৰ মুখখনলৈ।

শিৱৰ দৰে আপোনভোলা মানুহ বোৰক ভাল পাবলৈ সহজ কিন্তু সিহঁতক মৰমেৰে আৱৰি থাকিবলৈ বৰ কষ্ট।বৰ কষ্ট।...
কৰবাত পঢ়িছিলোঁ কথাখিনি। কথাখিনি মনত পৰাত কিয় জানো বাৰে বাৰে আজি পেহীলৈ মনত পৰিছে। জীয়ৰী কালত শিৱৰ দৰে স্বামী পোৱাৰ বাবে প্ৰতি সোমবাৰে ব্ৰত ৰখা পেহীয়ে পাইছিল নে শিৱৰ দৰে পতি। জুৱাখেলত সৰ্বস্বান্ত হৈ ভাঙত ঢুলঢুলীয়া চকুৰে ঘৰ সোমোৱা জগত পেহাৰ মাজত পেহীয়ে বিছাৰি পাইছিল নেকি আশুতোষক।

সুখী আছিল নে পেহী জগত পেহাৰ লগত? ভাঙৰ নিছাত মাতাল পেহাৰ অত্যাচাৰ বোৰ সহ্য কৰিও কিয় পেহীয়ে দেউতাক দৃঢ়তাৰে কৈছিল জগত পেহাৰ সৈতে সুখী বুলি। কিয় নৰক যাত্ৰাকে আহ্বান কৰিছিল পেহীয়ে। সেয়া পেহীৰ প্ৰেম আছিল নে আন কিবা! সুধিম সুধিম বুলিও অতদিনেপেহীক সোধা নহ'ল কথাটি।

প্ৰেম মানেই সুখ নেকি? নে ই এক নিছা অথবা এৰো বুলিও এৰাব নোৱাৰা এক অভ্যাস..
নিজৰ অলক্ষিতে ময়ো দেবুৰ ৰূপত শিৱকেই ভাল পাইছিলোঁ নেকি। কিন্তু ময়ো জানো আৱৰি ৰাখিব পাৰিছোঁ শিৱক। তেন্তে অন্তৰ উজাৰি দেবুক ভাল পোৱাৰ পাছতো কিয় দেউতাক ক'ব পৰা নাই মই সুখী বুলি । আকুণ্ঠ প্ৰেমত ডুবি থকিও মই মাজে মাজে কিয় অনুভৱ কৰোঁ এক বিশাল শূণ্যতা ।
দেউতাৰ মেচেজটো পঢ়ি চাই আকৌ এবাৰ মই নিজকে প্ৰশ্ন কৰিলোঁ
:" মই সুখীনে ?"
এই প্ৰশ্নটোৰ প্ৰশ্নবোধক চিহ্নটোতে ওলমি আছে নেকি মোৰ ভাল পোৱাৰ পৃথিৱীখন।

বিশ্ববিদ্যালয় জীৱনৰ শেষৰ ফালে দেবুৰ আৱৰ্তনতে জীৱনটো পাৰ কৰিম বুলি মই সিদ্ধান্ত লোৱাৰ সময়খিনিতে অনুমান কৰিব পাৰিছিলো তাৰ ভিতৰত সোমাই থকা সেউজীয়া কাহিনী বোৰ। Environmental sociology ৰ তত্ত্ববোৰ তাৰ বাবে কেৱল কিতাপৰ মাজতেই সীমাবদ্ধ নাছিল।কিন্তু তেতিয়া মই সপোনতো ভবা নাছিলোঁ তাৰ লগতে ময়ো আজীৱন কঢ়িয়াই ফুৰিব লাগিব সেই সেউজীয়া কাহিনী বোৰ।

সেইদিনবোৰ হঠাতে মোৰ চকুৰ আগত ভাঁহি উঠিল। এবাৰ যে বিশ্ববিদ্যালয়ৰ পদপথ নিৰ্মাণত লাগি থকা শ্ৰমিকৰ দল এটাই কোবাই কোবাই মাৰি পেলোৱা ফেটীঁ সাপটোক সাবটি ধৰি ক্ষোভত সি চিঞৰি উঠিছিল
:" ইহঁতক নামাৰিব। ইহঁত তেনেই সৰল জীৱ।"
তাৰ কৰ্পি উঠা চকুহাললৈ থৰ লাগি চাই ৰওতে সেইদিনা মোৰো মনলৈ আহিছিল সৰু বাইদেউৰ বিয়াৰ ৰভা দিবলৈ বুলি কাটি পেলোৱা মই ৰোৱা বকুল জোপাৰ কথা। কাৰণ বকুল জোপা কটাৰ দিনা ময়ো এইদৰেই কান্দিছিলোঁ.. হুৰাহৰে কান্দিছিলোঁ। ফুলি উঠিবলৈ নাপাওতেই কাটি পেলোৱা বকুলজোপাৰ দুখত কান্দিছিলোঁ নে বাইদেউক দুনাই ঘৰখনত নোপোৱাৰ দুখত।মোৰ চকুলো ওলাইছিল মই ধৰিব পৰা নাছিলোঁ। কিন্তু কান্দিছিলোঁ....

আজিও চোন চকুৰ পানীখিনিক নিয়ন্ত্ৰণ কৰিব পৰা নাই। এয়া কিহৰ চকুপানী খঙ , ক্ষোভ নে হতাশাৰ মই নিজেই উমান পোৱা নাই...।
চকুদুটা মোহাৰি আকাশখনলৈ চালোঁ। এদিন আকাশখনলৈ আঙুলিয়াই দেবুয়ে কৈছিল
: " কেতিয়াবা দুখ লাগিলে আকাশলৈ চাবা। ইয়াৰ বিশালতাই তোমাক ভবাই তুলিব এই বিশাল বিশ্ব-ব্ৰহ্মাণ্ডৰ তুলনাত আমি বোৰ কিমান তুচ্ছ।"

আকাশখন তেতিয়া ডাৱৰীয়া হৈ আহিছে থিক মোৰ অন্তৰৰ দৰেই। হয়তো অলপ পাছতে বৰষুণ দিব। ধুমুহাও আহিব পাৰে।

ৰ'দত শুকাবলৈ বুলি মেলি থোৱা কাপোৰ বোৰ লৰা লৰিকৈ সামৰি সুতৰি ভিতৰলৈ আনি জাপি থাকোঁতে কিবা এটা মনত পৰাৰ দৰে আমাৰ এন জি অ' ৰ সদস্য অভিনবলৈ লগালো। অভিনবো এন জি অ'ৰ ফালৰ পৰাই অভয়াৰণ্য খনৰ বছৰেকীয়া জন্তুৰ পিয়লৰ বাবে দেবুৰ লগত সিও গৈছে।
.
:" অভিনৱ, তোমালোকৰ কাম শেষ হোৱাই নাই নেকি? দেবুও আছে নেকি তোমাৰ লগত?"

:" হেল্ল , বনানী, আমিতো কেতিয়াবাই আহিলোঁ, দেবব্ৰতো পাবগৈয়ে হ'ল সম্ভৱ। তথাপি বেছি দেৰি হ'লে তুমি ফৰেষ্ট ডিপাৰ্টমেন্টৰ কোনোবা এজনক সুধি চাবাচোন। জানাই নহয় তাৰ কথা , ঘোষৰ চাহ বাগানত সাপ উলাইছিলে বুলি শুনিছিলো, তালৈকো যাব পাৰে।"

ফোনটো কাটি দিলোঁ...

নাজানো কিয় প্ৰথম বাৰৰ বাবে কিবা ভয় লগা ভাব এটাই মোক জুমুৰি দি ধৰিলে। আকৌ সাপ!

মোৰ আকৌ দেউতাৰ প্ৰশ্নটোলৈ মনত পৰিল। দেউতালৈ ফোনটো কৰিবলৈ লৈও আকৌ এবাৰ ৰৈ গ'লো। কিয় অতবছৰৰ মুৰত সেই একেই প্ৰশ্ন কৰিছে দেউতাই!
দেউতাক কোনোবাই কৈছে নেকি কিছুদিনৰ পৰা বাঢ়ি অহা আমাৰ সংসাৰৰ গণ্ডগোল বোৰৰ কথা । দেউতাই কেনেবাকৈ জানিছে নেকি ৰাতিৰ শৰীৰী খেলাবোৰৰ অসফলতাৰ কথা। দেবুৰ দৰে এটি ত্ৰিশ বছৰীয়া কেচুৱাক ওমলোৱাৰ পিছত আৰু এটা কেঁচুৱা চম্ভালিব নোৱাৰিম বুলি সদ্যহতে মই এৰি দিয়া মাতৃত্বৰ আকাংক্ষাৰ কথা দেউতাই উমান পাইছে নেকি...
যোৱা মাহত এৰাতিৰ বাবে আমাৰ ঘৰৰ আলহী হোৱা দেউতাই কেনেবাকৈ উমান পাইছিল নেকি আমাৰ সংসাৰৰ নিমিলা অংকবোৰৰ কথা।

আকৌ প্ৰশ্নটোতে ওলমি থাকিলোঁ মই।
দেবু আৰু মই কিমান দিন ভাগ বতৰা কৰিছোঁ সুখ- দুখ বোৰ!যোৱা তিনিবছৰে আমি যিমান কথা পাতিছো তাৰ অধিকাংশই হয়তো সাপ বিষয়ক আলোচনা আছিল।
বিয়াৰ প্ৰথম দিনকেইটাত তাৰ মুখত কেৱল বিভিন্ন ধৰণৰ সাপ, সাপ ধৰাৰ কৌশল , সাপৰ বিষ ইত্যাদি কথাবোৰ শুনি শুনি বিৰক্তিৰে তাক কৈছিলোঁ
:" অকল সাপ , সাপ, সাপ। তোমাৰ বাৰু নিজৰ মানুহজনীৰ লগতো সাপৰ বাহিৰে বেলেগ কথা পাতিবলৈ মন নাযায়নে?"

" বনানী, এতিয়া অৰণ্যই মোৰ ঘৰ, মোৰ পৃথিৱী, এই সাপবোৰেই মোৰ জীৱন , মোৰ সকলো।"

:" আৰু মই?তেতিয়া হ'লে মই কোন ?"
কৃতিম খঙত গালদুখন ফুলাই চকুকেইটা ঘোপা কৰি তালৈ চাই কৈছিলোঁ।
আৰু সি মোৰ গাল দুখন চিকুটি পাগলৰ দৰে হাঁহি মোক সাবটি ধৰিছিল।

আস্ ...কি দিন আছিল সেইবোৰ...
বিছনাত বিশৃংখল হৈ থকা কাপোৰৰ দ'মটোৰ পৰা দেবুৰ টি চাৰ্ট এটা বুকুত সুমুৱাই সাবটি ধৰিলোঁ।

দেবুয়ে আগতেও এনেকৈ অৰণ্যৰ কামত খোৱা শোৱা পাহৰি যায়। সাপ আৰু অৰণ্য বুলি ক'লে সি পাহৰি যায় তাৰবাবেই যে অন্তহীন প্ৰতীক্ষাৰে বৈ পদুলিলৈ চাই থাকে কোনোবা।

অচিৰেই ধুমুহা বৰষুণজাক অহাৰ সম্ভাৱনা।অভিনৰে কোৱা মতে সি ইমান সময়ে আহি পাব লাগিছিল । অন্ততঃ আগয়ে পলম হ'লে মোক খবৰ এটা দিয়ে । কিন্তু আজি ? আজিহে সি এনেকুৱা কৰিব লাগে নে। মোক এতিয়া প্ৰশ্নটোৰ উত্তৰ কোনে বিছাৰি দিব!

ফৰেষ্ট অফিচলৈ ফোনটো কৰিবলৈ লৈয়ো কিবা এটা ভাবি ৰৈ গ'লো।

সি জনবসতি পূৰ্ণ ঠাইবোৰৰ পৰা সাপবোৰ উদ্ধাৰ কৰি নিৰাপদ স্থানত মেলি দিয়ে। এই বিষাক্ত প্ৰাণী বিধেও যেন তাৰ মৰম বুজি পাই। সিহঁত যে তাৰেই সহোদৰ। জনঅৰণ্যত যে অলপো নিৰাপদ নহয় সাপবোৰ। কিন্তু সাপ উদ্ধাৰ কৰিবলৈ গৈ বহুবাৰ সি মৃত্যুক স্পৰ্শ কৰি উভতি অহা মই নিজেই দেখিছোঁ।

এবাৰ ওচৰৰে চাহ বাগিচা এখনৰ মেনেজাৰ জনৰ আমন্ত্ৰণ ক্ৰমে সাপ উদ্ধাৰ কৰিবলৈ আমি উপস্থিত হৈছিলো চাহবাগিছাখনত। চাহ পাত তুলি থাকোতে এগৰাকী মানুহক সাপে দংশন কৰাৰ পাছত চাহ পাত চিঙিবলৈ বাকী মানুহবোৰে ভয় কৰিছিল। সেইবাবেই দেবুক মাতিছিল মেনেজাৰ জনে..

দেবুয়ে মাত্ৰ এডাল লোহাৰৰ হুকেৰে অতি ক্ষিপ্ৰতাৰে তিনিটাকৈ চকৰী ফেটী ধৰি মোনাত সুমুৱাৰ পিছত বুঢ়া চাহ গছৰ মুঢ়াএটাত পাকখাই থকা আন এটা সাপ ধৰিবলৈ লওঁতেই হঠাতে সাপটোৱে তাৰ ডিঙিত কুন্দলী পকাই ধৰি তাক খুটিবলৈ উদ্যত হৈছিল। পিছে বহু সময় যুজঁ বাগৰ কৰি সি কোনোমতে সাপতো জব্দ কৰি পেলাইছিল। তাৰ ভাগ্য ভাল আছিল সেইদিনা, কেই আঙুল মানৰ ব্যৱধানৰ বাবে বাচি গৈছিল সি। নহ'লে...

বিস্ফোৰিত চকুৰে চাহ শ্ৰমিক সকলে তাৰ কামবোৰ চাই ৰৈছিল। ফুচফুচাই কৈছিল " শিউ বাবা....শিউ বাবা"...
সিহঁতৰ ভুনভুননি বোৰ তল পেলাই মোৰ কাষৰতে ৰৈ থকা লখন কুৰ্মী নামৰ চৰ্দাৰ জনে উত্তেজিত হৈ চিঞৰিছিল
:"মেমচাব, চাহাব গাত শিউ বাবাৰ মূৰ্তি আছে। চাহাব সাক্ষাৎ শিউ বাবা! চাহাবক সৰ্পও হানি কৰিব নোৱাৰে।"

সেই ঘটনাটোৰ কথা ভাবি আজিও আচৰিত লাগে। তাৰ পিছৰে পৰা এজাক অপৰিচিত মানুহৰ বাবে দেবু হৈ পৰিছিল "শিউ চাহাব"।

সঁচাই সি শিৱ, নিজৰ সংসাৰৰ কথা পাহৰি সমস্ত পৃথিৱীৰে সমস্যাৰ পিছত দৌৰি ফুৰা আশুতোষ।

সাপকেইটা মোনাটোত ভৰাই থাকোতে সি মানুহ খিনিক উদ্দেশ্য কৰি কৈ গৈছিল
:" সাপবোৰ একেবাৰে নিমাখিত প্ৰাণী, ইহঁতক আমনি নল'লে ইহঁতেও আমাৰ অনিষ্ট নকৰে।"

কিন্তু, হঠাতে ঘটনাটো মনত পৰাত মই এই ঠাণ্ডা বতৰটোতো জ্বৰে ঘমাদি ঘামিব ধৰিলোঁ। যদি ক'ৰবাত কিবা এটা হৈছে?
মোৰ এই অমুলক চিন্তাবোৰৰ আঁৰত দেউতাৰ সেই প্ৰশ্নটোৱেই নহয়টো।

নাই..সাপে দেবুৰ অনিষ্ট নকৰে। সিহঁতে তাক বুজি পাই। সাপ বুলিলে পাগল মানুহটোক চাগৈ বিষাক্ত সাপবোৰেও বিশ্বাসত লয়। আচলতে সি কোৱাৰ দৰেই ময়ো ভাবো মানুহতকৈ সিহঁত কম ভয়ানক। ইহঁতি মৰম কৰিলে মৰম বুজি পাই।

সচাকৈ দেবুৰ মাজতো আছে নেকি আশুতোষ৷ লখন কুমীইঁতৰ সেই "শিউ চাহাব" ৰ অন্তৰতে বিৰাজমান নেকি শিৱ !

মোৰ আকৌ ৰেবতী পেহীলৈ মনত পৰিল৷ পেহীয়ে বাৰু ভাঙুৰা আৰু জুৱাৰী মানুহটোৰ মাজতে বিছাৰি পাইছিল নেকি প্ৰাৰ্থনাৰ ঈশ্বৰক৷ গাঁওৰ এচুকৰ আঁহতজোপাৰ তলৰ শিৱ মন্দিৰটো আৰু ভাঙৰ খোলাতে দিনটো সোমাই থকা মানুহটোৰ মাজত কেনেকৈ শিৱক বিছাৰিল পেহীয়ে? যদি পোৱা নাছিল তেতিয়া অতবোৰ অত্যাচাৰো হেলাৰঙে কিদৰে সহিছিল! অথচ মইতো কোনো অত্যাচাৰৰে সন্মুখীন হোৱা নাই৷

কিন্তু ...পেহীৰ দৰে মই কিয় স্পষ্টকৈ কৈ দিব পৰা নাই কেনে আছো মই৷ সাগৰৰ অটল গহ্বৰত থকা শামুকৰ খোলাত যেন সোমাই আছে এই সাঁথৰটোৰ উত্তৰ৷ মই বিছাৰিব জনা নাই সমাধানসূত্ৰ৷ নিৰ্দিষ্ট উত্তৰৰ সন্ধান কৰিবলৈ মই যেন অসহায়, নিৰুপায় ....

প্ৰশ্নটোত ওলমি থাকোতেই সন্ধিয়া হ'বৰ হ'ল৷ মই অতপৰেও বিছাৰি পোৱা নাই দেউতাৰ প্ৰশ্নটোৰ উত্তৰ৷ আৰু ....দেবু এতিয়াও ঘৰ সোমোৱাহি নাই!

তথাপি এক বুজাব নোৱাৰা ভয়ে ভিতৰি ভিতৰি কোঙা কৰি পেলাইছে মোক৷ গায়ে মুৰে নগা শ্বল খন মেৰিয়াই বাৰাণ্ডাত বহিলোঁহি৷ এচাটি ফেৰফেৰীয়া বতাহে গালত বিন্ধিছিলহি ৷পাতলকৈ বলা বতাহছাটিত গছপাত বোৰ অলপ অলপ কঁপিব ধৰিছে৷ আৰু মই...ময়ো ঢুলঢুলীয়া চকুৰে থৰ থৰকৈ কপিঁ আছো বতাহত দুলি থকা গছৰ পাতবোৰৰ দৰেই.. কেৱল কপিঁ আছো দেউতাৰ প্ৰশ্নটোৰ উত্তৰ বিছাৰি...
কিয় কৰিছে দেউতাই মোক সেই প্ৰশ্ন৷ সুখী মই দেবুৰ লগত৷ কিন্তু...কৰবাত কিন্তু এটাই বিধি পথালি দিছে মোৰ উত্তৰৰ অন্বেষণত৷

হঠাৎ গাৰ পৰা শ্বল খন দলিয়াই দিলোঁ৷ এনেকুৱা মুহূৰ্তত যদি দেবু ওচৰত থাকিলেহেতেঁন সি শ্বলখন বুটলি আনি সামৰি দিলেহেতেঁন মোৰ কোলাত৷ অবাধ্য বতাহ জাকে আউলী বাউলি কৰা মোৰ চুলি কোঁচা সামৰি সি মোৰ কাণত বিৰবিৰাই উঠিলেহেতেঁন তাৰ প্ৰিয় কবিতা এফাঁকি...

"মইচোন শিৱ হ'ব পাৰো
শূণ্য জোলোঙাৰেও প্ৰিয়তমাক
সুখী কৰি ৰখাৰ কৌশল শিকিব পাৰো!"

আস্ কোনেনো অজানিতে বিৰবিৰাই উঠে মোৰ কাণত৷ ইমান আকুলতা.. ইমান ভাল পোৱা ....
অজানিতেই উচুপি উঠো মই ....

হঠাৎ ৰাস্তাৰে পাৰ হৈ যোৱা গাড়ী কেইখনৰ শব্দত মোৰ সপোনটি ভাঙি যায়। ভিডিটো মেলি চাই পঠিয়াও সন্মুখৰ বাটটোলৈ..

কিজানিবা পুৰণি হিন্দী গীতৰ সুৰ এটি সুহুৰিয়াই সুহুৰিয়াই সোমাই আহে দেবু। মোৰ শিৰ!মোৰ প্ৰাৰ্থনাৰ ঈশ্বৰ...

মোৰ ওপৰত অভিমান কৰিয়েই সি নহাকৈ আছে নেকি ? কিন্তু মই জানো দেবুৰ খঙ বেছি পৰ নাথাকে। আচলতে সি খঙেই কৰিবই নাজানে, কাকো বেয়া পাব নাজানে। অথচ আজিহে সি এনেকুৱা কিয় কৰিছে। সি থকা হ'লে একে লগে বিছাৰিবলৈ যত্ন কৰিলোঁহেতেঁন দেউতাই সোধা এইবছৰ পুৰণি প্ৰশ্নটিৰ উত্তৰ....

উদাস হৈ আকৌ বহি পৰিলোঁ চকীখনত। লাহে লাহে বতাহজাক জোৰকৈ বলিব ধৰিছে। কেৰকেৰ শব্দ কৰি বাঁহগছবোৰ হালিব ধৰিছে। ৰাস্তাৰ সিপাৰে থকা অৰণ্যৰ পৰা জ্বিলীৰ কৰ্কশ মাত ভাঁহি আহিল। আৰু মোৰ ভিতৰত বলি থকা বতাহ জাক! সেই বতাহ জাকে এতিয়া ধুমুহাৰ ৰূপ লৈ ক্ৰমান্বয়ে তচনচ কৰি গৈছে মোক...

মই দেবুৰ প্ৰেমত পৰিছিলোঁ নে! নিজকে আকৌ এবাৰ সুধিলোঁ.. মই জানো এইটোও এক উত্তৰ বিহীন প্ৰশ্ন.....ঠিক দেউতাৰ প্ৰশ্নটোৰ দৰেই...

মই হয়তো প্ৰেমত পৰিছিলোঁ ইউনিভাৰ্চিটিৰ দিনৰ বেচিজিল, সপ্ৰতিভ ল'ৰাটোৰ।। কিন্তু সংসাৰৰ চিন্তাতকৈ অৰণ্য , কিতাপ আৰু সাপবোৰক লৈয়ে ব্যস্ত থকা বিশিষ্ট সৰ্প বিশেষজ্ঞ দেবব্ৰত বৰুৱাৰ প্ৰেমত পৰাটো মোৰ বাবেই যেন অসম্ভৱ। মই এতিয়াও ত্ৰিশ বছৰীয়া দেবুৰ মাজত বিছাৰি ফুৰো ইউনিভাৰ্চিটিৰ সেই গান, চিনেমা আৰু মোৰ মাজতে নিজক সামৰি ৰখা ল'ৰাটো। দেবুৰ পুৰঠ মৰমৰ মাজতো কিয় জানো এতিয়া বিছাৰি নাপাওঁ সেই বাইচ বছৰীয়া যুৱকজনৰ অনভিজ্ঞ উত্তাপ।মাজে।মাজে ভাবো সেই বিশ্ববিদ্যালয়ৰ দিনবোৰ দৰেই আমাৰ মাজৰ কাজিয়া বোৰৰ পিছত মোৰ ঢুলঢুলীয়া চকুৰে মোক সাবটি ধৰি কৈ উঠক

:" প্লিজ , বনানী .. আৰু নকৰোঁ। জানাই মই immature ।"

কিমান দিন তাৰ ওচৰত মই অভিমান কৰা নাই। কিমান দিন মোৰ কোলাত মুখ গুজি সি শুই পৰা নাই.. সঁচাই সময়ৰ ওচৰত আমি নিৰুপায়...

এইবাৰ মই নিজকে সুধিলোঁ মই সঁচাই সুখীনে?

বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰাৰ পাছত হঠাতে নোহোৱা গৈছিল সি। অকলশৰীয়া ৰাতিবোৰত দীৰ্ঘ সময়ৰ অপেক্ষাক চকুৰ পানীৰে তিয়াই পেলোৱাৰ বাদে মোৰ আন উপায় নাছিল। তথাপি চেষ্টা কৰিছিলোঁ লাহে লাহে মই নিজকে পাৰ্বতীৰ দৰে সজাবলৈ। মোৰ বাবে সহজ আছিল জানো সেই একাকীত্বৰ আখৰা! উত্তৰ মোৰ হাতত নাই। দেবুৰ হাততো নাই চাগৈ। সেই দিনবোৰতো সুখী আছিলোঁনে মই। মাজে সময়ে সি প্ৰেৰণ কৰা চিঠিবোৰলৈ অপেক্ষা কৰি সুদিনৰ বাবে ৰৈ থকাৰ বাদে আন একো উপায়তো নাছিল মোৰ হাতত.....

হঠাৎ এদিন বাতৰি কাকতৰ পৃষ্ঠাত সৰুকৈ বাতৰি এটা চকুত পৰিছিল। জনবসতি পূৰ্ণ ঠাইবোৰৰ পৰা বিষাক্ত সাপ উদ্ধাৰ আৰু আৰু সাপবোৰ বনাঞ্চলত নিৰাপদে মুকলি কৰি দি জন সমাদৰ লাভ কৰা এজন ২৫ বছৰীয়া যুৱকৰ দুঃসাহসিক কাহিনী। বাতৰিটোৰ তলতে দুহাতেৰে এটা সাপ ধৰি থকা অৱস্থাত দেবুৰ এখন ক'লা বগা ধুসৰ ফটো।

তাৰ কেইমাহমানৰ পাছত অসমৰ এখন জনপ্ৰিয় আলোচনীত সাপ সম্পৰ্কীয় দেবুৰ এটা প্ৰবন্ধ ওলাইছিল। এতিয়াও সেই প্ৰবন্ধটোৰ প্ৰায় প্ৰতিটো।শাৰীয়ে মনত আছে মোৰ।
" অসমত থকা বিষাক্ত সাপবোৰৰ ভিতৰত আছে চকৰি ফেটী(Naja naja) আৰু ইয়াৰ তিনিটা উপ প্ৰজাতি , দুস্পাপ্য ৰাজফেটী(Ophiophagus hannah), হিমালয়ৰ ক্ৰেইট, black Niger, গোৱালা সাপ , ৰাচেল ভাইপাৰ ইত্যাদি..। শৰ্কচুঁৰ সাপ অতি বিষাক্ত যদিও ই অতি শান্ত । এইবিধ সাপে খুটি মানুহ মৰাৰ নজিৰ অতি কম।"

আস্ ...আৰু এদিন... আজীৱন সুখী কৰি ৰখাৰ প্ৰতিশ্ৰুতিৰে মোক নিজৰ কৰি ল'বলৈ বুলি দেউতাক প্ৰস্তাৱ দিছিলহি। হাতত নিশ্চিত ভবিষ্যতৰ ঠিকনা নথকা ল'ৰাটোৰ সম্পৰ্কে সন্দিহান দেউতাক সি এটি কথাই কৈছিল
:" সাপ আৰু অৰণ্যই বাট দেখুৱাই দিব মোৰ ভবিষ্যত"।
চাকৰি বাকৰি নকৰি প্ৰকৃতিক নিজৰ কৰি লোৱা ল'ৰাটোক নিজৰ ঘৰখনেও মানি লোৱা নাছিল। এটা মেধাৱী ভবিষ্যতক বলিয়ালিৰে শেষ কৰিবলৈ ওলোৱা বুলি সকলোৱেই কৈছিল। কিন্তু সি প্ৰত্যাহ্বান স্বীকাৰ কৰিছিল।

সঁচাকৈয়ে প্ৰকৃতিয়ে আমাৰ ভবিষ্যত নিৰূপণ কৰিছিল। যোৱা তিনিবছৰত অসম তথা ভাৰতৰে বিভিন্ন ঠাইত বিয়পি পৰিছিল কেইবাখনো মৃত অৰণ্যক পুনৰুদ্ধাৰ কৰাৰ বাবে লোৱা আমাৰ প্ৰচেষ্টাৰ কথা । এজন বিশিষ্ট সৰ্পবিদ হিচাপে পৰিচিত হৈ পৰা দেবু ৰ লগতে তাৰ এন জি অ' বীক্ষণেও লাভ কৰিছিল ভালেকেইটা ৰাষ্ট্ৰীয় বঁটা।

তদুপৰি তাৰ দ্বাৰা নিৰ্মিত সাপৰ বিষয়ক তথ্য চিত্ৰ সমুহে মানুহৰ মাজত সমাদৰ লাভ কৰিছিল। দেবুয়ে অহৰহ কৈ গৈছিল যায় সৰল সেউজীয়া পৃথিৱীখনৰ এই ৰহস্যময় প্ৰাণী বিধৰ কাহিনীবোৰ। কেমেৰাৰ লেন্সখনেৰেই পাঁকলগা পৃথিৱীখনৰ আগত তুলি ধৰিবলৈ চেষ্টা কৰে বিষধাৰ সাপবোৰৰ সৰল জীৱনৰ কথা।

কিন্তু ইমানৰ পিছতো আমাৰ আৰ্থিক অৱস্থাৰ বিশেষ উন্নতি হোৱা নাছিল। পৰিবেশ সম্পৰ্কীয় লেখা মেলা আৰু সাপ বিষয়ক তথ্যচিত্ৰ কেইখনৰ পৰা সি যি কেইটা টকা পাইছিল তাৰেই আমাৰ সংসাৰৰ চকৰি ঘুৰাবলৈ যথেষ্ট কষ্ট হৈছিল।

লাহে লাহে গেলামালৰ দোকানৰ বাকীৰ বহীখনত হিচাপবোৰ বাঢ়ি গৈ আছিল। টকাৰ পৰিমাণ বাঢ়ি গৈছিল অনাদায় হৈ থকা বিলবোৰত। মাজে মাজে দেবুক কৈছিলোঁ বাঢ়ি অহা অভাবৰ কথা কিন্তু তাৰ এইবোৰৰলৈ কাণষাৰেই নাই। এটা হাঁহি মাৰি কৈছিল
:" মই জানো তুমি চম্ভালিব পাৰিবা.."

এদিন দুদিনমানৰ বাবে সকলোবোৰ সহিব পাৰি, আচলতে কিতাপ, অৰণ্য, কেমেৰা আৰু সাপবোৰৰ। মাজতে ব্যস্ত থকা মানুহজনক মই আমনিও।কৰিব বিছৰা নাছিলোঁ কিন্তু সদায় সেই একেবোৰ কথাৰেই পুনৰাবৃত্তি..

আচলতে সেইদিনা মোৰ বাকী থকা ধৈৰ্য্যকণ ও শেষ হৈ গ'ল,নোৱাৰি ইমান ,কাহানিও নোৱাৰি।

খঙত কি কৈছিলোঁ মনত নাই কেৱল জুই বৰষিছিল মোৰ চকুৰে!
আৰু দেবু তাৰ হাততো কোনো উত্তৰ নাছিল। সি নিশ্চুপ হৈ সহ্য কৰিছিল সকলো বোৰ আৰু পিছদিনা পুৱাই সি গুছি গৈছিল জন্তুৰ পিয়লৰ বাবে!
আস্ কিয় এনে হয়। চকুৰ পানীবোৰ জোৰকৈ ওলাই আহিল।

আকৌ এবাৰ দেউতাৰ মেচেজটো আকৌ এবাৰ পঢ়িলোঁ

সুখী নে অসুখী মই ! এক ভয়াবহ দিধাগ্ৰস্ততাই মোক চেপি ধৰিছে। সুখৰ আৰু অসুখৰ টনা আজোৰতাত মই চটফটাই উঠোঁ। বতাহ জাক কেতিয়াবাই সাম কাটিছিল কিন্তু মোৰ ভিতৰৰ কৰ্পনি তেতিয়াও মাৰ যোৱা নাই। কৰ্পি থকা শৰীৰটোৰে বাৰাণ্ডাৰ পৰা আহি বিছনাত বাগৰ দি দেউতাৰ মেচেজটোকে চাই থাকিলোঁ।

মই বাৰু কেতিয়া সুখী আছিলোঁ। দেবুৰ হাতত ধৰি নতুনকৈ জীৱন এটা গঢ়িবলৈ আৰম্ভ কৰাৰৰ দিনাবোৰত নে বহু মাহৰ বিৰতিৰ পিছত দেবুৰ পৰা চিঠিৰ উত্তৰ পোৱাৰ সময়বোৰত। বহুত দিনৰ মূৰত দেবুৰ লগত ৰাতিৰ ভাতসাজ একেলগে খোৱাৰ সুবিধা পোৱাৰ সময়বোৰতো মই সুখী আছিলোঁনে । দেবুয়ে গ্ৰীণ অস্কাৰৰ নমিনেচন পোৱাৰ দিনাও সুখী হৈছিলোঁনে মই.....

দেবুৰ বাবে ৰৈ ৰৈ পাৰ কৰা টোপনিবিহীন ৰাতিবোৰতো মই সুখী আছিলোঁনে? মই সুখী আছিলোঁ নেকি এখন দীঘল বজাৰৰ লিষ্টখন লৈ গৈ শূন্য হাতেৰে দেবু উভতি অহাৰ সময়বোৰত...

উফ্।একো কথাই ভাবিব নোৱাৰা হৈ পৰিছো মই। প্ৰশ্নটোৰ উত্তৰ বিচাৰি এক কৃষ্ণগহ্বৰত যেন মই বাট হেৰুৱাই পেলাইছো। গাৰুটোত মুখখন গুজি কান্দোনত ভাঙি পৰিলোঁ মই।সেয়া কিহৰ চকুপানী... আনন্দ নে বিষাদৰ মই উমান নাপালোঁ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

হঠাৎ সজোৰে বাজি উঠা কলিঙ বেলৰ শব্দই মোৰ তন্দ্ৰা ভাঙি দিলে। উধাতু খাই ওলাই গ'লো বাহিৰলৈ। আস্ দুৱাৰখনৰ সিটো পাৰত বৈ আছে দেবু। সেই আপোনভোলা হাঁহিটোৰে গ্ৰিলখনত ধৰি বৈ আছে মোৰ শিৱ!!

:"সোমাব পাৰোনে?"

সেই বাইছবছৰীয়া চপলতাৰে দেবুৱে কৈ উঠিল। তাৰ লগে লগে কৰ্পূৰৰ দৰে উৰি গ'ল মোৰ বুকুত ইমান সময়ে ঠাহ খাই থকা অভিমান।

:" সময়ৰ হিচাপ আছে তোমাৰ?সাপবোৰক পালেই পাহৰি যোৱা মোক "

কৃত্ৰিম খঙেৰে কথাটো কৈ পাকঘৰত সোমালোঁগৈ। মই জানো দেবুৰ ভোক লাগিছে।

মোৰ পিছে পিছে সিও সোমাই আহিল ভিতৰলৈ।

গেছটো জ্বলাই গাখীৰ খিনি উতলাই দিলোঁ। উতলিবলৈ ধৰা গাখীৰ খিনিৰ দৰেই মোকো যেন উতলাই ৰাখিছে দেউতাৰ সেই উত্তৰ বিহীন প্ৰশ্নটোৱে।

হঠাতে দেবুৱে মোক পাছ ফালৰ পৰা সাবটি ধৰাত মই চক্ খাই গ'লোঁ। লাহে লাহে মোৰ চুলিখিনিত হাতফুৰাই মোৰ হাতত মৰহি যোৱা অনামী বনফুলৰ থোপা এটা গুজি দি কাণত বিৰবিৰালৈ আৰম্ভ কৰিলে তাৰ প্ৰিয় কবিতা এটা

"........

ফিনিক্স পখীৰ দৰে বাৰে বাৰে প্ৰেমৰ সঞ্জীৱনীৰে
প্ৰিয়তমাক জীয়াই তুলিবলৈ চেষ্টা কৰিব পাৰো।
শূণ্যতাত হাবু ডুবু খাই থকাৰ পাছতো
বছৰৰ সকলো ঋতুৰ ফুলেৰে
পাৰ্বতীৰ বাবে এধাৰ মালা গাঁথিব পাৰো।
মই চোন শিৱ হ'ব পাৰোঁ!"

আস্ শিৱ! শূণ্যতাৰ মহাকাশত ওপঙি থকাৰ পাছতো পৃথিৱীৰ সমস্ত ঐশ্যৰ্যৰে ভালপোৱা জনক পৰিপূৰ্ণ কৰি ৰাখিব বিছৰা হাবিয়াসেয়েই শিৱ নেকি? হয়তো শূণ্যতাত হাবুডুবু খাই থকা প্ৰতিজন আপোনভোলা মানুহৰ মাজতে শিৱ বিৰাজমান। মাথোঁ বিছাৰিব জানিলেই হ'ল। যিদৰে ৰেৱতী।পেহীয়ে ভাঙৰ খোলা আৰু আহঁতৰ তলৰ মন্দিৰতে ব্যস্ত থকা মানুহ এটাৰ মাজত বিছাৰি পাইছিল শিৱক। আৰু সেইদিনা.. সেইদিনা চাহবাগিছাখনত মানুহ বোৰে কিয় কৈছিল শিৱ আছে বুলি? সেইদিনাৰে পৰা লখন কুৰ্মী হঁতে কিয় মাতে তাক " শিউ চাহাব" বুলি। তাৰমানে সেই অচিনাকি মানুহ জাকে দেবুৰ মাজতে বিছাৰি পাইছিল নেকি শিৱক!

তাৰমানে দেবুৰ মাজতেই মৰ্য়ো পাম আশুতোষক। শিৱক বিছৰা পথৰ সন্ধান কৰিব পাৰিলেই যেন মই হৈ পৰিম পৃথিৱীৰ আটাইতকৈ সুখী মানুহ।

এই মুহূৰ্ততে যেন সকলো বোৰ পৰিষ্কাৰ গ'ল । এগছি চাকি হৈ জ্বলি সি যেন পোহৰাই তুলিছে মই অতপৰ সোমাই থকা আবদ্ধ হৈ থকা কৃষ্ণ গহ্বৰটো। এই মুহূৰ্তত মোৰ আকাশত সেই প্ৰশ্নটোৱে সৃষ্টি কৰা আন্ধৰ আৰু নাই। এতিয়া মোৰ আকাশত ফৰিং ফুটা জোনাক।

জোৰকৈ দেবুক সাবটি ধৰি সেই অচিনাকি মানুহ জাকৰ সুৰতেই ভুনভুনাই উঠিলোঁ
" শিউ চাহাব , শিউ চাহাব....."

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# বিৰক্তি

ৰ'দ ৰাগিনী
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

বিৰক্তি !

ইতিমধ্যেই অত্যন্ত বিৰক্ত হৈছোঁ মই। তাক অতিমাত্ৰা কৰিবলৈকে যেন ৰাছখনৰ খিৰিকীৰে সোমাই আহিছে ধূলিৰ অত্যাচাৰ । হাতত থকা ৰুমালখনেৰে মোৰ মুখ আৰু হাতখন অকনমান মোহাৰি খিৰিকীখন বন্ধ কৰি দিলোঁ। ধূলিখিনি বৈ থাকিল সিপাৰে, খিৰিকীখন বন্ধ কৰি দিয়াক লৈ অভিমান হৈছিল নেকি ধূলিখিনিৰ ! কৈছিল নেকি এনেকৈ - " দুৱাৰ বন্ধ কৰি দিলা ? আৰু কেতিয়াও নাহো তোমাৰ কাষলৈ ।" যেনেকৈ অনমিত্ৰই ভীষণ অভিমান উজাৰি কৈ গৈছিল সেই নিশা -" আৰু কেতিয়াও নাহো তোমাৰ কাষলৈ।" কিছুপৰ আগতে তাৰ আদৰৰ উষ্ণতাত উমাল হৈ থকা মই হাতখন মুহূৰ্ততে চেঁচা পৰি গৈছিল। তাৰ মুখলৈ নোচোৱাকৈয়ে মই অনুভৱ কৰিছিলোঁ সিক্ত হৈছিল তাৰ চকুহাল।পাৰি, আপোন মানুহক এনেকুৱাকৈ অনুভৱত কঢ়িয়াই ফুৰা হয় যে যিকোনো মুহূৰ্ততেই অনুভৱ পাৰি মাত-স্পৰ্শ-খোজ অথবা চকুপানীও ,সকলো কথাৰ বাবে ভাষা নাথাকে, কিছু কথাৰ শ্ৰেষ্ঠ ভাষা মৌনতাও হয় । সেইনিশা খিৰিকীৰে দেখিছিলো আকাশৰ বুকুৰে পপীয়া তৰা সৰকি যোৱা,চকুহাল মুদি কিবা ইচ্ছাক স্মৰণ কৰাৰ সত ন'হল।ইতিমধ্যে ইচ্ছা-অনিচ্ছাবোৰ সময়ৰ কবৰত আবদ্ধ কৰি পেলাইছোঁ। মোৰ নিজাকে পপীয়া তৰা যেন লাগে, শিপা হেৰুৱাই, বাট হেৰুৱাই পুনৰ থাউনি বিচাৰি থকা এজনী ছোৱালী মই ! পপীয়া তৰাটোও বোধহয় মোতকৈ সুখী, কক্ষচ্যুত হ'লেও তাৰ বুকুত হাজাৰ আশা সমৰ্পিত কৰি সুখী হয় মানুহ। আৰু মই ! নিজকেই সুখী কৰিব নাজানিলো,অনাকাংক্ষিত ঘটনা পৰিক্ৰমাত জৰ্জৰিত শৈশৱ এটা অতিক্ৰমি অহা মোৰ বাবে হেঁপাহ বোৰ অপ্ৰাপ্তিকৰ মৰীচিকা যেন ! অৱশ্যে আহে, ধুমুহাৰ শেষতো আহে বসন্তৰ বিয়লি,অনমিত্ৰ আহিছিল মোৰ জীৱনলৈ,তাৰ সান্নিধ্যই সাহিয়াল কৰিছিল মোক।অথচ আজি সবাতোকৈ ভালপোৱা সেই মানুহটোক মই বৰ নিৰ্দয়ভাবে আঁতৰাই পঠাইছোঁ। মই ইচ্ছা কৰিয়েই তাৰ প্ৰতি তিলমালো সহানুভূতি নেদেখুৱালো। বুকুত শিল এটা জোৰকৈ থাপি তাক কৈ দিলোঁ -"নাহিবা,নহাটোৱেই আমাৰ বাবে মংগল। ভালে থাকিবা অনমিত্ৰ !" তাৰ পাছত সি ৰোৱা নাছিল। যোৱানিশা এক বাজিছিল তেতিয়া, মোৰ ভাড়াঘৰৰ পৰা ওলাই গুছি গৈছিল । মই উদ্বিগ্ন হোৱা নাছিলোঁ ইমান ৰাতিখন ক'লৈ যাব বুলি,অথচ যাক হেৰুওৱাৰ কথা ভাবিলেই মোৰ বুকুখনত অসহনীয় বিষে দৌৰাদৌৰি কৰিছিল,আজি ভালপোৱাৰ প্ৰতি হোৱা অপমানত মই বিধ্বস্ত, চাব পৰা নাই এখন সমাজৰ সমুখত আমাৰ নিঃস্বাৰ্থ ভালপোৱাৰ অপমানিত হোৱা সময়খিনি স্বীকাৰ কৰিবলৈ কষ্ট হৈছে মোৰ । মই পলৰীয়া নেকি? বহুবছৰ আগতে ঘৰ এৰি অহা মই পলৰীয়াৰ দৰে আঁতৰাই পঠাইছোঁ আনমিত্ৰক। ঘৰৰপৰা গুছি অহাৰ পাছত দেউতা এবাৰো নাহিল মোৰ সন্ধানত, অনমিত্ৰ আহিবনে আকৌ মোৰ কাষলৈ ! ইমান ভবাটো আচলতে উচিত নহয় মোৰ বাবে, কিছুমান সময়ত হৃদয়ক অসন্তুষ্ট কৰিও নিৰুদ্বেগ হৈ থকা উচিত, কিছুমান সময়ত হৃদয়ৰ বিপক্ষে গৈ যুক্তি আৰু বাস্তৱৰ আহ্বানক অনুকৰণ কৰা উচিত। মই কন্দা নাছিলোঁ, হেৰুৱাবলৈ একো নথকা মানুহৰ বাবে দুখ সুখৰ অনুভৱৰ মাজত প্ৰভেদ বুজাত জটিল হয়। অনমিত্ৰ শেষ সমল আছিল মোৰ,শেষ সম্পদ আছিল, জীৱনমুখীতাৰ শেষ আহ্বান আছিল ! আজি মই নিজেই আঁতৰাই পঠাইছো তাক । ভালপোৱাক আঁতৰাই যাতনাত দগ্ধ হ'ব পাৰি, কিন্তু ভালপোৱাৰ অপমান অসহনীয় ! অনমিত্ৰই জানে, এতিয়াও মোৰ বুকুৰ গভীৰত তাৰ স্থান নিগাজী,তাৰ চকুহালত এতিয়াও মোৰ প্ৰতি আনুৰাগৰ অনুৰণন,

অথচ পৰস্পৰে জানিলেও সমাজখনে নাজানে। জানিব নোখোজে, বুজিব নোখোজে,শুনিব নোখোজে। নিয়মৰ মেৰপাকত মেৰিয়াই থকা সমাজখনে তাৰ পাকত পিষ্ট হোৱা হৃদয়বোৰক নিচিনে।
যোৱানিশা মোৰ ভাড়াঘৰৰ দুৱাৰত টোকৰ পৰিছিল , আনমিত্ৰ উঠি গৈছিল মোৰ হাতখন আঁতৰাই । তাৰপাছত, দুৱাৰখন খোলাৰ পাছতেই তীব্ৰ বাক্যবাণেৰে হানি খুচি শেষ কৰিছিল মোক -" মুছলিম হোৱালী তাই,সি হিন্দু ! এনেকৈ একেলগে প্ৰায়েই থাকে , ধৰ্ম কলংকৃত কৰিছে সিহঁতে ।"
কোনোবাই কৈছিল -"ল'ৰাজন হেনো বামুণ হয়। শেষ কৰিলে আৰু এইবোৰে, সমাজখন এইবোৰেই খাইছে।" ভালপোৱাৰ ধৰ্ম থাকে ? ভালপালে কলংকৃত হয় ধৰ্ম ? কেনে মানসিকতা লৈ জীয়াই আছে এইখন সমাজ ! মই তেওঁলোকলৈ চাইছিলো, মূৰ তুলি চাইছিলো, স্পষ্টকৈ কৈছিলোঁ -" ধৰ্ম কুশলে থাকিব । তেওঁ আজিৰপৰা মোৰ ওচৰলৈ নাহে।"
তাৰপাছত, অনমিত্ৰৰ হাজাৰ বুজনি-প্ৰতিৰোধ নেওচি মই আঁতৰাই পঠালো তাক। সেইনিশা কোঠাৰ ভিতৰত এহাল চকু সেমেকিছিল, শিল কৰিবলৈ চেষ্টা কৰিও ভাগৰি পৰা বুকু এখন দহিছিল আৰু বাহিৰত এজাক মানুহ উন্মাদিত হৈছিল,দুখন হৃদয় পৃথক কৰাৰ আনন্দত ! অনমিত্ৰ গুছি গৈছিল মোৰ জেদৰ ওচৰত হাৰ মানি,অথচ তাক গুছি যাবলৈ প্ৰৰোচিত কৰা মই প্ৰকৃতাৰ্থত বিচাৰিছিলোঁ সি সদায়েই থাকক মোৰ কাষত !

"কোনোবা আছে নেকি ইয়াত?" - পুৰুষ কণ্ঠস্বৰটোৱে মোক ভাৱনাৰ শিকলিৰপৰা মুকলি কৰি আনিলে। মই নিৰুদ্বেগ হৈ চাই থাকিলোঁ তেওঁলৈ,চানগ্লাছৰ আঁৰৰ চকুহাল দেখা নাপালোঁ ,তেওঁ পুনৰ সুধিলে মোক -"বহিব পাৰিম নেকি?"
মূৰটো সামান্য দুপিয়াই খিৰিকীৰ ফালে অকনমান চাপি আহিলোঁ মই। তেওঁ মোৰ কাষতে বহি পৰিল। মই আৰু নাচালো তেওঁৰ ফালে, খিৰিকীৰে বাহিৰলৈ চাই দিলোঁ ।
কিছুপৰ নিৰৱতাৰ পাছত পুনৰ তেওঁৰ মাত -" মানুহবোৰৰ ইমান ভেম কিয়?"
মই অবাক হৈ চালোঁ তেওঁলৈ -"মোক কৈছে?"
-" হয়, আপোনাক কৈছোঁ । ভেম দেখুৱাইছে?"
এইবাৰ চূড়ান্ত খং উঠি আহিল মোৰ,তেওঁৰ চকুহাল এতিয়াও দেখা নাই মই, চকুত চকু থৈ স্পষ্টকৈ কথা কোৱা ছোৱালী মই, তেওঁৰ চানগ্লাছজোৰতে চকুহাল স্থিৰ কৰি সুধিলোঁ -"কিহৰ ভেম দেখিলে মোৰ মাজত?"
তেওঁৰ ওঁঠত কোমল হাঁহি এটা বিৰিঙিছে, লাহেকৈ কৈছে - "আজি দুপৰীয়াটো ধুনীয়া ! আচৰিত আমি,পুৱা-সন্ধিয়া-নিশা ধুনীয়া দেখোঁ, দুপৰীয়া কিয় ধুনীয়া নেদেখো?"
মই একো নামাতিলো,পুনৰ খিৰিকী দিশে মুখ ঘূৰাই ল'লো। তেওঁ বুজক যে বিৰক্ত হৈছোঁ মই !।এইবাৰ পুনৰ মোক অবাক কৰি ক'লে তেওঁ -" মই মানুহক বিৰক্ত কৰি খুউব ভালপাওঁ।"
"তাৰবাদে কি কৰে আপুনি?" - মই উষ্মাৰে সুধিলোঁ, ইতিমধ্যে ধৈৰ্য্য অতিক্ৰম হৈছিল মোৰ।
"ঘূৰি ফুৰোঁ।" - এইবাৰ হোঁ হোৱাই হাঁহি উঠিল তেওঁ।
"পুখুৰীবোৰক জোকাই ভাল লাগে।" -পুনৰ তেওঁৰ মাত, মই তেওঁৰ মুখলৈ চালোঁ অবাক হৈ,এইবাৰ কৈ গ'ল তেওঁ

-"পুখুৰীৰ পানী ভীষণ অভিমানী নে ভেম লৈ থাকে জানো ! গহীন হৈ থাকে যে লৰচৰো নকৰিব যেন ভাবত,শিলগুটি এটা দলিয়াই দিবচোন, চঞ্চল হৈ উঠিব, হাঁহিব পানীবোৰে,আপোনাৰ ধেমালিৰ প্ৰত্যুত্তৰত লৰি চৰি সম্ভাষণ জনাব, এপলকলৈ হ'লেও জী উঠাৰ দৰে হ'ব।"

" ক্ষন্তেকীয়া সঞ্জীৱনী আপোনাৰ শিলগুটি, অনৰ্থক ।" - গহীনাই কৈ পুনৰ মুখ ঘূৰালো মই ।

" জীৱনটো কেইদিনীয়া? - তেওঁৰ প্ৰশ্ন ।

" হিচাপ কৰাৰ প্ৰয়োজনবোধ কৰা নাই, ইচ্ছা-অৱকাশো নাই।" - মোৰ মাতত স্পষ্ট বিৰক্তি।

তেওঁ কৈ গ'ল - " নালাগে বাৰু, ধৰি লৈছোঁ পঞ্চাশ দিন,তাৰ পঁচিশ দিন যদি এই ক্ষন্তেকীয়া সঞ্জীৱনীৰ পৰিণতিতেই জীয়াই থকাৰ হেঁপাহ দেখে,আপত্তি ক'ত ? নে জীৱনটো আপত্তি আৰু আক্ষেপৰ মাজতেই শেষ কৰাৰ মন?"
 মই মৌন হৈ ৰ'লো,উত্তৰ নাছিল মোৰ হাতত।

"ডাৱৰবোৰ থুপিয়াই আনিবলৈ মনযায়।আকাশখন নিজাকৈ থাকিবলৈ মনযায় বুকুত, পুখুৰীবোৰ সাগৰ কৰিবলৈ মনযায়, সাগৰবোৰ নৈ কৰিবলৈ মনযায়....." -
মোৰপৰা একো উত্তৰ নোপোৱাৰ পাছতো কৈ গৈছে তেওঁ। মই এইবাৰ অসহায় হৈ চালোঁ তেওঁলৈ,চকুহাল খং নে দুখত সেমেকি উঠিছে মোৰ । তেওঁ মোলৈ এপলক চাই থাকি আপোনমনে কৈ গৈছে -"এই বাছখনক ভালপাবলৈ মনযায়, যাত্ৰীসকলক সুধিবলৈ মনযায়, কুশলে আছেনে ? নথকাসকলৰ ধূসৰতাত ৰং সিঁচিবলৈ মন যায়।"
এইবাৰ মই সুধিলোঁ -"আপুনি ছবি আঁকে?"
"মই ৰং বোলাও,জীৱনটোৱেই শ্ৰেষ্ঠ কেনভাছ ।"
"ভুৱা,জীৱনটো কেনভাছ হোৱা হ'লে আমাৰ ইচ্ছা অনুযায়ী ৰং বোলালো হয় আমি, জীৱনটো এখন ভুৱা কেনভাছ, আগৰেপৰাই ৰংবোৰ ৰৈ থাকে, বগা প্ৰলেপ এটা থাকে, তাতেই বিভ্ৰান্ত হৈ আমি ৰং বোলাবলৈ যাওঁতে জীৱনে তাৎচ্ছিল্যৰ হাঁহিৰে উপলুঙা কৰে।" - এইবাৰ মই মুখ মেলিলো।
"সকলো কথাই ভুৱা,সকলো কথাই বাঞ্ছনীয়, সকলো কথাই অবান্তৰ, সকলো কথাই সত্য অথবা মিথ্যা । গ্ৰহণযোগ্যতাহে প্ৰকৃত ! জীৱনৰ প্ৰতি ইমান ক্ষোভ লৈ কেনেকৈ জীয়াই আছে হে আপুনি?" - তেওঁৰ মাতত সামান্য কৌতুক !
এইবাৰ মই উচপ খাই উঠিলোঁ, ক্ষোভ ! এৰা, ক্ষোভ আছে মোৰ। সৰুতেই দেউতাই আন এগৰাকী নাৰীক ঘৰলৈ লৈ অহাৰ পাছত বাৰীৰ গছ এজোপাত ওলমি থকা মোৰ জন্মদাত্ৰীক দেখাৰ পাছত জীৱনৰ প্ৰতি ক্ষোভ সৃষ্টি হোৱাটো জানো মোৰ ভুল ? আজি সাত বছৰৰ আগত দেউতা আৰু তেওঁৰ নতুন পত্নীৰ প্ৰতি ভীষণ ঘৃণা লৈ ঘৰখনৰ পৰা ওলাই অহাৰ পাছত অন্ততঃ তেজৰ সম্পৰ্কৰ খাতিৰত হ'লেও মোৰ দেউতাই মোক বিচাৰি নহা এই জীৱনটোৰ প্ৰতি ক্ষোভ থকাটো জানো মোৰ ভুল ?ভালপোৱাৰে মোক ভৰাই ৰাখিব খোজা হাতখন সজোৰে আঁতৰাই পঠাবলৈ বাধ্য কৰোৱা মোৰ জীৱনটোৰ প্ৰতি ক্ষোভ থকাটো জানো মোৰ ভুল !

"নাকান্দিব !" পুনৰ মাত লগালে তেওঁ, মোলৈ চাই আছে। গতিশীল গাড়ীখনৰ ভিতৰত সময়খিনি স্থবিৰ হৈ যোৱা যেন লাগিছে,মোৰ সহযাত্ৰীজনৰ ওচৰত মই লুকুৱাই ৰাখিব পৰা নাই নিজক, আচৰিত লাগিছে মানুহজনক ! উপেক্ষা কৰিব নোৱাৰি তেওঁক,কোনোপধ্যেই নোৱাৰি।

"চকুপানীবোৰ যতনেৰে ৰাখিব,এতিয়া এগাড়ী মানুহ আছে আপোনাৰ কাষত, কেতিয়াবা একোৱেই নাথাকিব, তেতিয়া চকুপানীক কাষত ৰাখিব, মানুহৰ সমুখত কেতিয়াও নেদেখাব চকুপানী ! চকুপানী একান্তই নিজৰ,চকুপানী এন্ধাৰৰ সমুখত উদঙাই দিব পৰাকৈ সত্য । অবাবত নামিবলৈ নিদিব।"

"জীৱনটোৱেই অবাবত অহা এচোৱা যাতনাৰ যাত্ৰা !"

"ভুল ধাৰণা এখিনি বুকুত কঢ়িয়াই ফুৰিলে জীৱনটোত যাতনাৰ বাদে একো নেদেখিব। আকাশখনলৈ চাব,পাহাৰবোৰ চাব,গছবোৰ চাব, জীৱনটো ধুনীয়া যেন লাগিব। শিশুবোৰৰ নিষ্পাপ মুখবোৰ চাব,ফুলবোৰ চাব !"

মই কাতৰ হৈ চালোঁ তেওঁলৈ,তেওঁ এইবাৰ চানগ্লাছযোৰ খুলি লৈ মোক ক'লে -"জীৱনটো নিজৰ যিহেতু, আপুনি আপোনাক ভালে ৰখাৰ দৰেই জীৱনটোকো ভালে ৰাখিব। ইমান চেঁপি ৰাখিলে কেতিয়াও সুখী হ'ব নোৱাৰিব। মনটোক অসন্তুষ্ট নকৰিব কেতিয়াও, আপোনাৰ মনটোৰ সন্তুষ্টি যিহেতু আপোনাৰ হাততেই ন্যস্ত থাকে।"

গাড়ীখন ৰৈ গ'ল ! তেওঁ নামিবলৈ লৈ ক'লে -"ভালে থাকিব, মোৰ নামিবৰ হ'ল।"

"আপুনি আচলতে কি কৰে?" - পুনৰ সুধিলোঁ মই।

"কৰি আছোঁ, অহৰহ কৰি থাকোঁ, মানুহৰ পৃথিৱী এখন জীয়াই ৰখাৰ প্ৰয়াস,মানুহবোৰক কুশলে ৰখাৰ প্ৰয়াস,নিজক ভালে ৰখাৰ প্ৰয়াস।" ওপৰৰ পৰা বেগটো নমাই লৈ পুনৰ এবাৰ মোলৈ চাই তেওঁ গ'লগৈ । মই যান্ত্ৰিকৰদৰে ম'বাইলটো উলিয়াই অনমিত্ৰ নামটোৰ তলত টাইপ কৰিলোঁ -" আজি এবাৰ আহিবা মোৰ তালৈ। আমি যামগৈ ক'ৰবালৈ,জীয়াই থাকিবলৈ যাম।"
কাষৰ খিৰিকীখন মেলি দিলোঁ,পুনৰ ধূলিয়ে কঁপাই গ'ল মোৰ মুখমণ্ডল,মই এইবাৰ বিৰক্ত ন'হলো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# তীৰ্থযাত্ৰা

দৰ্পনা শইকীয়া
প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ,ডিব্ৰুগড় বিশ্ববিদ্যালয়

সকলো পুৰুষেই ধৰ্ষণকাৰী নে ?
**After all, Men will be men**
কামুক ।
**Is it true ???**
অব্যাখ্যেয় অন্তৰ্দ্বন্দ্ব আৰু ক্লেদাক্ত অতীতভেদি নিজক উপৰ্যুপৰি প্ৰশ্ন কৰিছে তাই । অপৰাধী হৈ জন্ম হয়নে মানুহ ? পুৰুষ ? উপজিয়েই ?
জীৱনটো যদি উজাই যাই,পুৰুষৰ আটাইতকৈ সংযমহীন অথবা ভোকাতুৰ অথবা দুৰ্বল মুহূৰ্তৰ তাই সান্নিধ্য লাভ কৰিছে । কিন্তু সকলো পুৰুষ ?
ছছিয়েল মিডিয়াত 'পুৰুষ'ৰ ন ন ব্যাখ্যা । দিনচেৰেক পূৰ্বে অসম জোকাৰি গৈছে চুমিলা আৰু দীপশিখাৰ ঘটনাই । কোনো সমালোচকে অপৰাধীক ধৰ্মৰ আন্তৰণ মাজেৰে বিচাৰ কৰে । তাজ্জৱ ! কি পয়ালগা মানসিকতা । দোষীয়ে শাস্তি পাওক। অপৰাধীৰ কোনো ধৰ্ম নাথাকে । জাতি নাথাকে । এই মুলুকত ন্যায় ব্যৱস্থাৰ দীৰ্ঘসূত্ৰিতাৰ বাবেই কোনো অপৰাধীয়ে শাস্তি নাপায় । অসম বুলিলেই ক্যাত্যায়িনী এক লহমাৰ বাবে হ'লেও ৰৈ যায় । শিপাৰ টান । তাতকৈ অৱশ্যেই কোনো আত্মিকতা নাই । আত্মীয় ও নাই ।
:- **"Will you marry me** মিছ্ ক্যাত্যায়ানী ??"
সমুখত সাম্য অগস্ত্য । কিছুমান মানুহৰ চকুত সাগৰসম গভীৰতা থাকে।
:- মই এক অৱলম্বন নে বিলাসিতা ? সুধিছিলো ।

অগস্ত্যই সামান্য হাঁহিছিল। সেই হাঁহিত কি আছিল ??
প্ৰাপ্তি নে পুতৌ ? নে ভৱিষ্যতৰ যুগ্ম-অযুগ্মৰ ছন্দ । জনাৰ প্ৰয়োজনবোধ তাই কৰা নাই ।

অগস্ত্যক প্ৰথম সোনাগাছিত লগ পাইছিল ক্যাত্যায়নীয়ে। সোনাগাছি । তাইৰ চিনাকী । তাইৰ কৈশোৰ । তাইৰ যৌৱন । সেইখন এক ৰহস্য ভূমি । দেশ স্বাধীন হোৱা কত বছৰ পাৰ হৈ গ'ল । বহু অলিখিত কাহিনী তাত দফন হৈছে । তাই স্বচক্ষে দেখিছে । সভ্যতাৰ পুৰাতন পেচা হিচাপে কত বৈঠক-উপন্যাস-চিনেমা-চেমিনাৰ হৈ গ'ল ! কিন্তু সলনি নহ'ল সোনাগাছিৰ জীৱন । সকলো পুৰুষেই গ্ৰাহক নহয় । সকলো পুৰুষৰ স্পৰ্শত কামনা নাথাকে । ভোক নাথাকে । সেইকথা ক্যাত্যায়নীয়ে বুজে । তাত থাকোতে সময়বোৰ খুউব দ্ৰুত গতিত পাৰ হৈছিল এদিনত খাটত কেতিয়াবা সাতজনলৈকে...যৌৱন থকামানলৈকে । ক'ৰণা কালৰ সোনাগাছিৰ কথা ভাবিলে তাই উদাস লাগে । চেঁচাত কাঠ হৈ পৰা উশাহত জীৱন বীজৰ অংকুৰণ নঘটে । নৈৰাশ্যত বিমৰ্ষ লতিকা,জুলেখা হঁতৰ বিধস্ত ৰূপ চোৱাৰ সাহস ক্যাত্যায়নীৰ নাই । স্থাণু হৈ ৰৈ তাই । নিৰ্বাক ।

:- ক্যাত্যায়ানী । উঠা ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

পূৰঠ বেলিটোৰ এচমকা ৰক্তাভ ৰ'দ আহি গাল মুখ স্পৰ্শ কৰি যেন তাইক কৈ উঠিল । ইচ্ছা কৰিয়েই তাই আজিৰ বিচনাখন এৰিব মন নগ'ল । কালি নিশাৰ সহচৰী চিগাৰেটৰ টুকুৰাকেইটা এতিয়াও সন্তৰ্পণে বেলকনি শুৱনি কৰি আছে ।
অগস্ত্য গুচি গৈছিল সদম্ভে ।
কিয় গৈছিল ? ক'লৈ গৈছিল তাই নাজানে । পুনৰাই সংযোগ কৰিবলৈ তাইৰ বিবেকে অনুমতি নিদিয়ে।
জীৱনত এই অহাযোৱা প্ৰক্ৰিয়াটো নিৰবিচ্ছিন্ন।
বিষন্ন সময়,উচ্ছ্বল জীৱনৰ সপ্ৰতিভ সময়তো সি চলি থাকে ।
কাৰোবাৰ সান্নিধ্যত ক্ষন্তেকৰ উষ্মতা,কোনোবাই আকৌ দীৰ্ঘ এছোৱা বাট একেলগে যোৱাৰ কথা দি কাষ চাপে ।
চৰিত্ৰ গতিশীল
সময় আগবাঢ়ে
অহাৰ দৰে উভতি নহাৰ বাটে এদিন চৰিত্ৰবোৰ গুচি যায়গৈ
গতানুগতিক
নতুনত্বহীন
অৱধাৰিত
ন ন Ism ?? পুৰণিৰ ৰূপান্তৰ মাথোন !!

"বেশ্যাৰ প্ৰেম কৰাৰ অধিকাৰ নাই । বিয়া পতাৰো ।" সোনাগাছিত এই কথা প্ৰত্যেক নাৰীয়ে শিকে । বুজি উঠে ।

:- "বলা তীৰ্থযাত্ৰা কৰো ।"
:- ক'লৈ যাবা ?
:- "উৰিষ্যা,ঋষিকেশ,কাশী গংগা সবেই ফুৰি আহো ।"

:- গংগাখন দেখিছা ? গংগাৰ বুকুত মৃতকৰ অস্থি, অৰ্ধদগ্ধ কাঠ, শ দেহৰ অৱশিষ্ট দেখিয়েই দশাশ্চমেধ ঘাটৰপৰা বহু উজাই আহিছিলোঁ । ভাবিয়েই বিতৃষ্ণা উপজে কাশীগংগাত স্নান কৰাৰ বাসনা এতিয়া মোৰ নাই ।
তীৰ্থযাত্ৰাত বিশ্বাস ক্যাত্যায়নীয়ে নকৰে । জীৱনৰ সমস্ত পাপ দুদিনৰ তপস্যাত ধুই নিকা কৰে !! ই কেনে মানসিক বিলাসিতা ! পৰিতৃপ্তি । তীৰ্থযাত্ৰা ধৰ্মান্ধৰ আত্মতুষ্টি আত্মপ্ৰত্যয় নিয়াৰ মানসিক উপশম । ভাৰতৰ অধিকাংশ তীৰ্থতে কাষত পতিতালয় আছে । দিনত ধৰ্মৰ মুখা,ৰাতি হ'লে শৰীৰ পূজা । ভণ্ড মুখা আৰু কুসংস্কাৰৰ বাদে আজি সনাতন ধৰ্মত একো অৱশিষ্ট নাই তথাচ এই ধৰ্মৰ অন্ধ অনুকৰণ কৰাৰ কি আকুল আগ্ৰহ তোমাৰ অগস্ত্য ?? তাতকৈ তাই সোনাগাছিলৈ যোৱাটো পচন্দ কৰে ।
আহত হৈছিল অগস্ত্য ।
সিমানতে ইতি পৰিছিল তীৰ্থভ্ৰমণৰ কথোপকথন।
সেই যে সন্ধিয়াটো সী গুচি গৈছিল, তাৰপাছত মাহৰ পাছত মাহ ধৰি অকলেই আছে তাই । অগস্ত্যৰ কোনো ফন মেচেজ একো নাছিল । নে গুচি গৈছিল অন্য নাৰীৰ ওচৰলৈ ? তাজ্জৱ নহয় ।

প্ৰতিনিয়ত তাই অগস্ত্যলৈ অপেক্ষা কৰে । তাই জানে । চিগাৰেটৰ প্ৰথমটো টান নমৰাৰ আগতে উশাহটো সামৰি-সুতৰি থ'ব পৰাকৈ এটা অদেখা শক্তিয়ে তাইক ৰখাই থয় ।

আস্ কি নিচা......!!

তাইৰ জীৱনে কস্মিনকালেও চুব নোৱাৰা এটি পৱিত্ৰ প্ৰাৰ্থনা !! অগস্ত্যই তাইক চহাই যায়...খহাই যায় ।

তাৰ প্ৰেমৰ শিকলিডাল ইমানেই কঠিন যে...শিকলিডাল ছিঙি গ'লেও তাই সকলো সুখৰ মাজতো ভীষণ অসুখী । আৰু শিকলিৰ এইটি পাৰেও তাই এটি জীয়ন দি থোৱা নিষিদ্ধ ফচিল । আশাবাদে জীৱন ভাললগা কৰি তোলে কিন্তু প্ৰত্যাশাই মানুহক আটাইতকৈ অসুখী কৰে । অন্ততঃ এগৰাকী সোনাগাছিৰ নাৰীক সেই "আশা" সৌধ সজাৰ অনুমতি না সমাজখনে দিয়ে, না কোনো পুৰুষে । শতিকাৰ সত্য তাই মানি লয় । বাস্তৱবাদী ক্যাত্যায়নী ।

....জোনে আজিকালি তাইক সংগসুখ দিয়ে । জোনটো পূৰ্ণ আজি । শূণ্য ও কেতিয়াবা সম্পূৰ্ণ হয় সেইকথা
আজি উপলব্ধি কৰিছে তাই । পূৰ্ণিমাৰ জোন ।
এনে সময়তে বুকুখন বেজাৰমুৱা হয় ।
উদাস লাগে
বিষণ্ণ লাগে
মানুহক জী থাকিবলৈ সংগ লাগে
তদ্ৰুপ জোনকো লাগে এখন তৰাভৰা আকাশ

কলিংবেল টো বাজি উঠিল । অলপ ইতঃস্তত কৰি দুৱাৰ খুলি দিলে ।

:- অগস্ত্য (?) !

যেন যোগনিদ্ৰাৰ পৰা সাৰ পাই উঠি আহিছে । তন্দ্ৰালস চকু ।

- অসম্ভৱ বিয়া । সন্তান জন্ম দি সংসাৰ কৰাতো । এগৰাকী দুকুৰি পাৰ হোৱা নাৰী সহিতে ত্ৰিছ বছৰীয়া পুৰুষৰ কি অলীক কল্পনা । সিইঁতৰ মাজত হাজাৰ আলোকবৰ্ষৰ দূৰত্ব । সমাজে স্বীকৃতি দিবনে ? অধ্যাপক অগস্ত্য গোস্বামীক ?? দিবনে ? ক্যাত্যায়নীৰ প্ৰশ্নত শ্ল'থ হৈ ৰয় অগস্ত্য ।
অগস্ত্যই কিহৰ বাবে এগৰাকী সোনাগাছিৰ গলিৰ নাৰীলৈ প্ৰেম জাগিছে ?
বয়সনো কিমান তাৰ ?? ত্ৰিছ ? পয়ত্ৰিছ ?

:- "ক্যাত্যায়নী please...."

দীঘল হুমুনিয়াহৰ মাজেদি সৰকি আহিল এখন প্ৰাগঐতিহাসিক দলিল । জীৱন্ত ।
পিতৃভিঠাত পোৱা ধনেৰে সি উচ্চশিক্ষাৰে শিক্ষিত । তাৰ জন্মৰ আৰত কোনোবা দুৰ্ধৰ্ষ সশস্ত্ৰ সংগঠনৰ কেডাৰ । আত্মসমৰ্পণ কৰি পিতৃয়ে মাকৰ লগতে বহু নাৰীৰ লগত সম্পৰ্ক কৰিছিল । বহুগামীতাৰ কথা কৈছিল অগস্ত্যই। ই এক মানসিক বেমাৰ। সোনাগাছিতো পিতৃৰ এগৰাকী নাৰীৰ লগত সম্পৰ্ক আছিল । ৰাজনৈতিক নেতাৰ পৰা ধনবান বহু লোকলৈ নাৰীৰ সৰবৰাহ সিদ্ধহস্ত আছিল তেওঁৰ ।
মাকে শিকাইছিল "মানুহ হোৱা" ।
কেনেকৈ পাৰে ইমান বজ্ৰকঠিন হ'বলৈ নাৰী ? স্থিতপ্ৰজ্ঞ নাৰী । এদিন হঠাতে সেই নাৰীৰ হেৰাই গৈছিল লুইতৰ বুকুত ।

ক্যাত্যায়ানীয়ে শুনি গৈছে হৃদয়ত স্তুপীকৃত শৈলুৱৈ গজা কথাবোৰ...বিষাদঘন জীৱনৰ উদভ্ৰান্ত উক্তিবোৰ । নিতালে বৰফ হৈ গোট মাৰিছে অবাংময় কথাবোৰ....বিক্ষিপ্ত অন্তৰ্জগত। খুলি দিছে অগস্ত্যই সমস্ত ভাৰ খহাই পেলাইছে। যেন খৰাঙৰ শেষত চকুহালেদি বৰ্ষা নামি ধুই নিকা কৰিছে শতাব্দীৰ কলুষতা ।

সঁচাকৈ পুৰুষে কান্দেনে ?

অগস্ত্য...আস্ ।

তাই "পুৰুষ" ক লৈ ফুৰা সকলো সংজ্ঞা এটা এটাকৈ কুঠাৰাঘাত কৰি গৈছিল অগস্ত্যই, অভ্যন্তৰৰ জেকালগা, ৰ'দ নপৰা ঠাইৰ সকলো সত্য গলি বৈ আহিছিল । ক্যাত্যায়নীয়ে বাধা দিয়া নাই ।

শতিকাজুৰি গঢ়া সৌধ ।

ভাঙক ।

:- মোৰ সৈতে বিবাহ অগস্ত্যৰ পিতৃৰ প্ৰতি প্ৰতিশোধ নে মুক্তি দিছিল তাইক যন্ত্ৰণাৰ পৰা ??

:- "ইমান স্বাৰ্থপৰ তুমি ক্যাত্যায়নী ?? কেৱল নিজৰ সুখ । আত্মমগ্ন । আত্মতুষ্ট হৈ থাকা । এতিয়াও বিশ্বাস নকৰা মোক ??"

:- **I have never learnt to trust** অগস্ত্য,জীৱনে শিকোৱা এইষাৰ কথাৰ প্ৰয়োগৰ ঐকান্তিক ইচ্ছা কোনোমতে দমন কৰিলে তাই । চাবুকৰ দৰে অগস্ত্যৰ আৰ্তনাদে ক্যাত্যায়নীৰ চৈতন্যক আঘাত কৰিছে । বাধা দিয়াৰ শক্তি ক্ৰমাৎ হেৰুৱাইছে....তাই যাব লাগিব পুনৰ অসমলৈ ? তাইৰ শিপা হেনো অসমত । সোনাগাছিত জন্মদাত্ৰী মাকে কৈছিল সেইষাৰ কথা । আৰু ভাবিবলৈ মন নগ'ল তাইৰ । দোদুল্যমান অভিসাৰৰ নিশা !!

অগস্ত্য তাইৰ বুকুত শুইছে । দুয়ো উন্মুক্ত। মমতাৰে বিধৌত দুহাতে তাই সামৰি ৰাখিছে তাক । এই স্পৰ্শত ভোক নাই । প্ৰগলভ নিৰ্যাস । ভিনচেণ্টৰ সেই গোমধানৰ পথাৰৰ ওপৰত ঘূৰি ফুৰা কাউৰীকিটালৈ ক্যাত্যায়নীৰ মনত পৰিল...। সোনাগাছিত কত পুৰুষ গ্ৰাহকে তাইক বেদীত সজাই উপচাৰ দিছে, কিন্তু অগস্ত্যই তাইক জীৱনৰ শ্ৰেষ্ঠ ৰত্ন অৰ্ঘ্য দিছে । একাকীত্বক তাই ভয় কৰে । দুখবোৰ উদযাপন কৰিবলৈ জীৱনত নিচা লাগে । **No matter how long the winter, Spring is sure to follow."**

কলিকতাৰ চহৰ তেতিয়াও সাৰে আছিল। ষ্ট্ৰীট লাইট বোৰ অতন্দ্ৰ প্ৰহৰী হৈ থিয় দি আছে । প্ৰোজ্জ্বল নিশা । অভিসাৰৰ নিশা । ক'লা মেঘ শেষ হৈ আহিছিল ক্ৰমাৎ ।

ক্যাত্যায়নীৰ শৰীৰ ভিনচেণ্টৰ **starry night** ৰ নীলাভ আকাশত হেৰাই গৈছে । কিজানি অগস্ত্যৰো । যেন দুয়ো আধুনিক মেঘনাদ ।

যতবার তোমাকে দেখি
যতবার ছুঁই
তত বার অচেনা লাগে
ততবার প্রেমে পড়ে যাই !!

ঝংকাৰিত হৈছে নাৰীসত্তা । ক্যাত্যায়নী ।

বিস্ৰুত হৈছে পুৰুষৰ আদিতম সংজ্ঞা । সকলো পুৰুষেই ধৰ্ষণকাৰী নহয় । সকলো পুৰুষ একে নহয় ।

মায়াসনা সাগৰসম ৰহস্য, সনাতনী সুৰৰে বৈ গৈছে সময়..

তৃষিত দৃষ্টিৰে আকাশৰ গাত হালিপৰা জোনৰ আচলত খহি পৰিছে এক স্বগতোক্তি....

জিন্দেগী মিগঝাৰা.....**life's goes on...& goes on**

# চিনেমা আৰু ৱেব চিৰিজ সমালোচনা

নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

# ইৰাণ দেশৰ বিতৰ্কীত ছবি পৰিচালক জাফৰ পানাহী আৰু তেখেতৰ ছবি অফচাইডক লৈ কিছু কথা

অনুৰাধা খান
যাদৱপুৰ বিশ্ববিদ্যালয়

মধ্য প্ৰাচ্যৰ এখন দেশ ইৰাণ, এখন ইচলামিক ৰাষ্ট্ৰ। এই দেশৰ শাসন ব্যৱস্থা বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক, সামাজিক,কূটনৈতিক কাৰ্যকলাপৰ বাবে সততেই সমগ্ৰ বিশ্বত বাতৰিৰ শিৰোনামত থাকে। এই বিশেষ দেশখনৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান। পুৰুষৰ লগত লিঙ্গ সমতাৰ দৃষ্টিৰে তুলনা কৰিব নোৱাৰি, কিয়নো এই দেশত নাৰীৰ মুক্তভাৱে চলা ফুৰাৰ ক্ষেত্ৰত বহুতো নীতি বা নিষেধাজ্ঞা আছে। তেনে এক ধৰণৰ চৰকাৰী ৰীতি মতে দেশৰ মহিলাই পুৰুষৰ সতে একেলগে ষ্টেডিয়ামত বহি খেল উপভোগকৰিব নোৱাৰে, এক অৰ্থত সেই দেশৰ ক্ৰীড়া ষ্টেডিয়াম সমূহত নাৰীৰ প্ৰৱেশ প্ৰায় নিসিদ্ধ। ইৰাণত এই নিয়ম কেৱল নিজ দেশৰমহিলা সকলৰ বাবেহে প্ৰযোজ্য, বিদেশৰ মহিলা সকল কিন্তু এই বাধ্য বাধকতাৰ পৰা মুক্ত। দেশ খনৰ এই নীতিৰ পাছত এক দীঘলীয়া ইতিহাস আছে যদিও এই আলোচনাত আমি সেই ইতিহাসৰ মাজলৈ যাব বিচৰা নাই। আমাৰ এই আলোচনাত আমি ক'বলৈ বিচাৰিছো এজন বিশেষ চলচ্চিত্ৰ পৰিচালক আৰু তেওঁৰ এখন বিশেষ কথাছবিৰ কথা। এই পৰিচালক জনেই ৰাজহুৱা স্থানত নাৰীৰ প্ৰৱেশত থকা নিশেধাজ্ঞাক বিৰোদ্ধাচৰণ কৰি নিৰ্মাণ কৰি উলিয়াইছিল এখন বিশ্ব বিখ্যাত চিনেমা 'অফচাইড' পৰম্পৰাগত শৈলীৰ বিপৰীতে সম্পূৰ্ণ গেৰিলা কাইভাৱে নিৰ্মান কৰি উলিওৱা এই ছবি খন বিদেশত বিশেষভাৱে সমাদৃত হৈছিল। তাৰ বিপৰীতে কিন্তু নিজ দেশৰ প্ৰশাসনে ছবিখনৰ বিতৰ্কিত বিষয়বস্তুৰ বাবে নিজ দেশতেই ছবিখন প্ৰদৰ্শনৰ ক্ষেত্ৰত নিক্ষেধাজ্ঞা আৰোপ কৰিছিল। আমি কব বিচৰা সেইবিশেষ ইৰাণীয়ান চিনেমা পৰিচালক জনৰ নাম হ'ল জাফৰ পানাহী। এই জাফৰ পানাহীয়েই ২০০৬ চনত নিৰ্মান কৰি উলিয়াইছিল অফচাইডনামৰ বিখ্যাত তথা ইৰাণ চৰকাৰৰ দৃষ্টিত এখন বিতৰ্কিত চিনেমা। চিনেমাখনৰ পটভূমি আছিল ইৰাণত অনুষ্ঠিত হোৱা এখন বিশেষ ফুটবল খেল। ২০০5 চনত ইৰাণৰ আজাদ ষ্টেডিয়ামত ইৰাণ আৰু বাহৰেইনৰ মাজত বিশ্বকাপত যোগ্যতা অৰ্জনৰ বাবে এখন খেল অনুষ্ঠিত হৈছিল, আৰু তাতেই ইৰাণে বাহৰেইনক পৰাস্ত কৰি ২০০৬ চনৰ জাৰ্মানী বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰিছিল। সেই খেল উপভোগ কৰিবলৈ ইৰানৰ সকলো শ্ৰেণীৰ নাগৰীক যথেষ্ট উৎসাহী হৈ আছিল, পুৰুষ সকলৰ সমান্তৰালভাৱে কিছু মহিলাই ও এই খেল উপভোগ কৰিবলৈ ইচ্ছা কৰিছিল যদিও ইৰাণ চৰকাৰৰ নীতিৰ বিপৰীতে যোৱাৰ সাহস তেওঁলোকৰ নাছিল। তাৰ মাজতো মুষ্টিমেয় কিছু যুৱতী খেল উপভোগৰ বাবে ষ্টেডিয়ামত উপস্থিত হৈছিলহিআৰু যিকোনো প্ৰকাৰে টিকট যোগাৰ কৰি খেলপথাৰত প্ৰৱেশৰ চেষ্টা চলাইছিল। কিন্তু নিৰাপত্তাৰক্ষীৰ হাতত তেওঁলোক ধৰা পৰে আৰু ষ্টেডিয়ামৰ পিছফালে এটুকুৰা বিশেষ ঠাইত সকলো যুৱতীক একেলগে আটক কৰি ৰাখে, সেই ঠাইলৈ খেল চলি থকাৰ সময়ত আৰু ছোৱালী আনি আটক কৰি ৰাখে। তেওঁলোকেও বাকী সকলৰ দৰেই খেলপথাৰত ভেশ সলাই প্ৰৱেশৰ চেষ্টা চলাইছিল। আটকাধীন সেই মহিলাসকলৰ কোনেও কাকো সেই ঠাইলৈ অহাৰ পূৰ্বে চিনি নাপাইছিল যদিও আটক হৈ থকা সময়ছোৱাত এটা তেওঁলোকৰ মাজত বন্ধুত্ব স্থাপন হয় আৰু বিভিন্ন ধৰণৰ কথা বতৰা পতিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ সেই কথা বতৰাত নিৰাপত্তাৰক্ষী সকলকো চামিল কৰে, আৰু নিৰাপত্তা ৰক্ষী সকলৰ পৰাই হৈ থকা খেলখনৰ অৱস্থা কি পৰ্যায়ত আছে। তাৰ উমান লবলৈ তেওঁলোকে চেষ্টা কৰিছিল। সেইসমূহৰ মাজতেই তাত এটা অবাঞ্চিত ঘটনা ঘটে, অটকাধীন এগৰাকী ছোৱালীৰ স্বাৰ

কৰিব লগাত নিৰাপত্তাৰক্ষীক অৱগত কৰায় যে তেওঁ প্ৰস্বাৱগাৰলৈ যাব বিচাৰে। কিন্তু ষ্টেডিয়ামখনত কোনো ধৰণৰ মহিলা প্ৰস্বাৱগাৰ নাছিল আৰু সেয়ে নিৰাপত্তাৰক্ষী সকলে তেওঁক পুৰুষৰ স্বাৱগাৰলৈ নিবলৈ অস্বীকাৰ কৰে। কিন্তু সমুখত কোনো আন উপায় নেদেখি যুৱতীগৰাকীৰ মুখখন ফুটবলাৰ এজনৰ ফটো থকা এখন পোষ্টাৰেৰে প্ৰথমে মুখখন ঢাকিলয়, যাতে বাকী  লোকসকলে যুৱতীগৰাকীক নাৰী বুলি চিনিব নোৱাৰে। এই সকলো প্ৰস্তুতি কৰি এজন নিৰাপত্তাৰক্ষীয়ে যুৱতীগৰাকীক এগৰাকী বন্দীৰ দৰে পুৰুষ প্ৰস্ৰাৱগাৰলৈকে লৈ যায়, আৰু তাত তেওঁলোকে এক অভাৱনীয় পৰিস্থিতিৰ মুখামুখি হয়। যুৱতীগৰাকীৰ লগত যোৱা নিৰাপত্তাৰক্ষীজনে প্ৰস্বাৱগাৰলৈ যাতে আন কোনো পুৰুষ মহিলাগৰাকী থকাৰ অৱস্থাত যাতে আহিব নোৱাৰে সেই ব্যৱস্থা কৰিবলৈ যাওঁতে কেইজন মান যুৱকৰ লগত হতাহতি ৰ পৰিস্থিতি উদ্ভৱ হয়, সেই সুযোগতে যুৱতীগৰাকীয়ে নিৰাপত্তাৰক্ষীজনৰ চকুত ধূলি দি পলাই যায়। ষ্টেডিয়ামত থকা হাজাৰ হাজাৰ দৰ্শকৰ মাজত যুৱতীগৰাকী হেৰায় যায়, নিৰাপত্তাৰক্ষী জনে ভিৰৰ মাজত যুৱতী গৰাকীক বিচৰাৰ চেষ্টা কৰে যদিও সফল নহয়। কিন্তু পাছৰ পৰ্যায়ত দেখা যায় যে মহিলাগৰাকী পুনৰ পূৰ্বতে আটক হৈ থকা ঠাইলৈ নিজে উলটি আহে। মহিলা গৰাকীয়ে উলটি অহাৰ কাৰণ হিচাপে তেওঁক কয় যে তেওঁ নিৰাপত্তা ৰক্ষী সকল বিপদত পৰাটো বিচৰা নাছিল। ঠিক এইদৰেই আটক হৈ থকা মহিলা কেইগৰাকীৰ নিজা নিজা কাহিনী আৰু ষ্টেডিয়ামত প্ৰৱেশ কৰিবলৈ কৰা প্ৰচেষ্টাই ছবি খনত প্ৰকাশিত হৈছে। পৰিচালক জাফৰ পানাহীয়ে এই যুৱতী কেইগৰাকীক প্ৰতীক হিচাপে লৈ, অফচাইড চিনেমাখনৰ মাধ্যমেদি ইৰাণৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান সমগ্ৰ পৃথিৱীৰ আগত প্ৰকাশ কৰি তুলিছে। এইখনেই যে পানাহীৰ প্ৰথম চৰকাৰৰ ৰোষত পৰা চিনেমা আছিল তেনে নহয়, ইয়াৰ আগতেও পানাহীয়ে এইধৰণৰ কেইবাখনো চিনেমা নিৰ্মাণ কৰি ইতিমধ্যেই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি
থৈছিল।

পানাহীয়ে ভালকৈয়ে জানিছিল যে চৰকাৰক যদি এইখন চিনেমা নিৰ্মাণৰ বাবে অনুমতি বিচাৰে কেতিয়াও অনুমতি নাপায়, সেয়ে তেওঁ এখন ভুৱা চিত্ৰনাট্য তৈয়াৰ কৰি ইৰাণ আৰু বাহৰেইনৰ মাজত হোৱা খেলৰ দিনাই সেই ছবিখনৰ শুটিংৰ অনুমতি বিচাৰে। কিন্তু ইৰাণ চৰকাৰে পানাহীয়ে অতীতত নিৰ্মান কৰা ছবি সমূহৰ বিতৰ্কিতমূলক বিষয়বস্তুৰ কাৰণে ষ্টেডিয়ামত শুটিংৰ অনুমতি নিদিলে। অনুমতি নোপোৱাৰ পাছতো পানাহীয়ে কিন্তু বিশ্বকাপ ফুটবল খেলখনত খুটিং কৰাৰ সুযোগ এৰি দিব বিছৰা নাছিল আৰু অনুমতি অবিহনেই ছবিখনৰ বাবে ষ্টেডিয়ামত প্ৰয়োজন হোৱা শুটিং খিনি তেওঁ কৰি পেলায়। সেয়ে চিনেমাখনত আমি দেখিবলৈ পোৱা ষ্টেডিয়মাৰ তথা খেলৰ শ্বট সমূহ মূল খেলখনৰেই অংশ। প্ৰায় ৩৯ দিনৰ শুটিংৰ পাছত তেখেতে ছবিখনৰ কাম সম্পূৰ্ণ হৈছিল। চৰকাৰৰ চকুত যাতে সহজৰে পানাহীৰ খুটিংৰ কাম কাজ সহজে ধৰা নপৰে সেয়ে তেওঁ পোন প্ৰথমবাৰৰ বাবে সৰু ডিজিটেল কেমেৰা ব্যৱহাৰ কৰিছিল। কিন্তু শুটিং শেষ হোৱা লৈকে চৰকাৰে তেখেতৰ উদ্দেশ্য প্ৰায় গম পাইছিল আৰু নজৰ ৰাখিবলৈ আৰম্ভ কৰি দিছিল।


সামাজিক মাধ্যমত প্ৰকাশ পোৱা এটা সাক্ষাৎকাৰত তেওঁক যেতিয়া সোধা হয় এই এই ছবিখন নিৰ্মাণৰ বাবে তেওঁৰ এই চিন্তা ক'ৰ পৰা আহিল তেতিয়া পানাহীয়ে তেওঁৰ লগত সংঘটিত হোৱা এটা ঘটনাৰ কথা বৰ্ণনা কৰে। পানাহীৰ বৰ্ণনানুসৰি, তেখেতে তেওঁৰ জী চোলমাজ পানাহীৰ লগত এখন ফুটবল খেল চাবলৈ গৈছিল। যোৱাৰ আগতেই পানাহীয়ে তেওঁৰ জীক সকীয়াই দিছিল যে তাইক ষ্টেডিয়ামত প্ৰৱেশ কৰিবলৈ নিদিব, কিন্তু জীয়েক আছিল আকোৰগোজ। ফলশ্ৰুতিত তেওঁলোকৰ মাজত এক চুক্তি হ'ল যে

যদি  তাইক প্ৰৱেশ কৰিবলৈ নিদিয়ে তেতিয়া তাই ঘৰলৈ অকলে ঘূৰি আহিব লাগিব। চোলমাজ সন্মত হ'ল, আৰু দুয়ো ষ্টেডিয়ামলৈ বুলি আহিল আৰু আশা কৰা ধৰণেই তাইক নিৰাপত্তাৰক্ষীয়ে প্ৰৱেশ কৰাত বাধা দিলে। পানাহীয়ে নিৰাপত্তাৰক্ষীক ১০ বছৰীয়া জীয়েকক প্ৰৱেশ কৰিবলৈ দিবলৈ কাকুটি মিনতি কৰিছিল যদিও প্ৰৱেশদ্বাৰত থকা লোকসকল সন্মত নহ'ল ফলশ্ৰুতিত তেওঁ অকলেই ষ্টেডিয়ামলৈ সোমাই যায়। ষ্টেডিয়ামত প্ৰৱেশ কৰাৰ পাছতেই পানাহীয়ে নিজ জীক অকলে ঘৰলৈ উভটাই পঠিওৱাক লৈ অনুশোচনাত ভূগিবলৈ ধৰিলে, কিন্তু ঠিক সেই সময়তেই তেওঁৰ জীয়েকক তেওঁৰ ফালে আহি থকা দেখিবলৈ পালে। তেওঁ যথেষ্ট আচৰিত হ'ল আৰু তাইক সুধিলে যে কেনেকৈ তাই প্ৰৱেশ কৰিব পাৰিলে, তেতিয়া চোলমাজে এটা কথা কলে যে যিকোনো সমস্যাৰে সমাধানৰ এটা পথ সদায় থাকেই। আৰু সেই তাৰ পৰাই পানাহীৰ অফচাইড নিৰ্মানৰ ধাৰণা আৰম্ভ হ'ল, এই চিন্তা আগত ৰাখি যে যদি এজনী ছোৱালীয়ে বা যুৱতীয়ে ষ্টেডিয়ামত প্ৰৱেশ কৰিব বিচাৰে তেতিয়া হ'লে তাই কি কৰিব লাগিব। এই দৰেই আৰম্ভ হৈছিল অফচাইড নিৰ্মানৰ চিন্তা, পানাহীয়ে চিনেমাক এক মাধ্যম হিচাপে লৈ কাহিনীৰ চৰিত্ৰ সমূহক প্ৰতিবাদী চৰিত্ৰ হিচাপে গঢ় দিছিল আৰু তেওঁলোকৰ মুখত এনে কিছুমান সংলাপ দিছিল যিয়ে ইৰাণৰ সমাজ ব্যৱস্থাৰ বৈষম্যবাদী চৰিত্ৰ সমগ্ৰ পৃথিৱীৰ আগত তুলি ধৰে ।

২০০৬ চনৰ ২৬ মে তাৰিখে অফাইড প্ৰথম আনুষ্ঠানিক ভাৱে বাৰ্লিন ফিল্ম ফেষ্টিভেলত প্ৰদৰ্শিত হয় আৰু তাতেই ছবিখনে খনে চিলভাৰ বিয়েৰ জুৰি গ্ৰেণ্ড প্ৰিক্স পুৰস্কাৰ লাভ কৰে। সমান্তৰালভাৱে একে সময়তেই ইৰাণ চৰকাৰে ইৰাণত ফিল্মখন প্ৰদৰ্শনৰ ক্ষেত্ৰত নিসিদ্ধ ঘোষনা কৰিছিল। ইয়াৰ আগতেও ইৰাণ চৰকাৰে তেখেতৰ দুখন ছবি **The Circle(২০০০)** আৰু **Crimson Gold (২০০৩)** ৰ ইৰাণৰ সমাজবিৰোধী বিষয় বস্তুৰ বাবে দেশত প্ৰদৰ্শণৰ ক্ষেত্ৰত নিসিদ্ধ ঘোষণা কৰি থৈছিল। কিন্তু চতুৰ পানাহীয়ে তেনেধৰণৰ কিবা অঘটনৰ আশংকা কৰিয়েই সমগ্ৰ ইৰাণত ছবিখন বিতৰণৰ কাম পূবেই সম্পন্ন কৰিছিল, লগতে তেওঁ আশা কৰিছিল যে এই ছবিখনে ইৰাণত পূৰ্বৰ বক্সঅফিচৰ সকলো অভিলেখ ভাঙি দিব। চৰকাৰে ছবিখন নিসিদ্ধ। ঘোষণা কৰাৰ পাছতো কিন্তু সমগ্ৰ ইৰাণত ছবিখনৰ অনুজ্ঞাপত্ৰহীন দি.ভি.দিৰ কপি বিয়পি পৰিছিল। ছবিখনৰ প্ৰতি দৰ্শকৰ সহাৰিৰ ওপৰত মন্তব্য কৰিবলৈ গৈ পানাহীয়ে এই অফচাইদক ইৰাণত সৰ্বাধিক লোকে চোৰা ছবি বুলি দাবী কৰিছিল। অফচাইদ প্ৰদৰ্শন পাছতে ইৰাণৰ কিছু মহিলাই তেওঁলোকৰ অধিকাৰ সম্পৰ্কে জনাই ফিফালৈ এখন চিঠি লিখিছিল, য'ত প্ৰায় এক লক্ষাধিক মহিলাই চহী কৰিছিল। ছবিখনৰ আমেৰিকাৰ বিতৰণ সংস্থা **(Sony Pictures Classics)**ৰ কতৃপক্ষইও ইৰাণ চৰকাৰলৈ এখন চিঠি লিখিছিল, চিঠিখনৰ জৰিয়তে তেওঁলোকে ইৰাণ চৰকাৰক অনুৰোধ জনাইছিল যাতে চৰকাৰে ছবিখন কেৱল মাত্ৰ এটা সপ্তাহৰ বাবে হলেও নিজা চহৰত প্ৰদৰ্শণৰ অনুমতি দিয়ে। এনে কৰিলে তেওঁলোকে ছবিখনক শ্ৰেষ্ঠ বিদেশী ভাষাৰ ছবিৰ শিতানত মনোনীত কৰি প্ৰচাৰ চলাব পাৰে, কিন্তু ইৰাণ চৰকাৰ এই ক্ষেত্ৰত মান্তি হোৱা দেখা নগল।চৰকাৰৰ নীতিৰ বিৰুদ্ধে বিভিন্ন কাম কাজ কৰি ৰোষত পৰা পানাহীক বিভিন্ন সময়ত বিভিন্ন কাৰণত আইনী মেৰপাকত। সোমোৱাই ইৰাণৰ শাসন ব্যৱস্থাই কণ্ঠ ৰোদ্ধ কৰাৰ চেষ্টা চলাই আহিছিল আৰু তাৰ চৰম পৰিণতি হিচাপে ২০১০ চনৰ মাৰ্চ মাহত পৰিয়ালৰ সৈতে জাফৰ পানাহীক ইৰাণ চৰকাৰে গ্ৰেপ্তাৰ কৰে। পানাহীৰ লগতে তেখেতৰ পত্নী, জী সহ তেখেতৰ কেইবাজনো বন্ধুকো চৰকাৰে আটক কৰে, চৰকাৰৰ মতে তেওঁলোকে দেশৰ বিৰোদ্ধে অপপ্ৰচাৰত লিপ্ত হৈছে। গ্ৰেপ্তাৰৰ ৪৮ ঘণ্টাৰ ভিতৰত বাকী সকলক মুক্তি কৰি দিয়ে যদিও পানাহীক গ্ৰেপ্তাৰ কৰি ৰাখে। সেই বছৰে ২০ ডিচেম্বৰত ইচলামিক ৰিভলিউচনেৰি কৰ্টে পানাহীক ছয় বছৰৰ কাৰাদণ্ড আৰু বিশ বছৰৰ বাবে ছবি নিৰ্মাণৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰী কৰে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

কিন্তু অন্তঃৰাষ্ট্ৰীয় বিভিন্ন মানৱ অধিকাৰ সংস্থাৰ হেচাত পৰি ইৰাণ চৰকাৰে ২০১১ চনৰ ১৫ অক্টোবৰৰ তাৰিখে পানাহীৰ ওপৰত থকা কাৰাদণ্ড আৰু নিশেধাজ্ঞাৰআদেশ ওঠাইলয়, কিন্তু তাৰ পৰিবৰ্তে পানাহীক গৃহবন্দী কৰি ৰখাৰ সিদ্ধান্ত লয়, লগতে তেওঁ যাতে নিজ দেশৰ সীমা পাৰ হৈ যাব নোৱাৰে তাৰ ক্ষেত্ৰটো নিক্ষেধাজ্ঞা আৰোপ কৰে। এই গৃহবন্দীত্বৰ সময়চোৱাত পৃথিৱীৰ বিভিন্ন প্ৰান্তত হোৱা চলচ্চিত্ৰ মহোৎসৱ সমূহৰ পৰা বটা গ্ৰহণৰ বাবে পানাহীৰ জীয়াৰী চোলমাজে ভ্ৰমণ কৰিছিল আৰু পিতাকৰ বৰ্তাও কঢ়িয়াই নিছিল। ২০১১ চনত পানাহীক বাৰ্লিন ফিল্ম ফেষ্টিভেলত জুৰী হিচাপে মনোনীত কৰা হৈছিল যদিও পানাহী সেই মহোৎসৱত বন্দীত্বৰ বাবে উপস্থিত হ'ব পৰা নাছিল, কিন্তু বাৰ্লিন ফিল্ম ফেষ্টিভেলৰ আয়োজকে তেখেতৰ সন্মানাৰ্থে মঞ্চৰ এখন খালী ঠাইত তেওঁৰ নাম লিখি ৰাখিছিল আৰু সেই ঠাইৰ পৰাই তেওঁ ইংৰাজীত লিখি পঠিওৱা এখন সৰু চিঠি পাঠ কৰি দিয়া হৈছিল। গৃহবন্দীৰ সময়ছোৱাত যে পানাহী মনে মনে আছিল তেনে নহয়, প্ৰতিবাদৰ ভাষা হিচাপে তেওঁ কেমেৰাটোকেই বাছি লৈছিল আৰু বিভিন্ন কৌশল অৱলম্বন কৰি নিৰ্মান কৰি ওলিয়াইছিল কেইবাখনো ছবি। ২০১১ চনত তেখেতে ঘৰতে বহি বহি নিৰ্মান কৰি ওলিওৱা 'দিচ ইজ নট এ ফিল্ম' নামৰ ছবি খনেই উল্লেখযোগ্য উদাহৰণ তেখেতৰ চিনেমাৰ ক্ষেত্ৰত থকা সবল সৃজনীশীলতাৰ। তাৰ লগে লগে ২০১৫ চনত পানাহীহে নিৰ্মান কৰি ওলিওৱা টেক্সী নামৰ ছবিখনৰ জৰিয়তেও তেওঁ নিজৰ সৃষ্টিশীলতাৰ প্ৰমান পোৱা গৈছে। ১৯৯৫ চনতেই চলচ্চিত্ৰ জীৱন আৰম্ভ কৰা পানাহীয়ে বৰ্তমানলৈকে ৯ খন পূৰ্ণ দৈৰ্ঘৰ ছবি নিৰ্মান কৰি উলিয়াইছে আৰু প্ৰায় সংখ্যক ছবিৰ কাৰণেই তেখেতে আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ইৰাণৰ মৌলবাদী চৰকাৰৰ ৰোষত পৰি আহিছে। উল্লেখযোগ্য যে ১৯৯৫ চনতেই পানাহীৰ জীৱনৰ প্ৰথমখন পূৰ্ণদৈঘ্যৰ ছবি **The White Ballon** সন্মানীয় কান্ চলচ্চিত্ৰ মহোৎসৱত **(Cannes Film Festival)** বঁটা আজুৰি আনিবলৈ সক্ষম হৈছিল, কান্ মহোৎসৱত সন্মানীত হোৱা এইখনেই আছিল ইৰাণৰ প্ৰথমখন চলচ্চিত্ৰ। জাফৰ পানাহী আজিৰ তাৰিখত ইৰাণৰ লগে লগে সমগ্ৰ পৃথিৱীৰ বাবেই এক প্ৰতিবাদী কণ্ঠ, তেখেতে চিনেমাৰ মাধ্যমেৰেই সমাজত ঘটি থকা অন্যায় অবিচাৰ অনীতিৰ বিৰোদ্ধে সোচ্চাৰ হৈ আহিছে। সেই প্ৰতিবাদৰে এক অংশ আছিল অফচাইদ, যদিওবা ইৰাণ চৰকাৰে চিনেমাখন নিসিদ্ধ ঘোষনা কৰিছিল আজিৰ তাৰিখত অফচাইদ এখন অতি সহজে সামাজিক মাধ্যমত উপলব্ধ এখন চিনেমা। ছবিখনৰ জৰিয়তে পানাহীয়ে সমগ্ৰ পৃথিৱীক এক অতি গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় বৰ্তা দিব বিচাৰিছিল, সেই বাৰ্তা চিনেমাৰ মাধ্যমেৰে জনসাধাৰণৰ কাষ চাপিব পাৰিছে। নাৰীৰ সমতাৰ কথা কবলৈ গৈ অফচাইদে ইৰাণ চৰকাৰ বা সমাজ ব্যৱস্থাৰ মৌলবাদী চৰিত্ৰ সকলোৰে আগত দাঙি ধৰিছে। এই সমূহৰ ওপৰিও পানাহীৰ লগতে ইৰাণীয়ান ছবিৰ আন কিছু গুৰুত্বপূৰ্ণ দিশ আছে, ইয়াৰ এক মূল দিশ হৈছে নিৰ্মাণ শৈলী। জাফৰ পানাহীৰ দৰে পৰিচালক সকলে অতি কম টকা খৰচ কৰি এখন পূৰ্ণ দৈৰ্ঘ্যৰ চিনেমা নিৰ্মাণ কৰি আন্তঃৰাষ্ট্ৰীয় দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। তাৰ বাবে তেওঁলোকে অপেচাদাৰী অভিনেতা অভিনেত্ৰীৰ সহায়ত কোনোধৰণৰ আৰ্টিফিচিয়েল চেটৰ সহায় নোলোয়াকৈ লোকেচন শ্যোটিংত গুৰুত্ব আৰোপ কৰে। এই ধৰণৰ শৈলী অসমৰ দৰে এখন সীমিত সংখ্যক ছবিৰ দৰ্শক থকা ঠাইৰ বাবে অতি গুৰুত্বপূৰ্ণ। পানাহীয়ে তেখেতৰ শেষৰ খন ছবি ২০২৮ চনতেই নিৰ্মান কৰি মুক্তি দিছিল গতিকে শেষত এই কথা আশা কৰি শেষ কৰিব পাৰি যে তেখেতে খুব সোনকালেই তেখেতৰ দহ নম্বৰ খন চিনেমা খন মানৱসমাজৰ দাপোন হিচাপে বিশ্ববাসীৰ বাবে মুকলি কৰি দিয়ে।


OFFSIDE
A FILM BY JAFAR PANAHI

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

## SERIES CRITICAL REVIEW

Joyashree Devi
M.A. 1ST SEMESTER
Department Of Political Science,
Dibrugarh University

**Title of the Series: Defending Jacob**

**Director: Morten Tyldum**
**Screenplay : Mark Bomback**

**Starring: Chris Evans, Michelle Dockery, Jaeden Martell, Cherry Jones, Pablo Schreiber, Betty Gabriel, Sakina Jaffrey, J. K. Simmons**

**Genre: Crime drama**
**Duration : 402 minutes (entire series)**
**Language: English**
**Release Date: April 24, 2020**
**Network: Apple TV+**
**No of episodes: 8**

**Plot Summary**

A local Massachusetts 14 year boy named Ben Rifkin if found stabbed to death in a suburban park and Andrew "Andy" Barber (Chris Evans) who is a Assistant District Attorney takes up the case. Things were going quite well in his life and procedure of the case was also progressing when his son Jacob (Jaeden Martell) is accused of the murder and is arrested which turns the procedure personal. Jacob's fellow classmates start talking on the social media about how Jacob owned a knife which he liked to show off at school and most of the evidence suggests that Jacob did it. But Jacob is very confident that he is innocent and both his parents too don't think that their son is a murderer. The story then explores what the Barber family undergoes while protecting their son from media attention, combative prosecutors and neighbourhood gossip and while questioning themselves whether their own child could be capable of doing such heinous crime.

Initially, Laurie (Michelle Dochery) thinks that her son is innocent but as all the evidences points towards her son of being capable of committing such a crime, begins to question her son's lack of empathy and dark sense of humour, wondering if, she could have raised a sociopath. Andy helps mount the defense with Attorney Joanna Klein (Cherry Jones) whereas on the other side Neal Logiudice(Pablo Schreiber) builds a convincing case against Jacob.

Jacob's trial ends with a declaration of innocence, after a pedophile named Leonard Patz (Daniel Henshall) whom Andy suspected of the murder, hangs himself and confesses to Ben's murder in a suicide note. Ultimately, however, Andy learns that Patz was forced to make that confession, and it was Andy's father, William"Bloody Billy"(J. K . Simmons) - who is in prison for a decades-old murder- ordered an accomplice to frame and murder Patz, to protect his(Billy's) grandson, Jacob.

The Barbers go on a vacation to Mexico in order to distress themselves post trial , but Andy remains skeptical of his son's innocence all the way. When a young girl named Hope whom Jacob had befriended in Mexico goes missing under mysterious circumstances and the police interrogates Jacob for the disappearance,

Andy can't help but wonder whether Jacob might be involved again. That night Andy, heavily drunk, finally breaks before Laurie and tells her the truth about Patz being killed by Billy . Eventually, Hope is found alive but the Barbers leaves Mexico early. Later Laurie, troubled and distraught by Andy's revelation takes Jacob for a haircut where a confrontation breaks out between Laurie and Jacob in the car. As Laurie begs Jacob to tell her the truth, who continuously denies killing Ben, pushes the car to go faster and faster, ultimately crashing and seriously injuring them both.

When Laurie wakes up in the hospital, she insists that the crash was an accident, but Andy isn't so sure, comes back to his house and starts reflecting upon.

Review "Defending Jacob" an American crime drama miniseries ,is an adaptation of the 2012 book "Defending Jacob" by William Landay ,however , there has been certain deviations from the original storyline in certain scenes. The miniseries is amazingly shaped - it first seems like a simple murder but as the story gets deeper and deeper many new things unfold from words like "murder gene" to every episode giving rise to a new suspect from a local sex offender and other classmate of Jacob.

The performances of the actors are absolutely great. Chris Evans is really great as he steps out of his comfort zone of playing a 'superhero character' to a father who can go to any length to save his son but at the same time is haunted by his own father's crime history . His character might have been the most difficult one actually, because the thing Chris Evans struggles is both responsibility and love. He seems to be overpowered by parental love than by the truth turning a blind eye to Jacob's suspicious activities. Michelle Dockery's role also becomes a voice of substantial reason whose performance as a helpless mother becomes visible as the doubt begins to seep in. She has made an impactful performance. The on –screen chemistry between Chris and Michelle is not that strong despite their efforts. Meanwhile Martell's character Jacob expresses a combination of innocence and probable guilt and his portrayal is really astonishing as his expressions, mysterious stares and evasive emotionless answers keep the audience in suspense as to whether he is guilty or not.

The background score by Atli Orvarsson adds a layer to the already tensed situation. Blue, grey and brown colour dominate the visuals that add to the dark theme of the series . Above that, Jonathan Freeman's cinematography adds a humane touch to the close-up shots.

The show depicts the crisis of parenting and the idea of how far one would go for your loved ones. And makes the audience to both doubt and empathize with Jacob while also criticizing and empathizing Andy and Laurie.

There are 2 major deviations from the books narrative-one being the revelation that Hope is alive and well whereas in the book Jacob murdered her and the other is Jacob going into coma after the accident but whereas in the novel Jacob dies in the crash.

The series consists of 8 episodes but it might have been better if it was only of 6 episodes given the length of the story where it seems to have been dragged. One keeps craving for more information and sometimes don't get it. There are episodes in the middle where it seems like not a lot is learned, you don't really get a lot of information and since except for the first 3 episodes that all dropped at once the next ones were dropped once a week  keeps you hoping for information and sometimes not getting it. The show was slow in terms of its pace.

Overall , the series becomes intriguing as the mystery unfolds gradually, however, till the end the question remains unanswered whether Jacob is guilty or not and keeps audience anticipating for a second season of the series although the book ends with the death of Jacob. The courtroom–drama seasoned with emotional dilemma and psychological toll of the Barber family makes the series worth experiencing. It might seem a little slow which has been stretched too far, but the performances by the actors hit the mark making it worth a watch.

# অনুভৱ

নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

# ডাষ্টবিনোল'জি

আইমুনু দিহিঙীয়া
গ্ৰন্থাগাৰ আৰু তথ্যবিজ্ঞান অধ্যয়ন কেন্দ্ৰ
ডিব্রুগড় বিশ্ববিদ্যালয়

কথাবোৰ তেনেই সাধাৰণ।প্ৰতিদিনেই ঘটি থকা একো একোটা ঘটনা । আচলতে চকুৰ সমূখতে পাৰ হৈ যায় কিমান জীৱন,সাধুকথাৰ দৰে জীয়া ঘটনাবোৰ। প্ৰতিদিনাই জানো পাৰ নহয়? আচলতে আমি মন নকৰো । মন কৰিবলৈ সময়েই বা কত? ব্যস্ততাৰ নামত আমিবোৰ ভিষন অহংকাৰী... আনকি কথাবোৰ লিখি ৰাখিম বুলিয়ো লিখি নৰখা এলেহুৱা। কেৱল ময়েই নহয়। মোৰ দৰে আন বহুতৰো।

এই যে মোবাইলটো,হাতৰ লেপটপটোৱেহে যেন নিয়ন্ত্ৰন কৰে আমাৰ জীৱনবোৰ। আকাশ,বতাহ,বৰষুন,নিয়ৰ এইবোৰৰ স্পৰ্শ যেন পাহৰি পেলাইছো। অৱশ্যেই কেতিয়াবা মোৰ দৰে আপোনাৰো মন নাজায়নে এই সমস্ত জঞ্জালবোৰৰ মেৰপাকৰ পৰা আঁতৰি অলপমান নিজৰ সতে সময় কটাবলৈ।আপোন পাহৰা হৈ পৃথিৱীখন চাবলৈ। এৰা ! সকলোৰে যায়।পত্নীৰ আচৰনত মূৰ নষ্ট হোৱা স্বামীৰ,সন্তানৰ ভণ্ডামি সহ্য কৰা মাতৃৰ,প্ৰেয়সীৰ দ্বাৰা প্ৰতাৰিক প্ৰেমিক অথবা ৰাজনীতিৰ নেতা... সকলোৰে ।কোনোৱে পাৰে,কোনোৱে পুনৰ অজুহাত এটা লৈয়ে অভ্যাসত পাৰ কৰে সময়।

মোৰো এনে হৈছিল।ব্যস্ততাৰে পৰিপূৰ্ন জীৱনটোত অৱকাশ নাছিল হেপাঁহ পলোৱাই সাৱতি লবলৈ এআকাশ।কিন্তু সেইদিনা আছিল ব্যতিক্ৰম।নোপোৱা,পাইয়ো হেৰুৱাই পেলোৱা কিহবা এটাই বুকুত বিষ হৈ ওলমি ৰৈছিল। কি আছিল পাহৰিলো।স্হিৰ কৰিব পৰা নাছিলো নিজকে।শেষত ওপায়ন্তৰ হৈ অনবৰতে লগত ৰখা ফোনটো বিচনাতে এৰি সকলো জঞ্জাল একাষে থৈ ওলাই আহিলো।মই আৰাম পোৱা কপাহী কাপোৰৰ দীঘল পেনটো আৰু কেইবাবছৰ পুৰনি বহল হোৱা স্পৰ্টিংটো পিন্ধিয়েই। মোৰ দেখোন তেনেকৈ থাকিয়েই আৰাম লাগে।ৰিবন ডালেৰে খোপা এটা কৰি ৰখা জঁট লগা চুলি,অনবৰতে চকুত লাগি থকা সামান্য কাজল আৰু হাৱাই চেন্দেলজোৰ।সি ভাল পাইছিল বাবেই লগাইছিলো নেকি কাজল?এই ভাৱটো অহাৰ লগে লগে মোহাৰি পেলালো।আৰু এতিয়া সম্পূৰ্ন মই মোৰ সতে।

গৈ আছো মুঠতে খোজ কাঢ়ি।ফুটপাথটো যেন এতিয়া খুব আপোন।মন কৰিছো সকলোকে। পথৰ কাষত কয়লাত গোমধান সেকি থকা বৃদ্ধ ককা জন,ফুচকাৱালাজন,সন্ধিয়া কুকুৰা হাঁহৰ মৃতদেহ লৈ গ্ৰাহকৰ সৈতে দৰ দাম কৰি থকা বেপাৰী কেইজন। কেনে অদ্ভূত দেখি এই মাংসৰ দোকানবোৰ! সন্ধিয়া চকুৰে মনিব নোৱাৰা বস্তু সামৰি থকা মুচি কেইজন। সকলোবোৰেই দেখোন একো একোটা গল্প।নিজকে কিবা ৰহস্য ভেদ কৰিবলৈ অহা যেন লাগিল। তথাপি দেখোন ভাল লাগিছে। যেন এই সময়খিনি উপভোগ কৰিবৰ বাবেই কিবা এটাই দোলা দি আছিল মনত। আৰু এতিয়া মই এজনি চৰাইৰ দৰেই উৰি আছোঁ আকাশত।

আহি আহি মই থিক থানা চাৰিআলিৰ অভাৰব্ৰিজ পালোহি।শোভাযাত্ৰা বা কনো সমদলৰ বাহিৰে ব্ৰিজ খনত খোজ কাঢ়ি পোৱা নাই।আজি কাঢ়িমাগৈ আছো, মন গলে ইপাৰৰ ফুটপাথটো,মন গলে সিপাৰৰ ফুটপাথতটো। যিমানেই ওপৰৰ ফালে গৈ আছো সিমানেই ভৰি বিষায়।তলমূৰা খিনিৰ পৰা খোজ খৰটকীয়া হয়। জীৱনৰ ক্ষেত্ৰতো যেন তেনেকুৱাই।ব্ৰিজৰ ওপৰৰ পৰাই গাৰ্ডেন ট্ৰিটৰ বিয়াখন চালো।কি আজব কায়দাৰ বিয়া এইবোৰ।মোৰ অস্বস্তি লাগে। ব্ৰিজৰ একেবাৰে শেষৰলৈকে পালোগৈ। ওভটি আহিলো। মন কৰিলো কোনেও দেখোন মোক চোৱা নাই।আচলতে সময় নাথাকে কাৰোৰে। তথাপি সামান্য ওলাই আহিলেই অন্যদিনা আমি সজাই লওঁ নিজকে।প্ৰয়োজনীয় জানো? বাৰু থাকক। নিজক সজাই ৰাখিব পৰাটোও এক কলা। সকলোৱে নোৱাৰে। এইবাৰ চাৰিআলিৰ কাষত থকা জিৰণী ঘৰটোতে অলপ বহিলো। পিয়াহ,ভোক এইবোৰ কৰবাতে থাকি আহিলো।এনেতে চকু পৰিল শুকান মাছ বেছা এজন বৃদ্ধলৈ। বহুপৰ চাই ৰ'লো তেওঁক। তেওঁৰ কথা অন্য এদিন লিখিম। আজি বেলেগ এটা কথাৰ বাবেহে লিখি আছো মনত পেলাই পেলাই।হতাশাই আগুৰি ধৰিলেই মনত পেলাওঁ কথাবোৰ,মানুহৰ কাহিনীবোৰ...

এইবাৰ এগৰাকী কৰ্কশ বগা চুলিৰ বৃদ্ধাই মোৰ চকু,মন সকলো কাঢ়িলে। মই কব নোৱাৰাকৈয়ে উঠি আহিলো তেওৰ কাষলৈ। তেওঁ যেনি ঘৈছে মই তেওঁৰ পাছে পাছে। প্ৰতিটো ডাষ্টবিনলৈ যাওঁতে তেওঁ মনত বৰ বেলেগ ধৰনৰ আশা এটা লৈ গৈছে।মানুহবোৰে পিয়াহত পানী খাই পেলাই থৈ যোৱা পানীৰ বটলবোৰৰ বৈ যোৱা পানীখিনি পেলায় বটলটো বৰ আটোমটোকাৰিকৈ পিঠিৰ মোনাটোত ভৰাই লৈছে।মোনাটো যথেষ্ট ডাঙৰ। এৰা পেটৰ ভোক গুছোৱা মোনা ডাঙৰেই। অলপ পাছতেই অকলমানি লৰা এটা আহি আইতা গৰাকীৰ কাষতে ৰ'লহি। তাৰ হাততো বটলেৰে ভৰ্তি এটা মোনা।দুয়োটাই স্বস্তিৰ হাঁহি এটা মাৰি ঘৰলৈ বাট ললে।

মইয়ো আৰু পাছে পাছে নগলো। প্ৰাপ্তিৰ হাঁহি এটা লৈ ওভটি আহিলো।

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# অভিমানবোৰ থুপ খাই উপচি পৰে নাহৰৰ পাতত...

প্ৰণতি কলিতা
ডিব্রুগড় বিশ্ববিদ্যালয়

"তোমাৰ নাম,ক'ৰ পৰা আহিছা ?অ' যোৰহাটৰ ? সকলোৱেই নিজৰ নিজৰ পৰিচয় বোৰ দি যোৱা...."-এয়াই আছিল আৰম্ভণি...

আবতৰীয়া বৰষুণজাক আৰু থুপ খাই উপচি পৰা মোৰ সৰু সৰু অভিমানবোৰ প্ৰায়একে সময়তে লগ হয়... এৰা ,ঠিকেই কৈছোঁ, মোৰ সৰু সৰু অভিমান বোৰৰ গৰাকী কাৰোবাৰ এখনি শুকান ৰুমালৰ পৰিবৰ্তে সুদীৰ্ঘকাল কত হাঁহি-কান্দোন,কত স্মৃতি,কত সোঁৱৰণীৰ সাক্ষী হৈ ৰোৱা নাহৰৰ দীঘলীয়া  শাৰীবোৰ আৰু চিৰি চিৰি সেউজীয়া পাতবোৰ... নাহৰৰ দীঘলীয়া চিৰি চিৰি পাতবোৰ মোৰ যেন একান্ত ব্যক্তিগত...আপোন বুলিবলৈ এই অচিনাকি নাহৰৰ দেশত আছে  মোৰ হাঁহি-কান্দোন ,মোৰ অস্তিত্বক বুজা ,মোৰ চঞ্চলা, উন্মনা ,মোৰ সৰু মনটোক বুজা নাহৰৰ সেউজীয়া পাতবোৰ...

কিন্তু এইয়া কি?হঠাৎ এটা notification...উদ্দেশ্য বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা Covid-19 ৰোধৰ নিমিত্তে  আভাসগৃহবোৰ অনতিপলমে খালি কৰাৰ...খন্তেকতে যেন সকলো সলনি হৈ গ'ল....DU haat ,জ:চাগ ,জ্যোতি,বুলবুলিৰ সন্ধিয়াৰ লানিনিছিগা আড্ডা বোৰ ,classroom ৰ কিৰিলিবোৰ, হোষ্টেল ৰ হাঁহি বোৰ...আৰু ...আৰু নাহৰৰ ওপৰত কৰা মোৰ সৰু সৰু অভিমানবোৰ ...সকলোচোন চকুলো হৈ বাগৰি পৰিছে...,লাইব্ৰেৰী, খেলপথাৰৰ দুবৰিবোৰে উচুপিছে ,university ৰ কাৰোবাৰ  মিচিকিয়া হাঁহি, কাৰোবাৰ দীঘল চুলিকোছা ৰ প্ৰেমত পৰা প্ৰেমিক জনৰ হৃদয়খনো যেন ভাঙি পৰিছে ...হয়তো কত জনৰ মনৰ কথা মনতেই ৰৈ গ'ল,নতুনকৈ জীৱন গঢ়াৰ সপোন লৈ অহা পক্ষীবোৰো নৌ দুদিনতেই পুনৰ ঘৰমুৱা হ'ল...,university ৰ পাৰ্কত বহি তুমিৰ পৰা আমি হোৱাৰ সপোন ৰচা কতজন প্ৰেমিক-প্ৰেমিকাৰ  বুকু আবেগেৰে উপচি পৰিল...ভঙা হৃদয়েৰে ট্ৰলী বোৰৰ গৰাকী আগবাঢ়িল জ্যোতিবাটচৰাইদি... পুনৰ ঘৰলৈ... উভতনি বাটত মোৰ নাহৰৰ সৈতে বিচ্ছেদে হৃদয়খন আবেগেৰে দোলা দি গ'ল....কাৰণ.. নাহৰৰ সৈতে আছিল যে মোৰ নিবিড় সম্পৰ্ক....

ডাৱৰ ফালি অহা বৰষুণৰ টোপালবোৰ ক্ৰমাৎ ডাঙৰ হৈ অহাৰ লগে লগে মই জনীয়ে খৰকৈ খোজ লওঁ...ইয়াৰ লগে লগেই আনদিনাৰ দৰেই মেলি লোৱা মোৰ নানাৰঙী ছাতিটো আৰু নাহৰৰ চিৰি চিৰি পাতবোৰ হৈ পৰে মোৰ সংগী...

আৰু এনেকৈয়ে আৰম্ভ হয় নাহৰৰ সৈতে মোৰ কথোপকথন বোৰ...

জাননে নাহৰ...কালি ৰাতি  hostel ৰ খিৰিকীৰ কাষতে ৰৈ  চৰাই এটাই বৰ বিৰহৰ গীত জুৰিছিল  অ'...তাইৰ হিয়াভগা গীতত মোৰ হৃদয়খন আবেগতে বৰ ছাটি-ফুটি কৰিছিল ...কিহৰ বেজাৰত বা চৰাইটিয়ে এনেকৈ বিলাপ জুৰিছে... হয়তো কোনোবা আপোনজনক হেৰুৱাইছে... হয়তো...

এৰা, নাহৰ... যি নাহৰে জানে মোৰ সমস্ত গোপন ব্যাথা... বহু সত্যৰ আঁৰৰ সত্য... যি জানে কেৱল আৰু কেৱল নাহৰে... আনৰ বাবে মোৰ ত্যাগ...মোৰ মিচিকিয়া হাঁহিটোৰ আঁৰৰ কত বেদনা, প্ৰতাৰণা...মোৰ হৃদয়ৰ প্ৰতিটো গোপন তথ্য ,যাৰ সাক্ষী কেৱল আৰু কেৱল নাহৰ ....মোৰ ত্যাগৰ কথা জানিলে নাহৰে কান্দে... বুকু ঢাকুৰি কান্দে... মই সেইসময়ত কৰা জীৱনৰ অভিনয় বোৰ দেখি নাহৰে হাঁহি হাঁহি কান্দি পেলাই....কৈ যায় মোক কাণে কাণে..."ইমান আজলী নহ'বি অ' আই... ইমান ত্যাগ আৰু নকৰিবি... আনৰ হৃদয়ৰ বাবে নিজৰ হৃদয়খন থান-বান কৈ ভাঙি পেলাবলৈ অকণো দুখ নালাগিছিল নে তোৰ আই .."বৰ সহজ... ওপৰতে কিছুমান কথা কৈ দিবলৈ ...তাই.."কিন্তু কেৱল আৰু কেৱল তাই আৰু নাহৰে জানে নাহৰৰ দেশত তাইৰ জীৱনৰ বহু সত্য... বহু গোপন ৰহস্য...আৰু আনৰ বেদনাৰ কথা ভাবি নিজেই সপি লোৱা কত বেদনা,কত ত্যাগ...

অবুজন হলে নাহৰে মোক মা ৰ দৰে বুজনি দিয়ে, বাইদেউৰ দৰে মৰম আৰু ...উম.. আৰু বেছি অবুজন হলে... দেউতাৰ দৰে খং কৰে... আৰু ভাল বন্ধু-বান্ধৱীৰ দৰে অভিমান...

তই জান নাহৰ,... বেলি লহিওৱাৰ লগে লগে মই যেন পুনৰ অকলশৰীয়া জনী হৈ পৰোঁ...জীৱনে শিকাই যোৱা প্ৰতিটো কথাই তোক কৈ যাওঁ আৰু কওঁ...মোৰ দুখ আৰু মোৰ সুখ...

আকৌ.. নাহৰে দিয়া সেই বুজনিত কওঁ..."একো নাই দে... মোৰ দুখ হৈ আন মানুহৰ / আন এজনী/আনকাৰোবাৰ/জীৱন সুখী কৰিব পাৰিলোঁ...তাত কৈ আৰু মোক কিবা লাগেনে... কিয় হাঁহিছ...?কেতিয়াবা অভিনয় কৰিব লগা হয় সুখী হোৱাৰ... কেতিয়াবা নাটক কৰিব লগা হয় জীৱনৰ... মোৰ হৃদয় শিল ... যি সকলো সহ্য কৰিব পাৰে... মোৰ হৃদয় পানী... যি বৈ যায় অবিৰাম নদীৰ পৰা সাগৰলৈ... মোৰ হৃদয় ...বৰষুণৰ টোপাল... চকুলো নোটোকাকৈয়ে যি চকুলোৰ সাগৰ..."অ'ই নাহৰ ..তই আছ নহয় মোৰ প্ৰতিটো অভিমান ভাঙিবলৈ...

কিন্তু হঠাৎ পোৱা notification টোয়ে নাহৰৰ লগত বিচ্ছেদৰ শংকাত চকুলো সেমেকাই গ'ল...তেনেতে 'অসীমিত যাৰ হেৰাল সীমা' উপন্যাস খনৰ ভাষাৰে গৌৰীয়ে চন্দনক কোৱাৰ দৰে নাহৰে যেন মোক কাণে কাণে কৈ গ'ল...

"কেলৈ বেজাৰ কৰিছা ?কোনে কৈছে এয়ে আমাৰ শেষ?কেতিয়াও আমাৰ এনেকৈ শেষ নহয়... হব নোৱাৰে...আজি আমি সকলো হেৰুৱাব পাৰো, কিন্তু সি সাময়িক... তুমিতো জানা, দুখৰ ৰাতি যিমানেই দীঘল নহওক, সি কেতিয়াও চিৰস্থায়ী নহয়।এসময়ত ৰাতি পুৱাবই.."

এৰা.. ভাল দিন আহিব...আলোকসন্ধানী মনবোৰ লৈ আকৌ আহিব এজাক পক্ষী... জ্যোতিবাটচৰাত পক্ষীজাকে পুনৰ জুৰিব জীৱনৰ গান.. নিমাত হৈ পৰা ৰঙ্গমঞ্চ পুনৰ জীপাল হৈ উঠিব... জ:চাগ,বুলবুলি ,জ্যোতিৰ প্ৰতিকাপ চাহৰ চুমুকত পক্ষীজাক হৈ পৰিব একো একোজন গায়ক, কবি, অভিনেতা... DU হাটত পক্ষীজাকে পুনৰ কথাৰ ভাগ-বতৰা কৰিব, কাৰোবাৰ নীলা চকুজুৰিৰ প্ৰেমত পৰা, দুপাত্তা লৈ অহা DU হাটত দেখা ছোৱালীজনীৰ প্ৰেমত পৰা কতজন প্ৰেমিকৰ প্ৰেমৰ প্ৰস্তাৱে উনিভাৰ্চিটিৰ confession group পুনৰ ভৰি পৰিব...লাইব্ৰেৰী, খেলপথাৰৰ দুবৰি বনে আনন্দতে চকুলো টুকিব, নিমাত হৈ পৰা Hostelবোৰ পুনৰ কিৰিলিৰে উপচি পৰিব,ভাতৰ পাতত বহা হোষ্টেলৰ আড্ডাবোৰে পুনৰ প্ৰাণ পাই উঠিব, নিজান হৈ পৰা Deparment, centre, clasroom বোৰ অতদিনে নিসংগ হৈ থকাৰ বাবে হয়তো অভিমান কৰিব... নাহৰে পুনৰ হাঁহিব... এৰা ,ভাল দিন আহিব....

(পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে...❤️)

# অণুগল্প

নাহব ই-আলোচনী
প্রস্তাবনা সংখ্যা
জুলাই, ২০২১

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# হত্যাকাৰী

মৰমী চাহু
ইংৰাজী বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

সামান্য পোক পতংগ এটাকে মাৰিবলৈ অপৰাধী অনুভৱ কৰা, পানীত উপঙি ফুৰা পকৰাটোকো আলফুলকৈ উঠাই প্ৰাণ বচোৱা মালবিকাক আজি কোনোবাই সপোনত হত্যাকাৰী, নিষ্ঠুৰ, কঠোৰ বুলি কৰ্কথনা কৰিছে, অবাধ গালি বৰ্ষণ কৰি আহিছে। বহুদিনৰ পৰা সপোনটোৰ আঁত বিচাৰি বিচাৰি তাই উদ্বিগ্ন হৈ পৰিছে। বিশৃংখল হৈছে দৈনন্দিন জীৱন পৰিক্ৰমা। আন নালাগে অনুৰাগেও নুবুজে, তাইৰহে ভ্ৰম বুলি বাৰে বাৰে বুজনি দিয়ে। কিন্তু তাই জানে এয়া তাইৰ ভ্ৰম নহয়, ছোৱালীজনীৰ মাতষাৰত ইমান দৃঢ়তা, ইমান হৃদয়বিদাৰক, বিষাক্ত শৰ এপাট হৈ ছিৰাছিৰ কৰি পেলাব যেন শব্দটোৱে তাইৰ বুকু। হত্যাকাৰী ! তাই বাৰু হত্যাকাৰী হ'ব পাৰেনে ? চাকৰি , টকা পইচা, দুটি সন্তানেৰে অনুৰাগৰ সৈতে এটা সুখী সংসাৰৰ সম্ৰাজ্ঞী তাই ; 'হত্যা' ৰ ছাঁটোৰ পৰাও শতযোজন দূৰৈত তাইৰ অৱস্থিতি।

" হেল্ল' ভন্টী, কি ক'লে বাবাই ? কি হৈছে বুলি কৈছে ? কিবা শুংসূত্ৰ পাইছেনে?"
"ৰহ্চোন বা ইমানবোৰ কথা একেলগে সুধিলে কেনেকৈ উত্তৰ দিম। মই এইসব বিশ্বাস নকৰোঁ, তই জোৰ কৰা কাৰণেহে, তাতে ভিনদেউকো কোৱা নাই। শুন, বাবাই ফুল এপাহ দিছে, বুদ্ধ পূৰ্ণিমাৰ দিনা গাৰুৰ কাষত ৰাখিব কৈছে, সব ঠিক হ'ব হেনো। মই পাৰ্চেল কৰি দিলোঁ অলপ পাছত পাবগৈ। এতিয়া মোৰ কাম আছে। ৰাখোঁ দে, বাই টেক কেয়াৰ।"
" শুনচোন ভন্টী, হেল্ল'.....শুনিছনে ?"

কাইলৈ বুদ্ধ পূৰ্ণিমা। হয়, সপোনটো কাইলৈয়ে স্পষ্ট হ'ব তেন্তে। ভাৱ বিভোৰ হৈ থাকোঁতেই সপোনৰ ছাঁ পোহৰৰ অবাঞ্চিত খেলটোৱে তাইৰ মনটো পুনৰ গ্ৰাস কৰি তুলিলে। "ক্ৰিং ক্ৰিং" দুৱাৰৰ কলিংবেলৰ শব্দত মালবিকা চক্ খাই উঠিল ; নিশ্চয় ভন্টীয়ে পঠিওৱা পাৰ্চেল।

পিছদিনা মালবিকাই বুকুত অফুৰন্ত বিশ্বাস লৈ বাবাই দিয়া নাম নজনা মাখনৰঙী ফুলপাহ গাৰুৰ কাষত থৈ সভয়ে চকু মুদি দিলে।

নিশাৰ মাজপ্ৰহৰত তাই দেখিলে ঝন্ ঝন্ পায়েলৰ শব্দৰে দীঘল কুৰ্তী পৰিহিত কিচকিচিয়া মৃদু ৰঙা ৰঙৰ চুলিৰে ঠিক অনুৰাগৰ চুলিৰ ৰঙৰ দৰে ছোৱালী এজনী ধূলিৰঙৰ ডাঠ পৰ্দাৰ মাজেৰে ক্ৰমাৎ স্পষ্ট হৈ আহিছে। আহ্ অনুৰাগৰ দৰেই চোন। সাইলাখ অনুৰাগৰ দৰেই চকু, নাক, কাণ। ইমান মিল !
আহ্ তাইৰ মুখৰ উজ্জ্বলতা মালবিকাৰ চকুত ধৰিছে। ইমান স্পষ্ট আজি সেই ধূসৰিত সপোনটো। হাঁহিছে তাই। অনুৰাগৰ দৰেই তাইৰ ডালিমগুটিয়া দাঁত। ইমান ধুনীয়াকৈ হাঁহিছে, হাঁহিটো ক্ৰমান্বয়ে ডাঙৰ হৈ গৈ আছে। হাঁহি হাঁহি বাউলী হৈ যাব যেন, হাতখন বুকুত আলফুলে ৰাখি খিলখিল হাঁহিৰে ঢলি পৰিছে ছোৱালীজনী। মালবিকাৰ সাৰটি ধৰিব মন গৈছে ছোৱালীজনীক। কিন্তু এয়া কি ? পিছমুহূৰ্ততে তাই কান্দিছে ! আহ্ ইমান কৰুণ উচুপনি, তাইৰ দৰদী স্বৰে ক্ষন্তেকতে পৰিৱেটো গধূৰ কৰি তুলিছে। এই মুহূৰ্তত তাইৰ ভাবিবৰ মন গৈছে কান্দোনো ইমান ধুনীয়া হ'ব পাৰে নে ? ক্ষন্তেক আগতে ইমান ধুনীয়াকৈ হাঁহা ছোৱালীজনীয়ে এতিয়া ইমান ধুনীয়াকৈ কান্দিছে।

ইমান বিষাদগধূৰ নে তাইৰ অকণমানি বুকুখন , লোতকেৰে সিক্ত তাইৰ দুগাল । আহ্ কিয় কান্দিছে বাৰু তাই ইমানকৈ ? মালবিকাই ৰ'ব নোৱাৰি নিচুকাবলৈ হাত মেলি দিলে,
" নুচুবা মোক " , চিৎকাৰ কৰি উঠিল তাই ।
" নুচুবা তুমি মোক । ডাক্তৰ মামাই মানা কৰাৰ পাছতো তুমি মোক নিষ্ঠুৰভাবে মাৰি পেলালা। পাপায়ে বুজোৱাৰ পাছতো তুমি তোমাৰ হাই প্ৰফাইল ষ্টেটাচৰ সস্তা ধাৰণাত ভোল গৈ থাকিলা । কিমান চিঞৰিলোঁ ' মা, মোক নামাৰিবা, মোক জীয়াই থাকিব দিয়া মা , মোক পৃথিৱীখন চাবলৈ দিয়া , মোক হত্যা নকৰিবা মা, মোক নামাৰিবা ।' উচুপনিমিশ্ৰিত মাতষাৰ পুনৰ কঠিন হৈ গ'ল , কিন্তু তুমি নুশুনিলা । খেলিবলৈ হাত ভৰি মেলিব লওঁতেই মোক চোকা অস্ত্ৰৰে কাটি বেদখল কৰি দিয়া হ'ল তোমাৰ গৰ্ভৰ পৰা । কি নিৰ্দ্দয়তাৰে তুমি নিমাত, নিশ্চুপ, প্ৰশান্তিৰে অপাৰেশ্যন হলৰ বেডত শুই আছিলা ! কি নিষ্ঠুৰ তোমাৰ মমতাময়ী হৃদয় ! তুমি হত্যা কৰিলা মোক । হয়, তুমি হত্যা কৰিলা তোমাৰ সন্তানক । হত্যাকাৰী তুমি । হত্যাকাৰী ।" লগে লগে ছোৱালীজনীৰ ছবিটো ধূসৰ হৈ গৈ থাকিল, আৰু সেই বিষময় শব্দটো কাণত গুঞ্জৰিত হৈ থাকিল , গোলাকাৰে ।

বিচনাত চিৎকাৰ কৰি উঠিল মালবিকা ।
" হত্যাকাৰী, হত্যাকাৰী তুমি হত্যাকাৰী ।" পাৰ্যমানে কাণত জোৰকৈ হেঁচা দিলে তাই । সৰ্বশৰীৰ ঘৰ্মাক্ত, কপালৰ ঘাম নাকেদি বৈ টোপটোপকৈ সৰিছে ।

তাৰপাছত উচুপনি আৰু উচুপনি । নিজান নিস্তব্ধ মাজৰাতি ৰতাহৰ দোলনাত দুলি থাকিল নিৰ্বাক উচুপনি ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# সপোন

অনিমা মৰাণ
নাৰী অধ্যয়ন কেন্দ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

বিয়াৰ পৰিৱেশ, চাৰিওফালে হাই উৰুমী, উদুলি মুদুলি পৰিৱেশ এটা। দৰা আহিল ,আয়তীসকলে মংগল উৰুলি দিছে।কইনা বিদায় দিয়াৰ সময় হল, দৰা কইনাই জেষ্ঠজনৰ আশীৰ্বাদ লৈছে। ঘৰখন এৰি যোৱাৰ দুখত কইনাজনীয়ে হিয়া ঢাকুৰি কান্দিছে। দৰা কইনা গাড়ীত উঠিলত দৰা ঘৰৰ অভিমুখে গাড়ীখন লাহে লাহে আগবাঢ়ি গল ।

ভতিজী ছোৱালীজনীয়ে বৰদেউতা বৰদেউতা বুলি চিঞৰি থকাত মানুহজন হঠাৎ চক খাই উঠাৰ দৰে উঠি বিচনাত বহিল।সাৰ পাই উঠাতহে তেওঁ গম পালে যে ই এটা সপোনহে আছিল।

তেওঁ লাহেকৈ বিচনাখনৰ পৰা উঠি খিৰিকীৰ কাষৰত দীঘলীয়া হুমুনিয়াহ এটা কাঢ়ি ভাবিবলৈ ধৰিলে, যিজনী ছোৱালীয়ে গোটেই জীৱন একেলগে থকাৰ প্ৰতিশ্ৰুতি দি অৱশেষত মোৰ এটা চৰকাৰী চাকৰি নোহোৱাৰ দোহাই দি আজি কুৰিটা বছৰৰ আগতেই মোক চিৰজীৱন অকলশৰীয়া কৰি গল ,তাইৰ বিয়া আজি মোৰ সতে তাকো সপোনত। ভাবিয়ে হাঁহি উঠিল আজি তেওঁৰ চাকৰিৰ পৰা অৱসৰ লোৱাই চাৰিটা বছৰ পাৰ হল।

# মূক

প্ৰিয়ংকা দত্ত
ইংৰাজী বিভাগ
প্ৰথম ষান্মাসিক
ডিব্ৰুগড় বিশ্ববিদ্যালয়

"লেডী ডন" নামেৰে পৰিচিত নৱনিযুক্ত আৰক্ষী অধীক্ষক সুকন্যাই কেইবাজনো দুৰ্নীতিপৰায়ণ বিষয়াক আটক কৰি উৎফুল্লিত মনেৰে কৰ্মস্থানৰ পৰা ঘৰলৈ উভতিছে,মুখত এমোকোৰা তৃপ্তিৰ হাঁহি।ঘৰ সোমোৱাত স্বামী ৰাজীৱে আনন্দৰে আলিংগন কৰি কোঠাৰ ভিতৰলৈ লৈ গৈ টেবুলত থোৱা দুটা বাকচ দেখুৱাই ৰঙচুৱা দাঁতকেইটা ওলিয়াই কয়- "তোমাক লৈ মই গৌৰৱ অনুভৱ কৰো সুকন্যা।চোৱা এয়া তোমাৰ পুৰস্কাৰ।"

বাকচ দুটা খুলি ডাঙৰকৈ চকু মেলি সুকন্যাই কয়-"ইমানবোৰ পইচা!"

ৰাজীৱে উশাহ নসলোৱাকৈয়ে উত্তৰ দিয়ে—"অ' এই সকলোখিনি তোমাৰ।অলপতে বনমন্ত্ৰী শ্ৰী বৰুৱা আহি এইদুটা দি গৈছে।তেওঁৰ নিৰ্দেশত লিডুৰ কয়লাৰ খনিত চলি থকা খননত(অবৈধ) তেওঁক তোমাৰ অলপ সহায় লাগে।তোমাক মানুহে তেঁওৰ বিৰুদ্ধে কিবা কব পাৰে ভাবি তেওঁ আগতীয়াকৈয়ে আহি এয়া কিবা অলপ দি গৈছে।আৰু আজি ৰাতিৰ ভাত সাজৰ বাবে তেঁওৰ ঘৰলৈ নিমন্ত্ৰণ দি গৈছে।সোনকালে ওলোৱা।"

দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিনিয়ত খোজ দি অহা,সমাজৰ প্ৰত্যকজন ঘোচখোৰ ব্যক্তিক অতি সোনকালে ৰঙাঘৰৰ আলহী কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ সুকন্যাহে স্বামীৰ কথা শুনি একেবাৰে মূক হৈ পৰিল।

# শূণ্য

অম্লানদীপ শইকীয়া
গণিত বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

নাহৰৰ দেশত পঢ়িবলৈ গৈয়েই অজানিতে তাৰ প্ৰেমত পৰিছিল তাই । লাহে লাহে দুয়োৰে প্ৰেম গভীৰ হৈ পৰিছিল । দুয়োখন ঘৰৰ সিদ্ধান্ত মৰ্মে এই প্ৰেমক বিবাহ নামৰ বান্ধোনেৰে বান্ধি পেলাইছিল । দৰিদ্ৰ পৰিয়ালৰ হোৱাৰ হেতু তাই শূন্য দুহাতেৰেই স্বামী গৃহত প্ৰৱেশ কৰিছিল । কিন্তু তাইৰ অন্তৰত আছিল অজস্ৰ মৰম আৰু শ্ৰদ্ধা। লগতে আছিল স্বনিয়োজিত হ'ব পৰাকৈ শিক্ষা । সেয়া লৈয়েই শহুৰৰ ঘৰখনো সুখী আছিল । তাইৰ সুখী সংসাৰ খনত কেনা লগালে কাল সন্ধিয়া ঘটা ভয়ংকৰ দূৰ্ঘটনাটোৱে । সলাই পেলালে তাইৰ জীৱনৰ গতি । কুলক্ষণীৰ সংজ্ঞা বুকুত বান্ধি, শিৰত জিলিকি থকা ৰঙাখিনি মোহাৰি তাই খোজ আগবঢ়ালে এক অনিৰ্দিষ্ট ভৱিষ্যতৰ দিশেৰে...।

# কবিতা

নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# কবিতা

## এখন দীঘল উপন্যাস

-কোকিল শইকীয়া-

১

তাইৰ এখন গুলপীয়া বাগিছা আছিল যদিও
তাত কোনো গোলাপ ফুলি থকা নাছিল
তাইৰ বাগিছাত গোলাপৰ গছ আছিল যদিও
ফুলবোৰ ফুটিবলৈ বৈ আছিল
এটা ভাল মুহূৰ্তৰ বাবে

কোনোবা এটা মুকলিমূৰীয়া গধুলীত
জোনৰ পোহৰ পাই এপাহি দুপাহিকৈ ফুলি ফুলি
অমাৱস্যাৰ দিনালৈকে তাইৰ বাগিছাৰ গোলাপৰ পাহিবোৰে
মনত পেলাবলৈ নিদিব আকাশত জোন নোহোৱাৰ কথা

মানুহে কিছুমান কাম কৰিবলৈ বৈ থাকে
আটাইতকৈ ভাল মুহূৰ্তটোলৈ । এনেয়ে কৰি নেপেলায়।
কিয়নো, এটা কাম সম্পন্ন কৰি পেলালেই
সদায়ে ধুনীয়া হৈ নুঠে গোটেইটো মুহূৰ্তটো
কেৱল কামটোৰ বাবেই

২

ইমান অলপ গছতে জানোঁ অৰণ্য হয়
ইমান অলপ গছতে জানোঁ অৰণ্য হয়
ইমান অলপ পানীৰে জানোঁ হয় সাগৰ
এক মিনিট মৌন প্ৰাৰ্থনাই এটা কবিতা হয়
বৈ বৈ একে থিৰে ক'ৰবালৈ চাই থাকিলে উপন্যাসে হ'ব পাৰে
অলপ প্ৰেমতে মৰা মানুহ জী উঠিব পাৰে
মই গৈ থাকোঁ
বৈ বৈ অথবা কেতিয়াবা নোৱোৰাকৈয়ে মই গৈ থাকোঁ ।

ছাতিৰ তলৰ পৰা ওলাই আহে এজাক বৰষুণ।
বতাহ পাৰ হৈ যোৱাৰ দৰে
তেনেই সাধাৰণ কথাৰ দৰে
মোক খুন্দিয়াই থৈ যায় অনেক কাহিনীয়ে
কেতিয়াবা বন্দী হওঁ কোনোবা কাহিনীত
আৰু আৱদ্ধ হৈ থাকোঁ কাহিনীৰ ম্যাদ থকালৈকে
আন কেতিয়াবা কাহিনীৰ সুৰুঙাইদি আৰু
আন কেতিয়াবা বিজ্ঞাপন দিয়াৰ সময়তে সাউতকৈ ওলাই আহোঁ
কাৰেন্ট যোৱাৰ সময়ত মই একোকে দেখা নাপাওঁ
কাহিনী অংশ ফাটি মোৰ লগতে যায়
কাহিনীটো কেতিয়াবা হেৰাই যায়
অথবা আন কোনো কাহিনী লগ পালে তাৰ লগত মিলি যায়
কেতিয়াবা মই হেৰাই যাও কাহিনীৰ মাজত
তেতিয়া কাণতলীয়া চৰ এটা সোধাই কাণত ধৰি কাহিনীৰ মাজৰ পৰা টানি টানি
বাজ কৰি আনিবলৈ মই মোক চিনি নাপাওঁ
মই কেতিয়া মোক চিনি উলিয়াম সেইটো কেতিয়াবা কেৱল কাহিনীয়ে জানে
আৰু আন কেতিয়াবা কেৱল মই জানো।
কাহিনীৰ মাজতে মুখা-মুখি হৈও কেতিয়াবা মই মোক চিনিব নোৱাৰো
পিছ মুহূৰ্ততে যেতিয়া মনত পৰে ক্ষন্তেক আগতেই মোক অবিবাদন জনাই বিদায় লোৱাজন আছিলো ময়েই
তেতিয়াই কাহিনীয়ে বাগি দিব খোজে

৩

এই নিৰ্মল পানী দেখা পাই
মই ধুবলৈ আৱিষ্কাৰ কৰিছোঁ
শাস্তিযোগ্য মোৰ দুখন হাত
নেদেখা হৈ যোৱা দুৰৈৰ চৰাইজনীক মাতি মাতি
শুকুৱাই লৈছোঁ কণ্ঠ ( কাৰণ মই জানো যি মোৰ মাত কাহানিও শুনা নাপাব)
যি হাতেৰে
চুকিছোঁ চালাম, আদায় কৰিছোঁ আদৰ
কবিতা লিখিছোঁ
উমনিৰ সাপৰ পৰা মনে মনে লৈ আনিছোঁ কণী
পানী দেখিয়েই সেই হাত ধুবলৈ মই তৎপৰ
যি আছিল পানী , সি তেজ হ'ল
যি নদীত দেখা পাইছিলোঁ পানীৰ তলৰ তৰা জোন বেলি
সি বোকাময় হ'ল
মোৰ দুহাত শিল হ'ল
মোৰ প্ৰিয়জনক হত্যা কৰিবলৈ অহা ঘাতকে
মোৰ শিল দুহাতত বন্দুক থৈ
মোৰ কোমল কোলাত শুলে
মোৰ শিল দুহাতত ধৰালে চুৰি
আৰু মোৰ শিল দুহাতত মৃতদেহ থৈ গুচি গ'ল

৪

প্ৰদক্ষিণেই হওক বা ভ্ৰমণ
অতীতে এই কামটো অহৰহ কৰি থাকে

৫

তোমাৰ কামনা অস্পষ্ট
তোমাৰ ভাবনা অস্পষ্ট
তুমি স্পষ্ট
মই অস্পষ্ট

৬

ইয়াৰ পৰা উভটি যাব পাৰিলে তুমি কি বুলি ক'বাগৈ
ক'বাগৈনে যে মানুহ এন্ধাৰতে আছে।
কোনোবাই ঘোঁৰাবোৰ মুকলি কৰি দিয়ে
আৰু বন্দী কৰি ৰাখে ভালপোৱাবোৰ

৭

তাইৰ নীলাভ মুখাবয়ৱ এন্ধাৰে খান্দিব নোৱাৰিলে
খান্দিব নোৱাৰিলে বতাহে

৮

অৰণ্যৰ মাজেৰে মই লাহে লাহে গৈ থাকোঁ
শহাৰ মাতবোৰে মোৰ বুকুখন খান্দি থাকে
উমাল গাঁত এটা কৰি মোকেই কবৰ দিয়ে ।



## ডিবৰুত নাহৰ ফুলিছে

কুঁকি কল্পিতা বৰা
মাজুলী মহাবিদ্যালয়

পাত সৰাৰ দৰে দিনবোৰ সৰি নপৰা হ'লে
ফুলৰ দৰে কথাবোৰ সজাব পৰা হ'লে
এবেলা সময়কে এমোনা কৰি
আনিব পৰা হ'লে
আখৈ ফুটাদি আমাৰ চকুৱে মুখে
মাত ওলোৱা হ'লে,
নাহৰ মোক নেৰিবি
নাহৰ মোক মাতিবি ...

মোলৈ নোচোৱাকৈয়ে তই হঁহা হ'লেও
উজুটি নোখোৱাকৈ বৈ যোৱা হ'লেও
এইহেন দিনৰ ভৰদুপৰ হ'লেও
মোৰ চকুৱে মিছা নকয়
তেনে তোৰনো বাখৰ কিহৰ ইমান ভয়?

উজাই গ'লে যি নাম
ভটিয়নীত একে মান
পিতাইলৈ যি আদৰ
তোলৈ বুলি একে সাদৰ।
দিনবোৰ নমনাকৈ থাকিলেও
ৰাতিৰ মোহ কেনিবা গ'লেও,
নাহৰ মোক নেৰিবি
নাহৰ মোক মাতিবি ..

তই ভালে থাকিবি
আমাৰো ভাল জানিবি ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# Turnamséméi péso-pésol turra dung

Mg Chitrajit Pegu, Mising Language
Centre for Studies in Languages
Dibrugarh University

Ma:pín bila:yélang
Ouké ngom kétaksula ma:nam ma:nyí:dém?
Biladla:yékulang ouké arédém?
Turnamséméi péso-pésol turra dung.

Turgo ma:nyíng mangko béda:so
Ke:tumdung ta:ng kané yumrangé,
O:kosinéi matasula:ma:bo
Atíkosin gertasula:ma:bo.

Pu:mu a:la pu:pitto
Turgo ma:nyíng mangko ukumdém
Édésin píngka:bo,
Dopa:yépé émna inam mé:tinsunam arígdémsin pu:mungé bidyutto
Édésin píngka:bo.
Bottan migompé badyépé émna porainapénan ouké o:nam eyegdé:sin kinam a:la sipakkang!
Péjab-pérok kídí:dé:sin singapkang gíténg-gíténgí:do!
O:kosin itasula:ma:bo
Atíkosin gertasula:ma:bo,
Turnamséméi péso-pésol turra dung.

Tarémo:ton tonna domamé mége:la ukumnokké dugérto mo:té:ru:pé
Asiné dob-dob émna pokkang,
Petakuppé kupkang
Turnamséméi péso-pésol turra dung.

Aima:né kinamsém pésola
Ukumnokkésin gílenma:bo
Ukumno du:daggom pédong, ésar, muglíng-yariyé.

Mo:píséméi Ru:nébí anupé ru:tenkupé émna idu:pé!
Mé:dag lékoném kekonké karmé:olo:pé gíge:la,
Rugji-me:rang, karsíng-karta:m kumpa:suge:l mé:po-sakpol du:namko!

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী তাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# मिजिंनि फाख'नाव

Lobo Basumatary
CSL, Dibrugarh University

बेसेबा गोथौ आरो गुवार
बायदि मैया महरनि आबुं
सोर आरो मानि थाखाय
महरगिरिफोरा हानायमानि फोसाबदों ।
थांखिनि रंजानाया बबेयाव,
सिनायथिनि नेरसोन ना, सिखावनि सालायाव,
सौग्रावबायदों हाखर-हालानि फुलुङाव
मुं सुनाय आरो रायफोरनाय।
समनि फाखन आरो दैदेननायाव
हालाय हाफाय दैथिंजाबायदों
दं सोरनिबा गाबनाय-मिनिनाय
नाथाय, गुबै जाहोना बबे लामाया..?
जेरैथिंबो गावनिल' मुलाम्फा
मोनसेनि सोलाय माबा मोनसे
समाज आरो धोरोमा माखौ फोरमायदों..?
सं दानै दानै नायबिजिरदों,
ओंथिनि फोरमाना मा आरो बबेसिम
जोबथा थांखिया बबेयाव
दं नामा बेयावनो गोजोननायाबो
जेराव गासैखौबो नागिरना मोनो।

# সময়

এলিজাবেথ কেৰকেটা
অৰ্থনীতি বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়

সপন কেৰ ঘৰটা
বনাতে বনাতে জীৱনেৰ আধা সময়
বয়সে কাঢ়ি লেল'
ফাগুনেৰ মিঠা ৰঙে
খেলতে খেলতে হাৱাৰ বেগে
সব উৰাই লেই গেল'

এখন হাতে কন নাইখে
চট সময়েৰ দিনসবে
মনটাকে খুব মাতাল কৰে
ঘূৰি যাতে মন যাই ....কিন্তু
সময়ে আৰ বাধা  দেই দিয়ে..

জীৱনেই যদি হেৰাই যায়
সপনেৰ ঘৰটা
কেখন পুৰ হবেক ?
জীৱনেৰ ৰাস্তা বহুত গাঢ়া-টিপা
এই সময় আৰ..
কত যে কৰবেক খেলা॥

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ
ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

## নাৰী হল অৱহেলি এই শোষণ সমাজৰ ..

পুষ্পিকা কোঁচ
ডিব্রুগড় বিশ্ববিদ্যালয়

শুনিছো আকৌ এজনী নাৰী হল ধৰ্ষণ
সকলো গঢ়ি তুলিব জংগী আন্দোলন..
কলেজ স্কুলে বহুতে কৰিব অমৰণ অনশন
কিন্তু কেতিয়া হব বন্ধ নাৰী নিৰ্যাতন
কোনে কৰিব এই সমাজখন সংশোধন ..

মই এগৰাকী নাৰী
মইয়ে সৃষ্টিকৰ্তা মইয়ে প্ৰকৃতিৰ প্ৰাণ
মোকলৈ কৰে বহুতে অহংকাৰ
তথাপিও মোৰে গৰ্ভত জন্ম লৈ মোকে
কিয়নো কৰা অত্যাচাৰ ...

অশান্ত সভ্যতাৰ উত্থানত যেন
হেৰাই গৈছে মোৰে অস্তিত্ব....
মোৰ দেহৰ তেজেৰে ফাকু খেলি বহু ...
নৰপিশাছে লুকুৱাই ৰাখে তেওঁলোকৰ ৰহস্য ..

হৃদয়ত স্বপ্ন মধুৰ ,মনত বেদনা গধুৰ
ময়েই মমতাময়ী , ময়েই সৌন্দৰ্য্য প্ৰতীক
মোক বোজা বুলি গণ্য কৰা সকলে
এদিন মোক বিচাৰি হব ব্যাকুল ......

মই হলো অৰ্ধাংগিনী মইয়ে কঠিনতাৰ প্ৰতীক ,
মইয়ে সমাজৰ সত্বা ......
তথাপিও বহুতে কৰিব খোজে মোক নগ্নতা
পূৰণ কৰিব খোজে মনৰ কাপুৰুষতা...
মোৰ নিৰ্বাক আৰ্তনাদ চিঞৰত
হৃদয় নগলা মানুহ ৰূপী দানৱে
ক্ষান্ত হয় কৰি মোক হত্যা ....

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

## বাকৰুদ্ধ

## (চুমিলা, দ্বীপশিখাৰ দৰে নিস্পাপ শিশুসকলৰ উপলক্ষ্য)

প্ৰণামিকা গগৈ
ডিব্রুগড় বিশ্ববিদ্যালয়

চিৎ পখিলা খেদা দিনবোৰ এতিয়া গ'ল।
হয়তো সেয়া এদিন অতীত হৈ পৰিব ।
বন্ধ ঘৰৰ বন্দী জীৱনেই যেন কাম্য হ'ব ।
কিন্তু সেয়া কিমান যথাযোগ্য হৈ উঠিব ?
পাৰি জানো শৈশৱক বন্দীত্বৰ শিকলিৰে বান্ধি ৰাখিব !!
সুকোমল, নিৰ্মল পৱিত্ৰ মনসমূহ ....
বুজিবই বা কি এই জটিল সমাজৰ সংজ্ঞা !
হাঁহি থকা মুখৰ ৰক্ত পিপাসু মন,
বেশ-ভূষা দেহৰ উলংগ মন,
কুৰুকি কুৰুকি সোমাই যোৱা ভোকাতুৰ দৃষ্টি
কোনে ক'ব, - "বেটী, ঘৰৰ পৰা বাহিৰত নোলাবি ..."
কোনে জনাব, - " বেটী, কাপোৰ-কানি ভালকৈ পিন্ধিবি ..."
কোনে বুজাব, " বেটী, মানুহক বিশ্বাস নকৰিবি ..."
কিন্তু ইমানতেই জানো পৰিসমাপ্তি ঘটিব ?
"উলংগ মনবোৰে যে সকলোতে উলংগতাই দেখা পায়"
পিছে বুজিব কোন? বুজাব কাক?
আছে জানো কাৰোবাৰ ওচৰত যথাৰ্থ উত্তৰ – এই '
কিয়'বোৰৰ ?
পখিলা খেদা জীউ এটা কিদৰে ৰক্তাক্ত হ'ব পাৰে।
নিৰ্মল মন এটা কেনেকৈ অগ্নিয়ে দগ্ধ কৰিব পাৰে !
পৱিত্ৰ দেহ এটা কিদৰে গামোচাত ওলমিব পাৰে !!
বাকৰুদ্ধ হৈ পৰিছো নেকি আমিবোৰ ?
কিন্তু কিহৰ বাবে ?
প্ৰশ্নসমূহে এতিয়াও শিহৰিত কৰি যাব ।
আচলতে এই সমাজ ভংগুৰ সমাজ ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# शीर्षक = सत्यता-पीडित जीवनको

খেম বাহাদুৰ ছেত্ৰী
প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

असत्य सुन्दर हुँदैन,
सुन्दर सत्य हुँदैन!
सायद यिनै आदर्शले होला,
ईमानदारले कसैलाई पनि थिचिन र मिचिन दिर्दैन !!

मानिस स्वार्थी हुन हुँदैन,
स्वार्थी मानिस नै कहलाउदैन !
असल त त्यो मात्र हो,
जस्ले आफु भित्रको मानवीयताको चरित्र लुक्न दिदैन !!

मानिस कायर हुन हर्दैन,
कायरलाई मानिस भनिदैन !
सठिक त त्यो मात्र हो,
जस्ले आफु भित्रको बाहादुर चरित्र मेट्न दिदैन !!

मानिस असभ्य हुन हुर्दैन,
असभ्यलाई मानिस नै गनिदैन !
सभ्य त त्यो मात्र हो,
जस्को मृत्युमा पनि मलामीको कुनै कमी हुँदैन !!

त्यसैले त याँहा भनिएको हो,
असत्य सुन्दर हुँदैन,
र
सुन्दर सत्य हुँदैन!

# অৰণ্য কথা

প্ৰাৰ্থনা সন্দিকৈ
স্নাতক দ্বিতীয় ষান্মাসিক
অসমীয়া বিভাগ
মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়

মোৰ বুকুৰে নিগৰিত বিন্দু বিন্দু বৃষ্টিৰ টোপাল
যাৰ স্পৰ্শত সাৰ পাই উঠে মেদহীন আকাশৰ অপৈণত এজাক মৃদু বতাহ ।

মাটিৰ চৰণ স্পৰ্শৰে জীপাল মোৰ দেহ,
নাই কোনো ক্লান্তি আৰু ক্লেশ ।

মোৰ বুকুতেই আশ্ৰিত অজস্ৰ
স্বপোষী,পৰপোষীৰ এটি সেউজ জীৱন,
পালিত হয় তৃণ অথবা বৃক্ষৰ চঞ্চল যৌৱন ।

বসন্ত কিম্বা শৰৎ
গ্ৰীষ্ম কিম্বা হেমন্ত,
ৰঙীন উত্তাপত দীপ্তিমান মোৰ প্ৰতিটো প্ৰকোষ্ঠ ।

মোৰ বুকুৰ অতুল্য মনোহাৰীত্বই
মোক দিয়ে জীয়াই থকাৰ ভৰপূৰ আনন্দ ।

কিন্তু,
কেতিয়াবা মোৰ সেউজ বুকুৰে উচুপি উঠে,
ধাৰাল অস্ত্ৰৰ কোবাল আঘাতত
ক্ষত-বিক্ষত হয় মোৰ দেহ,
প্ৰয়োজন পূৰ হয় কোনোবা অচিন মনুষ্যৰ অশাশ্বত জীৱনৰ ক্ষণিক আৱেগ ।

তথাপি মই ক্লান্ত নহওঁ
ক্ষত-অক্ষত দুখবোৰ সামৰি একাত্ম হৈ ৰওঁ,

মেলি দিওঁ সেউজীয়াৰ আঁচল,
উদযাপন কৰিম জীৱন অবিৰাম-অবিকল ।

।

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ
ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# এৰৈশ বছৰীয়া ডেকা

মিন্টু দৈমাৰী
ৰসায়ন বিজ্ঞান বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়

মহাশয়,
হাত দুখন ফুটা পকেটত থৈ খোজ কাঢ়িব মইও জানো ;
মধ্যবিত্ত নামৰ কলংকটোৱে সপোন বোৰক কোঙা কৰি পেলালে,
হেপাঁহবোৰক হুমুনিয়াহৰ সতে এৰি দিব মইও জানো ছাৰ ।
একৈশ বছৰীয়া জীৱনটোৱে শদিয়াৰ পৰা ধুবুৰীলৈ
অভিজ্ঞতা নিদিলেও বিফলতা নিশ্চয় দিলে ।
দাদা,
টকা অলপ ধাৰলৈ দিব নিকি ?
নিৰুপায় ডেকাৰ নিৰাশ আবেদন ।
চকুত চকু থৈ বোপাইৰ উপাৰ্জনৰ ধনকেইটা খুজিবলৈ
সাহস আৰু নাই ;
এয়া ভয় নহয় ছাৰ,
এইয়া লাজ, মই যে নিবনুৱা!

কঙাল শৰীৰটোৱে চৌবিশ ইঞ্চিৰ চাইকেলখন টানিব নোৱাৰাৰ উপক্ৰম হৈছে ;
বয়সে গৰকা আই-বোপাইৰ গালি আৰু অসহ্যকৰ হৈছে ।
চল্লো ভাইৰ ধনৰ কথা আৰু কিমান শুনিম !
মহানগৰৰ উখ উখ ঘৰবোৰ আৰু কিমান
অট' ৰিক্সাৰ পৰা জুমি চাম !
দিথকৰ ঘৰখন সজাৰ মোৰো ইচ্ছা আছে ছাৰ ;
'আজিৰ পৰা আৰু তই কামলৈ যাব নালাগে'
বোপাইক বুক ডাঠ কৰি কবলৈ মোৰো মন আছে ছাৰ ।
বাকচত জাপি থোৱা ৰঙা স্পৰ্টিংটো পিন্ধি,
পাচশ টকীয়া পাৰ্ফিউম সানি,
Senoritaক লগ কৰিবও মন আছে ছাৰ।

অমৃত মহন্তই কৈছে মৃত্যু লাগে নেকি মৃত্যু ?
মৃত্যুৰ বিজ্ঞাপনবোৰ হেনো এতিয়া অলিয়ে-গলিয়ে ।

পেটত গামোচা বান্ধি,
মুখত মাস্ক পিন্ধি জীৱন বচোৱা ডেকা,
জীৱন গলে সপোনৰ বা কি কাম !
মই বোলো হয় ছাৰ।

# প্ৰাসংগিক

লিপিকা বুঢ়াগোহাঁই
ভূগোল অধ্যয়ন কেন্দ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

জীৱশ্ৰেষ্ঠ!!
অনিয়মৰ দাৱানলত
আত্ম-আহুতি দি এই জীৱশ্ৰেষ্ঠ অতৃপ্ত..,
ইতিহাসৰ চুকে-কোণে
অৰণ্য খুঁচৰিলেই তাৰ বাট সুস্পষ্ট;
লঘোণে মৰা সম্পদৰ
আচল গতিনিৰ্ণয়ক কোন..??
তথাপিও ততোধিক ডিগ্ৰীৰ বলিষ্ঠতাত
নপতা ফুকনে জাহিৰ কৰে নিজক সৰ্বশ্ৰেষ্ঠ..।
কিন্তু কেৱল কিতাপৰ জ্ঞানেই জানো সৰ্বস্ব...??

যি কলমক অস্ত্ৰ বুলি কোৱা হয়..
যি কলমক সৃষ্টিৰ মেৰুদণ্ড আখ্যা দিয়া হয়...;
সেই কলমেই সৰ্বাধিক সময় লক-আপত...।
ৰুদ্ধ আন্দোলনৰ
যেন অপৰাজেয় বিপ্লৱ..।
কিমান স্বাধীন এই কলম..??

এডোখৰ দেহৰ মঙহক লৈ যেতিয়া কেতবোৰৰ
লুভীয়া শেনৰ দৃষ্টি,
যেন ভোগ-বিলাসৰ বজাৰত ক্ৰয়-বিক্ৰয়
হ'বলৈহে নাৰীৰ সৃষ্টি..!
নিউজৰ হেডলাইন..- "অমুক ধৰ্ষিতা",
এই সংবাদ এচাম পাঠকে লুকাই-চুৰকৈ পঢ়ি লৈ
পুনৰবাৰ ধৰ্ষণ কৰে লাঞ্চিতাক..,
এতিয়া প্ৰশ্নৰে জুখি নিজক সুধা
কলমৰ ধাৰ কিমান..??

ফাঁচীকাঠ উঁৰলি হৈ পৰিল বেকাৰ..
আইনে সূৰ্যৰ পোহৰ যেন ৩৬৫ দিনেই নাপায়..!
গোট গোট আখৰৰ শেষত
বাঢ়ি যায় প্ৰশ্নবোধক..!!
যেন বছৰ বছৰ ধৰি চন্দুকত সোমাই থকা
মামৰে ধৰা বাৰুদৰ ক্ষোভ,
সেইবাবেই নেকি
শব্দক পোহ মনোৱাৰ প্ৰয়োজন..??
শব্দক ঘৰচীয়া কৰাৰ প্ৰয়োজন..??

# নীলা খামৰ চিঠি

নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# নীলা খামৰ চিঠি

ছুইটী সেন
স্নাতকোত্তৰ প্ৰথম ষান্মাসিক
নৃতত্ত্ব বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় ।

প্ৰতি

মৰমৰ ৰ'দ

কাঁচিয়লী ৰ'দ, এজাক চঞ্চলা বতাহ যেন সৰুদৈ চিলা হৈ হৃদয়ৰ নিজান কোণত প্ৰৱাহিত দিবানিশা । হৃদয়ৰ দস্তাবেজত প্ৰেমৰ প্ৰতিলিপি আজীৱন খোদিত আশা নামৰ এটি ৰাঙলী আবিৰৰ প্ৰলেপেৰে ।

নাহৰৰ নিৰিবিলি সন্ধিয়া পৰত তোমাৰ সৈতে বাৰ্তালাপ এটি ব্যস্ত পথত । সময়বোৰ আপোন আছিল প্ৰথম চিনাকিতেই চোন বহু দিনৰ পৰিচিত যেন অনুভৱ হৈছিল। সন্ধিয়া পৰত তৰা জিলিকা সময় মোৰ বাবে পবিত্ৰ কিয়নো য'তেই নাথাকো কিয় গাঁৱৰ নামঘৰৰ ডবা , আৰু ঘৰৰ শংখ , উৰুলিৰ ধ্বনি শুনা পাও । ধৰাৎলৈ অলৌকিক শক্তিৰ আগমন অনুভূত হয়। সঁচাকৈয়ে এনে লাগিছিল যেন আমাৰ পৰিচয়ে দৈব্য শক্তিৰ আশীষ পাইছিল। সময়বোৰ প্ৰিয় হৈ পৰিছিল । ৰাস্তাৰ কাষৰ মম' ষ্টল খন, স্ট্ৰিত লাইটৰ পোহৰত মাজে মাজে বাৰ্তালাপ আৰু তোমাৰ সজল মুখনি , তোমাৰ মৰমৰ চকুহাল ,নিষ্পাপ মনটোক বুজি পোৱাৰ অহৰহ প্ৰয়াস আৰু মনত বিমল আনন্দৰ ঢৌৱে কিবা এটা ভাল লগা আবেগৰ ছুনামি কঢ়িয়াইছিল । সময়বোৰ গতানুগতিক ভাৱে পাৰ হৈছিল প্ৰায়ে তোমাৰ নাম্বাৰটোৱে মোৰ ফ'নত ৰিং কৰোঁতে হৃদয়ত মিঠা অনুভূতিয়ে দোলা দি গৈছিল। সদায়ে ভাল বেয়া , খা খবৰ আৰু অলপ হাঁহি , ৰং ধেমালিৰ মাজেৰে বাৰ্তালাপ হৈছিল। তোমাৰ মিচিকিয়া হাঁহিমুখে সকলোকে যেন উদ্যমী কৰি ৰাখিব পৰা কিবা অলৌকিক শক্তি আহৰণ কৰিছে। মোৰ আটাইতকৈ প্ৰিয় তোমাৰ সেই হাঁহিটো ।

সময়ে সম্পৰ্কবোৰক নতুন নাম দিবলৈ আৰম্ভ হোৱা বুলি বিশ্বাস কৰিছিলো কিন্তু দৈৱৰ দুৰ্বিপাকত পৰি কোনোবা কাঠচিতীয়াৰ প্ৰৰোচনাত নিমিষতে আমি অচিনাকী হৈ পৰিলোঁ। সময়ৰ আওতাত তুমি হয়তো মোক তোমাৰ পৰা পৃথক কৰাৰ সিদ্ধান্ত ল'লা ,,, কিন্তু আত্মীয় কেতিয়াও পৃথক নহয় তুমিও জানা ভালকৈ । মোৰ বাবে হৃদয় এক অবৈধ বিজ্ঞাপন হ'ব নোৱাৰে । সেয়ে তোমাৰ জীৱনৰ কুহুমবুলীয়া সময়বোৰ নান্দনিকতাৰে উপচি পৰাৰ কামনাৰে তোমালৈ বুলি মৰহা হৃদয়ৰ নিভাঁজ কোঠাত আটি ৰখা জীপাল মৰমৰ নীল ৰঙীন বিষ ধলা চিয়াঁহীৰ টোপালেৰে এখন চিঠি .....।

( চিঠিৰ প্ৰত্যুত্তৰত এমোকোৱা হাঁহিৰে বুদ্ধিদীপ্ত চানেকিৰে সহৃদয়তাৰ অৱতাৰণা আশা কৰিলো )

ইতি

তোমাৰ অচিনাকী আকঁৰি
প্ৰতীক্ষা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই-আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# নীলা খামৰ চিঠি

Bhaska Moni Kalita.
Dept. Of physics
Integrated M.Sc 1st semester
Dibrugarh University


Hey,

It's been a long that we haven't seen each other. Sometimes it feels like the most unbearable pain. I always wonder about those questions,why? When?

You've always been the peace that always able to keep my mind calm,relax.You're voice is like the cup of fresh coffee, it refreshes my mind, washing away all my stress and blowing cold wind through my brain and then I feel myself weightless , stressless to fly away like a bird with free wings in the sky.

You're a moment ,that I want to live it to the fullest.
I don't want to miss this moment, not for a single moment.After all, you're the best moment I've ever had in my life.
Hope to see you soon!!...


# কলাৰ সমাহাৰ






**Taki Tayaba Hussain**
**Centre for women's studies, Dibrugarh University**





**Nazrana Yasmin, DUIET**







**Bidyut Bikash Mohan**
**Department of Political Science, Dibrugarh University**





**Dipjyoti Gowala**
**Centre for Studies in Geography, Dibrugarh University**



**Suraj Krishna Kutum**
**CCSA, Dibrugarh University**

# ফটোৰ ভাষাৰে








Amlan Kumar Das
Centre for Management Studies, Dibrugarh University



Priyangshu Choudhury
IMSC 3rd sem Physics
Dibrugarh University



Koushic Ghosh
Department of Commerce
Dibrugarh University

## ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ সদস্যসকল আৰু সন্মানীয় কৰ্ট সভাৰ সদস্য সকল



সভাপতি
পল্লৱ গগৈ
(কৰ্ট সভাৰ সদস্য )



উপ-সভাপতি
লক্ষীনন্দন টায়ে



সাধাৰণ সম্পাদক
হিমালয় বাৰিক
(কৰ্ট সভাৰ সদস্য )



সহঃ সাধাৰণ সম্পাদক
পাৰ্থ জ্যোতি বৰুৱা



আলোচনী সম্পাদক
সপোন বড়া



সংগীত সম্পাদক
প্ৰিন্সেন চিচেন চিংফৌ



সাংস্কৃতিক সম্পাদক
দেৱপ্ৰতীম বৰা



তৰ্ক আৰু আলোচনা সম্পাদক
কৃষ্ণা চেত্ৰী



সুকুমাৰ কলা আৰু সাহিত্য সম্পাদক
প্ৰীতম জ্যোতি গৌতম



খেল সম্পাদক
নৱজ্যোতি বৰগোহাঁই



ক্ৰিকেট সম্পাদক
চম্পক শইকীয়া




আন্তঃক্ৰীয়া সম্পাদিকা
জেৰলিন ৰংহাংপি



ফুটবল সম্পাদক
ধ্ৰুৱজ্যোতি চেতিয়া



ভলীবল সম্পাদিকা
নীহাৰিকা বৰুৱা



ছাত্ৰ জিৰণি কোঠা সম্পাদক
সঞ্জয় গগৈ



ছাত্ৰী জিৰণি কোঠা সম্পাদিকা
শ্যামলী ভূঞা



সমাজসেৱা সম্পাদক
জিৎ দাস



শৰীৰ চৰ্চা সম্পাদক
ৰাংকুফ মুফুক



ৰেজিনা বড়া
(কৰ্ট সভাৰ সদস্যা)




দীপাংকৰ নৰহ
(কৰ্ট সভাৰ সদস্য)



চিৰাজমান কোঁৱৰ
(কৰ্ট সভাৰ সদস্য)




কংকন জ্যোতি মহন্ত
(কৰ্ট সভাৰ সদস্য)





নাজিম আফ্ৰিড
(কৰ্ট সভাৰ সদস্য)


# ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ একাংশ










নাহৰ ই-আলোচনী
প্ৰস্তাৱনা সংখ্যা
জুলাই, ২০২১

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধি সকল



অভিষেক বৰুৱা
পদাৰ্থ বিজ্ঞান বিভাগ



চৈকত দাস
ৰসায়ন বিজ্ঞান বিভাগ



ধৈৰ্য্যৰাজ দলে
নৃতত্ত্ব বিভাগ



ফৈজল ছিদ্দিকী
গণিত বিভাগ



বিশাল শৰ্মা
সাংবাদিকতা আৰু গণ সংযোগ অধ্যয়ন কেন্দ্ৰ



ঋকলভ চাবুকধৰা
প্ৰায়োগিক ভূ-তত্ত্ব বিভাগ



ভেংকটেশ গোঁহাই
আইন অধ্যয়ন কেন্দ্ৰ



ঋষভ ডেকা
চাহ আৰু কৃষি অধ্যয়ন কেন্দ্ৰ



ৰাজশ্ৰী গগৈ
প্ৰায়োগিক মনোবিজ্ঞান অধ্যয়ন কেন্দ্ৰ

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধি সকল



শশাংকজীত কোঁৱৰ
তৈল প্ৰযুক্তি বিভাগ



নৰজ্যোতি কলিতা
ভেষজ বিজ্ঞান বিভাগ



ধ্ৰুৱজ্যোতি বাইলুং
শিক্ষাতত্ত্ব বিভাগ



পাভেল হাচমী
জৈৱ প্ৰযুক্তি অধ্যয়ন কেন্দ্ৰ



ৰঞ্জন বৰা
দৰ্শন অধ্যয়ন কেন্দ্ৰ



চন্দন গগৈ
বুৰঞ্জী বিভাগ



ডিমনজ্যোতি বৰা
জৈৱ বিজ্ঞান বিভাগ



নৰজিত শ্যাম
ডিব্ৰুগড় বিশ্ববিদ্যালয়
অভিযান্ত্ৰিক আৰু প্ৰযুক্তি প্ৰতিষ্ঠান



মাধৱী উপাধ্যায়
নাৰী অধ্যয়ন কেন্দ্ৰ

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধি সকল



**ভৰত দাস**
অসমীয়া বিভাগ



**পংকজ নাথ**
বাণিজ্য বিভাগ



**বিক্ৰম সোনোৱাল**
অৰ্থনীতি বিভাগ



**শ্যামন্ত শইকীয়া**
ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ



**কুমুদ কোঁৱৰ**
ইংৰাজী বিভাগ



**ডেনী চেতিয়া**
ৰাজনীতি বিজ্ঞান বিভাগ



**পৱন গগৈ**
ভূগোল অধ্যয়ন কেন্দ্ৰ



**ৰাজা বৰুৱা**
ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ




**ভাৰ্গৱ লিগিৰা**
সমাজতত্ত্ব বিভাগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ই_আলোচনী নাহৰ
প্ৰথম সংখ্যা
জুলাই , ২০২১

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ বিভাগীয় প্ৰতিনিধি সকল



দেৱজিত দলে
সমাজকর্ম অধ্যয়ন কেন্দ্ৰ



মানস ফুকন
পৰিকলন অধ্যয়ন কেন্দ্ৰ



ঋষভ চক্ৰৱৰ্তী
পৰিসংখ্যা বিভাগ



কুনলীক হাজৰিকা
ভাষাতত্ত্ব অধ্যয়ন কেন্দ্ৰ



মৃদুপৱন শৰ্মা
গ্ৰন্থাগাৰ আৰু তথ্যবিজ্ঞান অধ্যয়ন কেন্দ্ৰ



সুমন কল্যাণ গগৈ
শাৰীৰিক শিক্ষা আৰু ক্ৰীয়া অধ্যয়ন কেন্দ্ৰ